# বেঞ্জামিন ফ্রেংকলিন

"In the world's broad field of battle,
In the bivouac of life,
Be not like dumb, driven cattle!
Be a hero in the strife!"

*"Long fellow"*

—:o:—

প্ৰণেতা—

শ্ৰীকালীৰাম বৈশ্য

ধুবুৰী।

এপ্ৰিল, ১৯৩০।

বেচ দৰে ৷৶০ অনামাত্ৰ

প্রিন্টার—শ্রীরাজকুমার মজুমদার

কামরূপ প্রেস

৪২, বাদুড় বাগান ষ্ট্রীট, কলিকতা।

CURZON HALL LIBRARY.
MAY. 1952
GAUHATI—ASSAM

এনে অনেক মহৎলোকৰ নামে মানৱ জাতিৰ বুৰঞ্জীৰ পাত উজ্বল কৰি ৰাখিছে যিসকলে নিতান্ত হীন অৱস্থাৰ পৰা নিজৰ অক্লান্ত কৰ্ম্ম, উত্তম আৰু অধ্যৱসায়ৰ বলত উন্নতি জখলাৰ ওখ খাপত উঠিছিলগৈ। মহামতি বেঞ্জামিন ফ্ৰেঙ্কলিন এজন মাৰ্কিণ দেশীয় লোক—জৰ্জ্জ ৱাছিংটনৰ পাঁচত [illegible] নামে মাৰ্কিণ ইতিহাসৰ পৃষ্ঠা জিলিকাইছে।

মহত্ব উত্তৰাধিকাৰী সূত্ৰত পোৱা সম্পত্তি নহয়। সংসাৰৰ কৰ্ম্মক্ষেত্ৰত পাপৰ পথ এৰি যেয়ে যিমান দূৰ আগবাঢ়িব পাৰে সেয়ে সিমান পৰিমাণে মহত্বৰ অধিকাৰী হয়। যেয়ে কৰ্ম্মৰ মহত্ব, উত্তম আৰু অধ্যৱসায়ৰ কৃতিত্ব আৰু চৰিত্ৰ-বলৰ আভাস পাব খোজে তেওঁ এবাৰ মনোযোগ দি বেঞ্জামিনৰ জীৱন-চৰিত পাঠ কৰক। এজন বেঞ্জামিনৰ জীৱন-চৰিত লেখোঁতাই কৈছে —"তেওঁৰ সত্য জীৱন-কাহিনীৰ কথাই ঔপন্যাসিকৰ কল্পনাকো চেৰ পেলাইছে। তেওঁ কেনেকৈ কঠোৰ [illegible] আৰু জীৱনৰ নানা দুখ দুৰ্গতিৰ সমুখ-সমৰ কৰি [illegible] কৰিছিল, আৰু তেওঁৰ অপৰিজ্ঞাত বংশৰ নাম [illegible]

গৌৰৱমণ্ডিত কৰিছিল—কল্পনায়ো তেনে ছবি অঁকাত হাৰ মানিব।

বেঞ্জামিনৰ জীৱনী অপূৰ্ব্ব শিক্ষাপ্ৰদ। তেওঁৰ জীৱনৰ মূল-নীতি কি আছিল তাক একে আষাৰ কথাৰে কৈ থবলৈ গলে ভুল হব। তেওঁ যদিও দুই শতাব্দীৰ আগেয়ে আমেৰিকাৰ কৰ্ম্মভূমিত জন্ম লাভ কৰিছিল আৰু উন্নতমনা সমাজৰ মাজত জীৱন গঠিত হৈছিল, তথাপি সকলো অৱস্থাৰ, সকলো সময়ৰ সকলো সমাজৰ মানুহক জীৱন পথত উদ্গতি লাভ কৰিবলৈ তেওঁৰ জীৱনে যথেষ্ট সম্বল দিব।

কৰ্ম্মবীৰ এজনৰ জীৱনী কৰ্ম্মী পুৰুষ এজনে লিখিলেহে ৰঞ্জিতা খায়। আমাৰ নিচিনা নিষ্কৰ্ম্মা জাতিৰ লিখক এজনৰ কাপত যে তেনেকুৱা মহৎলোক এজনৰ প্ৰকৃত ছবি ফুটি উঠিব সি আমাৰ আশাৰ অতীত। চক্ৰেটাচৰ জীৱনী অদাৰ্শনিক এজনে লিখা যেনে, নেপোলিয়নৰ জীৱনী ভীৰুলোকে লিখা যেনে, মিণ্টনৰ জীৱনী অকবিয়ে লিখা যেনে আৰু গ্লেড্‌ষ্টোনৰ জীৱনী অৰাজনীতিজ্ঞই লিখা যেনে বেঞ্জামিনৰ জীৱনী ৰচিবলৈ আমাৰ নিচিনা এজনে কাপ ধৰাও তেনে হৈছে। তথাপি, আমাৰ উন্নতকামী ডেকা বন্ধুসকলৰ হাতত এনেকুৱা বহুমূলীয়া জীৱনী এখন দিব পৰাটো কম সাৰ্থকতাৰ বিষয় নহয়। 'অলঙ্কাৰ বিতোপন নহলেও সোণৰ মূল্য মুগুছে' এই ভাবকে সাৰোগত কৰি আমি এই কামত হাত দিলোঁ। দীঘল পাতনি মিলি

সুমথিৰাৰ সোৱাদ বাকলিতে দিয়া আমাৰ ইচ্ছা নহয়। সেই-বাৰে নিচেই এবেগেতকে ইয়াৰ সামৰণি মাৰিলোঁ।

এই জীৱনী গ্ৰন্থ প্ৰণয়ন কৰোঁতে লিখকে দুখনমান বেঞ্জামিনৰ ইংৰাজী জীৱন চৰিতৰ আৰু তেওঁৰ আত্ম-চৰিতৰ পৰা উপাদান সংগ্ৰহ কৰিছে। এতেকে লিখক সেই গ্ৰন্থৰ ৰচয়িতা সকলৰ ওচৰত ঋণী থাকিল। ইতি—

২৯ মাৰ্চ্চ, ১৯২৮।
নাজিৰা।

জীৱনী প্ৰণেতা।

# লিখকৰ নিবেদন।

তিনি বছৰৰ আগেয়ে অসমৰ পুৰণি ৰাজধানী গড়গাওঁ নগৰত ( নাজিৰাত ) বহি, এই পুথি খনি লিখি উলিওৱা হৈছিল। নিজৰ আজৰি সময়ৰ অভাৱত ইমান দিনে ই বাকচৰ কিতাপৰ দ'মৰ তলত পৰি আছিল। এতিয়া অলপ অৱসৰ সময় পোৱাত ইয়াক কিতাপৰ আকাৰে ৰাইজৰ আগলৈ উলিয়াবলৈ সাহ কৰিলোঁ।

সাহিত্য-ক্ষেত্ৰত নিজকে প্ৰচাৰ কৰা দুৰাশা আমাৰ কেতিয়াও নাই আৰু তেনে আশা মনত ঠাই দিয়াও আমাৰ পক্ষে বাওনাই জোন ধৰিবলৈ হাত মেলাৰ নিচিনা। তথাপি এই কাম কৰিবলৈ গৈ বেঞ্জামিনৰ কথাৰে কবলৈ হলে, 'পেপাৰ উচিত মূল্যাই দিছোঁ নে অধিক মূল্যাই দিছোঁ' তাক পঢ়ুৱাই সকলে বিচাৰ কৰি চাব।

ছপাবলৈ যুগুত কৰোঁতে ইয়াৰ বৰ্ণাশুদ্ধি আদি দোষবলৈ বিশেষ ভাবে চকু ৰখা হৈছিল কিন্তু কলিকতাৰ প্ৰেছৰ ছাপাখানাৰ ভূতৰ ( Printer's devil ) [illegible] দৃষ্টি কোনো মতে এৰাব পৰা নহল। [illegible] ঠাইয়ে ঠাইয়ে দুই চাইটা ছপাৰ ভুল বৈ গল। কিতাপৰ

এনেবিধৰ ক্রটীৰ কাৰণে গুণ-গ্রাহী পাঠক সকল মার্জ্জনা নকৰিলে উপায়ান্তৰ নাই।

যিসকল সহৃদয় বন্ধুৱে ইয়াক ছপাই উলিয়াবলৈ আমাক উদগনি দিছিল তেওঁখেত-সকললৈ এই ছেগতে আমাৰ শলাগৰ আঁজলি আগ বঢ়ালোঁ। আমাৰ শ্রদ্ধা-ভাজন সাহিত্যিক শ্রীযুক্ত মহাদেৱ শর্ম্মা দেৱে দয়া কৰি ইয়াৰ কেঁচা ছপা আদি চাই দিছে আৰু পুথিৰ অঙ্গসৌষ্ঠৱ সম্বন্ধে লাগতিয়াল উপদেশ দিছে। সেইবাবে তেওঁখেতৰ ওচৰত আমি চিৰ কৃতজ্ঞ। ইতি

ধুবুৰী
২৮ আঘোণ, ১৮৫২ শকাব্দ।

শ্রীকালীৰাম বৈশ্য।

# উৎসৰ্গ পত্ৰ

—:০:—

মোৰ কল্যাণ-কামী অগ্ৰজ তুল্য বন্ধু, নাজিৰা হাই স্কুলৰ হেড্-মাষ্টাৰ, মাননীয় মৌলবী আজিজৰ ৰহমান, বি-এ মহোদয়ৰ কৰ-কমলত মোৰ এই প্ৰথম প্ৰচেষ্টা সাদৰেৰে সমৰ্পণ কৰিলোঁ।

"গ্ৰন্থকাৰ"

# বেঞ্জামিন ফ্ৰেঙ্কলিন

## পিতৃমাতৃ আৰু লৰাকাল

১৬৮৫ খৃষ্টাব্দত এজন ৰঙৰ ব্যৱসায়ে তেওঁৰ পত্নী আৰু ৩টি সন্তানক লগত লৈ জনচেৰেক ওচৰ চুবুৰীয়াৰে সৈতে তেওঁলোকৰ মাতৃভূমি ইংলণ্ড এৰি আমেৰিকাৰ নিউ ইংলণ্ডলৈ যাত্ৰা কৰিলে। তেওঁলোকে আমেৰিকাৰ তীৰভূমিত পদাৰ্পণ কৰি নিউ ইংলণ্ডৰ বোষ্টন নগৰত বাস কৰিবলৈ ললে। তেতিয়াৰ বোষ্টন নগৰ আৰু এতিয়াৰ বোষ্টন নগৰৰ ভিতৰত বহুত প্ৰভেদ ঘটিছে; আৰু এতিয়াৰ নন্দন-কানন-সদৃশ আমেৰিকা তেতিয়া বাঘ ভালুকেৰে পৰিপূৰ্ণ এখন বিস্তীৰ্ণ কাননভূমিহে আছিল। এই নবাগত উপনিৱেশকাৰী কেইজন ডিছেণ্টাৰ মতবাদী খৃষ্টান আছিল আৰু তেওঁলোকে নিজৰ জন্মভূমিত স্বধৰ্ম্ম বিশ্বাস মতে চলাত ৰাজঘৰৰ পৰা অনেক বাধা বিঘিনি পাইছিল। সেই অসুবিধাৰ হাত সৰাই তেওঁ-

লোকৰ জন্মভূমি এখাৰ প্ৰথম কাৰণ। ইয়াৰ দ্বিতীয় কাৰণ, তেওঁলোকৰ কাপোৰত ৰং-লগোৱা ব্যৱসায়ৰ উন্নতি কৰি নিজ নিজ অৱস্থা স্বচ্ছল কৰা। ওপৰত কোৱা সেই ৰঞ্জন ব্যৱসায়ী (Dyer) জনৰ নাম আছিল 'জোছিয়া ফ্রেঙ্কলিন'। এওঁ এজন মধ্যবৃত্ত অৱস্থাৰ গাৱঁলীয়া ভদ্ৰলোক আছিল। তেওঁলোক অর্থাৎ ফ্রেঙ্কলিন পৰিয়াল কেইঘৰ পুৰুষৰ পৰা ইক্টন নামে ইংলণ্ডৰ এখন সমৃদ্ধিশালী গাওঁত বাস কৰি আহিছিল। জোছিয়া ফ্রেঙ্কলিনৰ আৰু তিনি জন ককায়েক আছিল; তাৰ ভিতৰত বেঞ্জামিনৰ নাম বিশেষ উল্লেখযোগ্য। এই বেঞ্জামিন নামকে অনুকৰণ কৰি জোছিয়া ফ্রেঙ্কলিনে তেওঁৰ এটা লৰাৰ নামকৰণ কৰিছিল;—যাৰ জীবনৰ চমু বৃত্তান্ত এই পুথিৰ পাচৰ পৃষ্ঠা কেইটাত বৰ্ণনা কৰা হব।

জোছিয়া ফ্রেঙ্কলিন মজলীয়া অৱস্থাৰ মানুহ হলেও তেওঁ এজন জ্ঞান, বহুদৰ্শিতা, ধৰ্ম্মপ্ৰাণতা, কৰ্ত্তব্যপৰায়ণতা আৰু আন আন ভালেমান গুণত আদৰ্শস্থানীয় লোক আছিল। অইন মানুহৰ ওপৰত নিজৰ ক্ষমতা বিস্তাৰ কৰিব পৰা আৰু দহজনৰ ওপৰত নেতৃত্ব কৰিব পৰা গুণো তেওঁৰ আছিল। তেওঁ এজন স্বাস্থ্যবান আৰু বলিষ্ঠ লোক আছিল আৰু ৮৯ বছৰ বয়সত নিটোল স্বাস্থ্যেৰে সৈতে তেওঁৰ মৃত্যু হয়।

জোছিয়া ফ্রেঙ্কলিনৰ বোষ্টন নগৰত আৰু চাৰিটি সন্তান জন্মে। এইদৰে সাতোটি সন্তান হোৱাৰ পাচত তেওঁৰ পত্নীৰ মৃত্যু হয়। তেওঁ ঘৰুৱা আহুকালৰ হাত সাৰিবৰ

কাৰণে আৰু নিজ ব্যৱসায় সুকলমে চলাবৰ কাৰণে দ্বিতীয়বাৰ বিয়া কৰিব লগাত পৰিল। তেওঁৰ দ্বিতীয় ভাৰ্য্যা আবিয়া ফোল্‌জাৰ নিউ ইংলণ্ডৰ কোনো শিক্ষিত ভদ্ৰপৰিয়ালৰ কন্যা আছিল। এওঁৰ গৰ্ভত জোছিয়া ফ্ৰেংকলিনৰ আকৌ দহোটা সন্তান জন্মে। দ্বিতীয় ভাৰ্য্যাৰ অষ্টম সন্তান ১৭০৬ খৃষ্টাব্দৰ ৬ জানুৱাৰী তাৰিখে জন্মলাভ কৰে। বাপেক জোছিয়াই তেওঁৰ ইংলণ্ডত থকা মৰমৰ ককায়েক বেঞ্জামিনৰ নাম অনুকৰণ কৰি এই লৰাটিৰ নাম বেঞ্জামিন ফ্ৰেংকলিন থলে। জোছিয়া ফ্ৰেংকলিন যেনে আদৰ্শ পিতৃ আছিল, আবিয়া ফ্ৰেংকলিনো তেনেকুৱা এগৰাকী আদৰ্শ মাতৃ আছিল। তেওঁলোকৰ সুশিক্ষাৰ গুণতে তেওঁলোকৰ লৰা-ছোৱালীবিলাকে সুখ আৰু সন্তোষৰ মাজত সাংসাৰিক জীৱন যাপন কৰিব পাৰিছিল। স্বামীৰ নিচিনা আবিয়া ফ্ৰেংকলিনেও সুস্বাস্থ্যৰ অধিকাৰিণী হৈ ৮৬ বছৰত শৰীৰ পাত কৰে।

লাহে লাহে ফ্ৰেংকলিন পৰিয়াল বোষ্টন নগৰত এটা বিৰাট পৰিয়ালত পৰিণত হল আৰু জোছিয়া ফ্ৰেংকলিনে দেখিলে যে তেওঁলোকৰ কাপোৰত ৰং দিয়া কাৰবাৰেৰে আৰু সৰহ দিন সংসাৰ চলাব নোৱাৰে; তাত বাহিৰে এই কাৰবাৰত বিশেষ লাভো নহয়। কাজে কাজেই তেওঁ কাপোৰ ৰঙোৱা কাৰবাৰ এৰি মমবাতি আৰু চাবন প্ৰস্তুত কৰা কাৰবাৰ গ্ৰহণ কৰিলে।

জোছিয়াৰ পঞ্চদশ সন্তান বেঞ্জামিন লাহে লাহে ডাঙৰ হৈ আছিল। তেওঁ নিচেই কোমল বয়সতে পিতাকৰ চেষ্টাত

আথব চিনি পাইছিল আৰু প্ৰত্যেক কথাতে তেওঁ অসাধাৰণ প্ৰতিভাৰ চিনাকি দিছিল। আনকি, কেতিয়াবা কিবা এটা ভ্ৰান্তিমূলক কাম কৰিলেও তাৰ পৰা তেওঁ নিজে সদুপদেশহে উলিয়াই লৈছিল। এই কথাৰ প্ৰমাণ স্বৰূপ তেওঁৰ সাত বছৰ বয়সৰ এটা ঘটনা উল্লেখ কৰা হল।

এদিনাখন বোষ্টন নগৰত এখন ডাঙৰ মেলা বহিছিল। সেই মেলাত আমাৰ ভাৰতীয় মেলা বিলাকৰ নিচিনা নানা তৰহৰ বস্তু বেচা-কিনা আৰু নানা প্ৰকাৰৰ ৰং ধেমালি হৈছিল। মেলাত খৰচ কৰিবলৈ তেওঁলোকৰ আন আন লৰা-ছোৱালীৰ নিচিনা বেঞ্জামিনকো বাপেক মাকে কিছুমান তামৰ ছেণ্ট * দিছিল আৰু যাতে তেওঁ সেইবোৰ লাগতিয়াল বস্তুতহে খৰচ কৰে, তাক মাকে দঢ়াই দঢ়াই কৈ পঠিয়াইছিল। তেওঁ মেলাৰ মাজত নৌ সুমাওঁতেই দেখিলে যে, তেওঁৰ সমনীয়া এজনে পেপা বজাই বজাই আহিছে। বেঞ্জামিনে সেই পেপাৰ মাতত মুগ্ধ হৈ তেনেকুৱা পেপা এটা কিনিবলৈ তেওঁৰো মন গল আৰু তেনে পেপা ক'ত পোৱা যায় সুধি ললে।

তেওঁ পোনে পোনে দোকানলৈ গৈ পেপাৰ কথা সুধিলে। দোকানীয়ে কেইবাটিও পেপা উলিয়াই দিলে। এটা এটাকৈ বজাই চাই ভাবে মনত লগা পেপা এটা ললে আৰু তাৰ কোনো দৰ দাম নেখেলোৱাকৈ জেপত থকা গোটেই খিনি ধন

* এক ছেণ্ট প্ৰায় ৫ পাঁচ পাইৰ সমান।

দি দিলে। মেলাৰ আনন্দৰ খেলা নোচোৱাকৈ সেই পেপাটো বজাই বজাই তেওঁ ঘৰলৈ উভতি আহিল। তেওঁ পেপাৰ মাতত ইমান উৎফুল্ল হৈছিল যে, তাক বজাই বজাই গোটেই পৰিয়ালটোক আমনি লগাইছিল। যেতিয়া তেওঁৰ ককাই-য়েকইঁতে পেপাটোৰ কাৰণে গোটেই গাল 'ছেণ্ট' দিয়া কথা জানিলে, তেতিয়া তেওঁলোকে তেওঁক ঠাট্টা কৰিবলৈ ধৰিলে। তেওঁ পেপা বজাই যি আনন্দ পাইছিল এতিয়া তাৰ দুগুণে বেজাৰ পাবলৈ ধৰিলে; অইন কি, কেকুৰি কেকুৰি কান্দিবলৈও তৎ নেপালে।

কিন্তু এই ঘটনাটিৰ পৰা তেওঁ এটি নীতিবচন আহৰণ কৰিলে আৰু সেইটিয়ে তেওঁৰ জীৱনৰ এটা মূল উপদেশ হৈ উঠিল। নীতি বচনটি এই—"তোমাৰ পেপাৰ কাৰণে উচিত মূল্যতকৈ অধিক নিদিবা।"* এই নীতি বচনটো যে কেৱল বস্তু কিনা-বেচা কৰাতহে খাটে, এনে নহয়। জীৱনৰ প্ৰত্যেক সমস্যাকে উদ্দেশ্য কৰি এই কথাটি কোৱা হৈছে।

তেওঁৰ আত্ম-জীৱন চৰিতৰ এঠাইত কৈছে,—"মনুষ্য-জীৱনৰ বহুত দুঃখ দুৰ্গতি পেপাৰ বাবে অতিৰিক্ত মূল্য দিয়াৰ কাৰণেই হয়।" ইয়াৰ মৰ্ম্ম এই যে, মানুহে ভাবি চিন্তি নোচোৱাকৈয়ে কোনো কামত অতিৰিক্তকৈ মন দিলে আৰু কোনো কামৰ দোষ বুজিও তাত আসক্ত হলে তাৰপৰা কষ্ট ভোগ কৰিব লাগে

* Do not give too much for your whistle.

যেতিয়া তেওঁ কোনো বিলাসী লোকক দেখিছিল, তেতিয়া তেওঁ তাক লক্ষ্য কৰি কৈছিল,—“এই মানুহজনে তাৰ পেপাৰ অধিক মূল্য দিছে।” কৃপণ এজনক দেখিলেও কেওঁ কৈছিল,— “এই বেচেৰাই তাৰ পেপাৰ সৰহ মূল্য দিছে।” সেইদৰে কোনো মানুহে নিজৰ কৰ্ত্তব্য কাতি কৰি থৈ ৰাজনৈতিক বা অইন তেনে কামত অনৰ্থক হৈ-চৈ কৰি ফুৰা দেখিলে তেওঁ কৈছিল,— “এই বপুৰীয়ে তাৰ পেপাৰ আচল মূল্য বুজা নাই।” এই প্ৰকাৰে আন আন কথাতো তেওঁ এই পটন্তৰকে দিছিল।

তেওঁৰ লৰাকালৰ অইন এটা ঘটনা ইয়াত উল্লেখ কৰা হল। অৱশ্যে নীতিৰ ফালে দি বিচাৰ কৰি চালে সেই কাম যদিও দোষযুক্ত, তথাপি লৰা কালতে ভৱিষ্যত কৰ্ম্মশক্তি তেওঁৰ কিৰূপে বিকাশ পাইছিল, তাৰ আভাস ইয়াত পোৱা যায়। লৰা কালতে তেওঁ লগৰীয়া লৰা কিছুমানেৰে সৈতে এখন জলাহত বৰশীৰে মাছ ধৰিছিল। লৰাইতৰ ভৰিৰ গচকাত বৰশীবোৱা ঠাই খিনিত আঠুৱনি বোকা হৈছিল। তেওঁ সকলো লৰাৰ আগত সেই ঠাইখিনি বান্ধিবলৈ প্ৰস্তাৱ কৰিলে। লগৰীয়া লৰাবিলাকে তেওঁৰ কথা কেতিয়াও নেপেলাইছিল; সুতৰাং সকলোৱে তাত মান্তি হল। জলাহৰ পাৰত ঘৰ সাজিবৰ কাৰণে কিছুমান প্ৰকাণ্ড প্ৰকাণ্ড শিল দমাই থোৱা আছিল। তেওঁলোকে সেই শিলবিলাক আনি ঘাটটো বান্ধিবলৈ থিৰ কৰিলে। গধূলি যেতিয়া ঘৰৰ কাম কৰা মানুহবিলাক গুছি গল, তেতিয়া লৰাবিলাকে লগ লাগি দমৰ পৰা শিল বগৰাই

আনি অলপ সময়ৰ ভিতৰতে আঠুৱনি বোকা পানীৰ ওপৰত দমদমীয়া ঘাট এটা বান্ধি পেলালে। ৰাতিপুৱা মিস্ত্ৰীসকলে শিল দ'ম নাইকিয়া হোৱা দেখি আচৰিত মানিলে। অৱশেষত সেইটো বৰণী বোৱা লৰাবিলাকৰ কাম বুলি জানি মাপেকহঁতৰ ওচৰত গোচৰ দিলে গৈ। লৰাহঁতৰ অভিভাবকে সিদিনা প্ৰত্যেককে একোটা ভাল শিকনি দিলে। বেঞ্জামিনকো তেওঁৰ পিতাকে এই বিষয়ে তিৰস্কাৰ কৰিলে। "যি কাম সজ নহয় সি যথাৰ্থতে উপকাৰী নহয়।" * -সিদিনা পিতাকে দিয়া এই কাকি সাকৰা উপদেশ তেওঁ গোটেই জীৱনত পাহৰা নাছিল।

যি সকলে পিচৰ কালত কীৰ্ত্তিমন্ত পুৰুষ হৈ উঠে, তেওঁলোকৰ লৰা কালৰ ধেমালি বিলাকেই ভৱিষ্যত দৈহিক শক্তি মনস্বিতাৰ পূৰ্ব্বাভাস দিয়ে। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে লৰাকালতে ধেমালিৰ ছলেৰে অদ্ভুত অদ্ভুত কামবিলাক কৰিছিল। পূজ্যপাদ স্বামী বিবেকানন্দই তেওঁৰ বাল্য ক্ৰীড়া বিলাকত অসীম সাহস আৰু ধৈৰ্য্যগুণৰ পৰিচয় দিছিল। মহাবীৰ নেপোলিয়নে লৰাকালত বৰফৰ স্তূপৰ দুৰ্গ নিৰ্ম্মাণ কৰি লৰাবিলাকক দুদল কৰি লৈ যুঁজৰ ধেমালি কৰিছিল। লৰা কালত বেঞ্জামিনেও সকলো প্ৰকাৰৰ ধেমালিত বুদ্ধি কৌশলৰ চিনাকি দিছিল। নাওবোৱা, সাঁতোৰা, লৰিকুৰা, জাপিওৱা আদি

* What is not honest cannot be truly useful.

বিবিধ খেলত তেওঁ আগৰণুৱা আছিল। সেই বুলি তেওঁ সময় অসময় সুবুজাকৈ কোনো খেল নেখেলিছিল। এই লৰা খেমালি বিলাকত আনক চেৰ পেলাবৰ কাৰণে তেওঁ নানাবিধ উপায় উদ্ভাৱন কৰিছিল। সাঁতোৰা বিষয়ৰ উন্নতি কৰিবলৈ তেওঁ লৰা কালতে দুটা নতুন উপায় উদ্ভাৱন কৰে। উদ্ভাবিত কৌশলৰ প্ৰথমটি নিছেই উজু। দুচটা দহ ইঞ্চিমান দীঘল আৰু ৬ ইঞ্চিমান বহল ডিম্বাকৃতি কাঠৰ বঠা। তাৰ নালত বুঢ়া আঙুলিটো সোমাব পৰা এটা ফুটা। সেই ফুটাত বুঢ়া আঙুলিটো সোমাইদি মুঠি মাৰি ধৰি সাঁতোৰোঁতে নাও বোৱাৰ দৰে বঠা মাৰি যাব লাগে। ভৰিৰে সহায় পাবৰ কাৰণেও ভৰিৰ তলুৱাত লৰচৰ হব নোৱাৰাকৈ দুচটা কাঠ বান্ধি দিব লাগে। তেওঁ এদিন লৰাবিলাকক মাতি আনি তেওঁৰ সাঁতোৰা নতুন কৌশলটো দেখুৱাই সকলোকে বিস্মিত কৰিলে। কিন্তু তেওঁ দেখিলে যে সেই দৰে বঠা মৰাত হাতৰ গাঁঠিত বৰ জোৰ পৰে আৰু সোনকালে ভাগৰিব লাগে। তেওঁ লগৰীয়া বিলাকক কলে যে, তাত বাজেও তেওঁৰ অইন এটা উপায় আছে।

দ্বিতীয় কৌশলটো দেখুৱাবৰ কাৰণে এদিন লৰাবিলাকক গোট খুৱালে। প্ৰথমে তেওঁ এখন কাকতৰ চিলা উৰুৱাই দিলে। চিলাখন যেতিয়া বহুত ওপৰলৈ উঠিল, তেতিয়া তেওঁ পুখুৰীত নামিল আৰু চিলাখনৰ জৰিত ধৰি চিৎ-সাঁতোৰ দি অলপ আয়াসতে আৰু অলপ সময়তে সাঁতুৰি পুখুৰী পাৰ হল। এই উপায়টো আগৰটোতকৈ তেওঁ যেচি সুবিধাজনক

দেখিছিল। তেওঁ এই বিষয়ে আত্মচৰিতত এঠাইত কৈছে যে, পিচত এই বিষয়ৰ উন্নতিৰ কাৰণে মন দিয়া হলে তেওঁ হেনো কেলে বন্দৰৰ পৰা ডোভাৰ বন্দৰলৈকে তাৰ সহায়ত সাঁতুৰি পাৰহৈ যাব পাৰিলে হেঁতেন। ইয়াৰ ৩০ বছৰ পিচত তেওঁ এই কাকতৰ চিলাৰ সহায়তে এটা লাগতিয়াল বৈজ্ঞানিক আবিষ্কাৰ কৰিছিল। পাচত এই বিষয়ে পোৱা যাব।

লৰা কালৰে পৰা তেওঁৰ হৃদয়ত উচ্চ আকাঙ্ক্ষাৰ বীজ উপ্ত হৈছিল।* "আজিতকৈ কালিলৈ এখাপ ওপৰ উঠিবলৈ চেষ্টা কৰিবা"—এই গুপ্ত মন্ত্ৰৰ সাধনা তেওঁ লৰা খেলালিৰ সময়ৰ পৰাই কৰিছিল আৰু তাৰ দ্বাৰাই চালিত হৈ তেওঁ সকলো কথাতে নতুনত্ব দেখুৱাবলৈ যত্ন কৰিছিল।

---

* Try to do better to-morrow then to-day
than

# স্কুলত শিক্ষালাভ

বেঞ্জামিনৰ প্ৰকৃত শিক্ষা স্কুল বা কলেজত হোৱা নাছিল। আনকি, কলেজৰ তেওঁ নাম গোন্ধেই পোৱা নাছিল। তেওঁৰ প্ৰকৃত শিক্ষাৰ ভিত্তি স্থাপিত হয় নিজ ঘৰত আৰু যি শিক্ষাৰ ফলত তেওঁ পাচত নামজ্বলা লোক হৈ উঠিছিল, সেই শিক্ষা তেওঁ নিজৰ উদ্যমত লাভ কৰিছিল। স্কুল, কলেজ আদি মানুহৰ সাধাৰণ বুদ্ধি বিকাশৰ প্ৰতিষ্ঠান মাত্ৰ—মানুহৰ প্ৰতিভাৰ পূৰ্ণতা সাধন স্কুল-কলেজৰ শিক্ষাই কেতিয়াও কৰিব নোৱাৰে। তাৰ কাৰণে মানুহৰ স্বকীয়া চেষ্টা আৰু পাৰিপাৰ্শ্বিক অৱস্থাৰ আনুকূল্য লাগে।

সম্মানেৰে সৈতে কোনো বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লাভ কৰাটো বেঞ্জামিনৰ ভাগ্যত নঘটিল হয় কিন্তু তেওঁ যে কলেজত কৃতী ছাত্ৰ বুলি চিনাকি নিদি নেথাকিল হেঁতেন তাৰ প্ৰমাণ আমি তেওঁৰ তাকৰীয়া পঢ়াশলীয়া জীৱনতে পাওঁহঁক।

জোছিয়া ফ্ৰেঙ্কলিনৰ আৰ্থিক অৱস্থা বৰ অস্বচ্ছল আছিল। সেই কাৰণে তেওঁৰ পক্ষে পুতেকহঁতক উপযুক্ত শিক্ষা দিয়া অসম্ভৱ আছিল। তেওঁৰ ল'ৰা বেঞ্জামিনৰ তীক্ষ্ণ বুদ্ধি দেখি ওচৰ চুবুৰীয়া মিতিৰ-কুটুম আদিয়ে তেওঁক যেনে তেনে উপায়ে পঢ়াবলৈ টানি ধৰিছিল। ইপিনে তেওঁৰ [illegible]

নমব ককাইয়েক বেঞ্জামিনে তেওঁব নামব প্রতিভূ ভতিজাক ঞ্জামিনক লিখা পঢ়া শিকাব লাগে বুলি ইংলণ্ডব পবা লিখি ঠিয়াইছিল। অৱশ্যে মাক বাপেকে যে বেঞ্জামিনব শিক্ষাব ষয় নেভাবিছিল এনে নহয়; কিন্তু তেওঁলোকে দেখিছিল যে, কানো মতেই তেওঁক বেচি ওপবলৈ পঢ়াব নোৱাৰে। কোনো াথমিক স্কুলত পঢ়াই আনি তেওঁলোকব ব্যৱসায়ত সোমাই ব লাগিব। তেওঁলোকে এদিন বেঞ্জামিনক মাতি আনি লত দিয়াব কথা তুলিলে। কিন্তু এই কথাও কৈ থলে যে বাকী ময়খিনিত তেওঁলোকব ঘৰুৱা কামত সহায় কবিব লাগিব। ঢ়িবলৈ দিয়া কথা শুনি যেনে মনত অসীম আনন্দ পালে আক াজবি সময়ত সকলো ঘৰুৱা কাম কৰিব বুলি বং মনেৰে গাত লে।

বোষ্টন নগবত এখন অবৈতনিক প্রাথমিক স্কুল আছিল। তেওঁক সেই স্কুলত পঢ়িবলৈ দিয়া হল। তেতিয়া তেওঁব বয়স আঠ বছব মাথোন। সেই স্কুলব শিক্ষক মিঃ উইলিয়েমচ্ এজন বিজ্ঞলোক আছিল। বেঞ্জামিনে স্কুলত প্রথম মাহতে অসাধাৰণ াবদর্শিতাব চিনাকি দিছিল। আঠ বছবীয়া ল'বা এজনৰ অসামান্য বুদ্ধি-বৃত্তি দেখি শিক্ষক মহোদয় মুগ্ধ হল। তেওঁ প্রত্যেক শ্রেণীতে সদায় প্রথম স্থান লাভ কৰিবলৈ ধৰিলে। মাক শিক্ষকে অলপ দিনৰ ভিতৰতে তেওঁক ওপৰ শ্রেণীলৈ তুলি নিদি নোৱাৰিলে। এইদৰে খাপে খাপে তেওঁ ওপৰলৈ উঠি...

বিষয়তে পার্গতালি দেখুৱালেও তেওঁ পাটীগণিতত পৈনত নাছিল।

ঈশ্বৰে তেওঁক অসাধাৰণ প্ৰতিভাশক্তি দি জন্ম দিছিল। কিন্তু তেওঁ নিজে যত্ন নকৰাহেঁতেন এই ঈশ্বৰদত্ত শক্তিৰ উন্মেষ নহল হেঁতেন। তেওঁ যি কামতে হাত দিছিল তাতে কৃতকাৰ্য্য হৈছে এৰিছিল। পঢ়াতো তেওঁ সিদ্ধিৰ জয়মাল্য লৈ লক্ষ্য বাখি মনোযোগ দিছিল। কিন্তু পঢ়াৰ লগে লগে দেউতাকৰ আদেশমতে সকলো ঘৰুৱা কামো কৰিছিল।

জোছিয়া ফ্ৰেঙ্কলিনে দেখিলে যে তেওঁৰ লৰাক আৰু সৰহ দিন স্কুলত পঢ়াব নোৱাৰে; কিয়নো তেওঁৰ আৰ্থিক অৱস্থা দিনে দিনে শোচনীয় হৈ আহিছিল। তেওঁ বেঞ্জামিনক স্কুলৰ পৰা এৰুৱাই আনি তেওঁলোকৰ ঘৰুৱা ব্যৱসায়ত এদনীয়াকৈ লগাবলৈ মন কৰিলে। কিন্তু স্কুলৰ পৰা এৰুৱাই অনা বাতৰি টোকে পুতেকক দিবলৈ মাক বাপেকৰ সত নগল। অৱশেষত, এদিন বেঞ্জামিনক মাতি আনি এই কথা কলে। তেওঁক ইমান সোনকালে স্কুলৰ পৰা এৰুওৱা কথা শুনি মৰ্ম্মাহত হল। কিন্তু বাপেকৰ সাংসাৰিক অৱস্থা তেওঁ সেই কুমলীয়া অৱস্থাতে বটিয়াকৈ বুজিব পাৰিছিল; সেই কাৰণে তেওঁলোকৰ প্ৰস্তাৱত মান্তি নহৈ নেথাকিল।

·আগেয়ে কোৱা হৈছে যে, তেওঁ পাটীগণিতত পাকৈত নাছিল। কিন্তু কাৰবাৰী মানুহৰ পক্ষে পাটীগণিত বৰ আৱশ্যকীয়।" সেই সময়ত বোষ্টন নগৰত "ব্ৰাউন ওৱেল" নামে

এজন ভদ্ৰলোকে ব্যৱসায় শিক্ষাৰ্থী সকলক কাৰণে এখন স্কুল খুলিছিল। এই স্কুলত তেওঁ বিশেষকৈ হিচাব আৰু কেৰাণীৰ কাম শিক্ষা দিছিল। বেঞ্জামিনক এনে সময়তে আগৰ স্কুলৰ পৰা একৰাই আনি ব্ৰাউন ওৱেলৰ স্কুলত পঢ়িবলৈ দিলে। এই স্কুলত সোমাওঁতে তেওঁৰ বয়স ন বছৰ মাথোন হৈছিল। ইয়াতো তেওঁ আগৰ দৰে নিজৰ প্ৰতিভাৰ চিনাকি দি ব্ৰাউন ওৱেলৰ মনত সন্তোষ দিবলৈ ধৰিলে। ইয়াত তেওঁ কেৰাণীগিৰি সুন্দৰকৈ শিকি ললে। কিন্তু বৰ চেষ্টাৰ ফলতহে ইয়াতো পাটীগণিতত তেওঁ কিছুদূৰহে উন্নতি কৰিব পাৰিছিল।

তেওঁ ব্ৰাউন ওৱেলৰ স্কুলত পঢ়ি থাকোঁতে তেওঁৰ বৰপিতাক 'বেঞ্জামিন'—যাৰ নাম অনুসৰি তেওঁৰ নামকৰণ কৰা হৈছিল, —আমেৰিকালৈ উঠি আহিছিল। তেওঁৰ বৰ পুতেক চেমুৱেলৰ ফ্রেংকলিনত বাহিৰে তেওঁৰ লৰা তিৰোতা আটাইবিলাক মৰিহাজি অন্ত হৈছিল। সেই সময়ত চেমুৱেলে বোষ্টন নগৰত এটা কাৰবাৰ চলাইছিল। বুঢ়া বেঞ্জামিনে প্ৰথমতে চাৰি বছৰমান ভায়েকৰ ঘৰত থাকিবলৈ লৈছিল। তেওঁৰ সৰুৰ ভতিজাকক মমবাতিৰ কাৰবাৰত লগাবলৈ দিহা কৰা দেখি মনত বৰ বেজাৰ পালে। তেওঁ জানিছিল যে মমবাতিৰ কাৰবাৰতে তেওঁক আবদ্ধ ৰাখিলে তেওঁৰ প্ৰতিভাৰ অপব্যৱহাৰ কৰা হব। তাতকৈ উচ্চতৰ ব্যৱসায়ৰ সামৰ্থ্য তেওঁৰ গাত আছে। বুঢ়া বেঞ্জামিনৰ ইচ্ছা আছিল যে, তেওঁৰ ভতিজাকক গীৰ্জ্জাৰ কাম শিক্ষা দি গীৰ্জ্জাৰ যাজক কৰিব। সেয়ে তেওঁৰ

শক্তি সামৰ্থ্যৰ সৎ ব্যৱহাৰ কৰিবলৈ উপযুক্ত ক্ষেত্ৰ হ'ব। তেওঁ ভায়েকক এই বিষয়ে খোলা খুলিকৈ কৈছিল যে বেঞ্জামিন কেতিয়াও মমবাতি আৰু চাবনৰ ব্যৱসায়ত সন্তুষ্ট নেথাকে। তেওঁ নিজে নিজৰ কৰ্ম্মক্ষেত্ৰ বাছি লব। বুঢ়া বেঞ্জামিন জীয়াই থকা হেঁতেন তেওঁৰ এই ভবিষ্যৎবাণীৰ সফলতা দেখিলে হেঁতেন।

ব্ৰাউন ওৱেলৰ পঢ়াশালীতো বেঞ্জামিনৰ দিন লাহে লাহে চমু চাপি আহিল; আৰু সোনকালে স্কুল এৰিব লাগিব দেখি বেজাৰৰ ভাবেৰে তেওঁৰ কোমল হৃদয় ঘণীভূত হৈ আহিল। পাচত স্কুলৰ পৰা যথা সময়ত ওলাই আহি বাপেকৰ কাৰখানাৰ কামত সোমাল। সেই সময়ত তেওঁ দহ বছৰীয়া লৰা মাথোন। তেওঁ দুবছৰ নিপুণতাৰে পৈতৃক ব্যৱসায় চলালে। কিন্তু তাত সমূলি মন নবহিল। কিয়নো, চাবন আৰু মমবাতিৰ ব্যবসায়ত কোনো বুদ্ধি কৌশল নেলাগে। যেই সেই মানুহেই তেনে কাৰবাৰ চলাব পাৰে। বেঞ্জামিনৰ নিচিনা বুদ্ধিমান লৰাক এনেকুৱা কাৰবাৰৰ আবশ্যক যত যথেষ্ট বুদ্ধি প্ৰয়োগ কৰিব লগা হয়। তেওঁৰ সেই কামত অনিচ্ছাৰ কথা বাৰে বাৰে দেউতাকক কবলৈ ধৰিলে, কিন্তু কোনো ফল নফলিল। তেওঁ দেউতাকক কলে—"মই মমবাতি তৈয়াৰ কৰা কাম ইমান ঘিনাওঁ যে, তাতকৈ বহি থকাই ভাল বুলি ভাবোঁ।" তেওঁৰ পিতাক জোছিয়া ফ্ৰেঙ্কলিনে বেঞ্জামিনৰ কথাৰে ধৰ বিমোৰত পৰিল। তেওঁৰ সেই কামত যাতে আগ্ৰহ জন্মে, সেইবাবে তেওঁক নান

সদুপদেশ দিবলৈ ধৰিলে। তেওঁ নিজেই সময়ৰ মূল্য বুজা আৰু পৰিশ্ৰমী লোক আছিল আৰু তেওঁৰ লবাকো তেনে কৰিব খুজিছিল। জোছিয়া ফ্ৰেংকলিনে নিজৰ ল'ৰা ছোৱালী-বিলাকক দিয়া অমূল্য উপদেশ বিলাকৰ কেউটিমান তলত তুলি দিয়া হল। বেঞ্জামিনে তেওঁৰ জীৱন চৰিতত স্বীকাৰ কৰিছে যে, সেই ৰত্নতুল্য উপদেশবিলাকে তেওঁক মহৎ জীৱন গঠন কৰাত প্ৰভূত পৰিমাণে সহায় কৰিছিল।

লোৰ মামৰৰ নিচিনা এলাহে মানুহৰ শক্তি বেগতে ক্ষয় কৰে।

এলাহে কাম কঠিন কৰে, পৰিশ্ৰমে তাক উজু কৰে।

তুমি নিজ জীৱনৰ কল্যাণ কামনা কৰা নে? যদি কৰা তেনেহলে অবাবত সময় নকটাবা। কাৰণ, ক্ষুদ্ৰ ক্ষুদ্ৰ সময়াংশইহে তোমাৰ জীৱনকাল গঠন কৰিছে।

যদি সময়ক অমূল্য ধন বুলি ভাবা তেন্তে, অবাবত সময়ৰ অপব্যৱহাৰ কৰাটোৱে ডাঙৰ অমিতব্যয়িতা।

যি বাতিপুৱা পলমকৈ উঠে, সি গোটেই দিনটো লৰালৰি কৰিও ভালেখিনি নিশালৈ নিজৰ কৰ্ত্তব্য সমাপন কৰিব নোৱাৰে।

ক্ষুৎপিপাসাই কৰ্ম্মী মানুহৰ ঘৰৰ ভিতৰ সোমাবলৈ সাহ নকৰে; বাহিৰৰ পৰা ভয়ে ভয়ে জুমি চায়েই সন্তুষ্ট থাকে।

শ্ৰমেই মানুহৰ সৌভাগ্যৰ কাৰণ; যত্নতহে ৰত্ন মিলে।

আজি কৰা এটা কাম কালিলৈ কৰিম বোলা দুটা কামৰ সমান।

তোমাৰ কৰ্ত্তব্যক পৰাজয় কৰা—কৰ্ত্তব্যৰ এচৰত হাৰ নেমানিবা।

আত্মনিৰ্ভৰকাৰীকহে ঈশ্বৰেও সহায় কৰে।

অৱশ্যে পাঠকে উপৰৰ নীতিবচন কেইটাত কোনো নতুনত্ব নেদেখে। দেখাত আটাই কেইটাই মুখ বগৰা আৰু সৰ্ব্ব সাধৰণে জনা কথা। কিন্তু এই সকলোৰে জনা নীতিবচন কেইটা প্ৰকৃত মৰ্ম্মত পালন কৰে কেইজনে? আমি এই বিলাকক লৰা নিচুকোৱা অনাৱশ্যকীয় কথা বুলি উৰাই দিওঁহঁক, কিন্তু এইবিলাক কথাৰ ভিতৰত যে একোটা গূঢ় তত্ব নিহিত আছে, তাক আমি মন পাবি আলোচনা কৰি চালেহে, লাইবা আমাৰ জীৱনৰ আবেলি বেলিকাহে বুজিবলৈ সমৰ্থ হওঁহঁক। বেঞ্জামিন ফ্ৰেঙ্কলিনে পিতৃবাক্য পালনত বৰ তৎ-পৰ আছিল আৰু তেওঁৰ প্ৰত্যেক বাক্যকে দেৱবাণী যেন বিবে-চনা কৰি শ্ৰদ্ধাৰে পালন কৰিছিল। সেই কাৰণে তেওঁ সেই বিলাকৰ গূঢ় মৰ্ম্ম উপলব্ধি কৰিব পাৰিছিল আৰু সেইবিলাকক জীৱন পথৰ প্ৰদীপ কৰি লব পাৰিছিল।

পিতাকতকৈও তেওঁ আৰু অনেক নীতি বচনৰ প্ৰৱৰ্ত্তক হৈছিল। তেওঁ সংসাৰৰ কৰ্ম্মক্ষেত্ৰত যি কাৰ্য্যকৰী অভিজ্ঞতা লাভ কৰি-ছিল তাকে তেওঁ নীতিবচন ৰূপে জগতৰ আগত দাঙি ধৰি-ছিল। সেইবিলাক আমি যথা স্থানত দেখুৱাম। তেওঁ যদি সংসাৰৰ বিৰাট কৰ্ম্মক্ষেত্ৰ এৰি থৈ কোনো বিদ্যালয়ত নাইবা গীৰ্জ্জাৰ কামত সোমাৰ লগীয়া হল হেঁতেন তেন্তে জগত

কিজানি তেওঁৰ কাৰ্য্যকৰী উপদেশাৱলীৰ পৰা বাঞ্চিত হ'লহেঁতেন।

তেওঁ মমবাতিৰ কাৰখানাত দুবছৰ কাম কৰিলে কিন্তু কোনোমতে তাত মন নবহিল। অৱশেষত উপায়ান্তৰ নেদেখি সাগৰলৈ গৈ নাবিক জীৱন যাপন কৰাটোকে থিৰ কৰিলে। এদিন পিতাকৰ আগত এই কথা কলত, তেওঁৰ গা শিয়ঁৰি উঠিল। বেঞ্জামিনৰ এনে প্ৰস্তাৱত কেতিয়াও তেওঁ মান্তি হব নোৱাৰিলে। তেওঁৰ এজন পুতেকে সকতে পলাই গৈ জাহাজত কাম শিকিছিল। কিন্তু বহুত বছৰ জহাজত কাম কৰাৰ পিচত ভগ্ন স্বাস্থ্যেৰে সৈতে ঘৰলৈ উভতিছিল। সেই কাৰণে তেওঁৰ দুৰৱস্থালৈ আঙুলিয়াই বেঞ্জামিনকো সাগৰলৈ যোৱাৰ ইচ্ছা তেতিয়াই পৰিহাৰ কৰিবলৈ কলে। 'বুঢ়া বেঞ্জিমিনে'ও ভতিজাকৰ কথা শুনি কলে,—"তোমাৰ দৰে দহগুণ বুদ্ধি থকা লৰাৰ পক্ষে নাবিকৰ কাম উপযুক্ত নহয়। নতুন ব্যৱসায় বেয়া পইছা যদি, তুমি ভাল পোৱা অইন এটাকে বাঁচি লোৱা।"

# ছাপাখানাত কাম শিক্ষা

জোহিয়াই দেখিলে যে বেঞ্জামিনক এটা মনত লগা ব্যৱসায়ত সোমাই নিদিলে তেওঁ পলাই যোৱাৰ সম্ভৱ। গতিকে তেওঁ কি ব্যৱসায় ভাল পাব, তাক পৰীক্ষা কৰিবৰ কাৰণে বোষ্টনৰ মিস্ত্ৰিৰী পাৰ্টিলৈ লৈ গল। বেঞ্জামিন বন্ধ পানীৰ পৰা মুকলি হোৱা মাছৰ নিচিনা উল্লসিত চিত্তেৰে নতুন ব্যৱসায় বিচাৰি গল। তেওঁৰ ককপিতাক বুঢ়া বেঞ্জামিনৰ পুতেক চামুৱেল বেঞ্জামিনে সেই সময়ত তাত ছুৰি, কেচি, খুৰ ইত্যাদিৰ ব্যৱসায় কৰিছিল। তেওঁলোক চামুৱেলৰ কাৰখানালৈ গৈ কাৰিকৰ বিলাকৰ কাম পৰ্য্যবেক্ষণ কৰিলে। বেঞ্জামিনৰ সেই ব্যৱসায়ত মন বহিল। চামুৱেলে তেওঁক অস্ত্ৰ ধৰিবলৈ দি পৰীক্ষা কৰি চাই কলে যে, ভবিষ্যতে তেওঁ উন্নতি কৰিব পাৰিব।

ইয়াত বাহিৰেও আৰু অইন কিবা ব্যৱসায় যদি বেচি ভাল পায়, তাক চাবলৈ আন আন কাৰিকৰৰ দোকানলৈ তেওঁক লৈ গল। তেওঁ কমাৰ, বাঢ়ৈ, ৰাজমিস্ত্ৰিৰী, সোণাৰি প্ৰভৃতিৰ দোকানলৈ গৈ প্ৰত্যেকৰ অস্ত্ৰধৰা প্ৰণালী চাই ললে আৰু নিজেও তাৰ প্ৰমাণ চালে। এইদৰে তেওঁলোকৰ কেৰাদিনো অতিবাহিত হল। এই সময়ৰ নানান ব্যৱসায়ৰ অল্পাধিক অভিজ্ঞতাৰ পৰা তেওঁ অশেষ উপকৃত হৈছিল। পাচত,

তেওঁৰ ঘৰৰ নানা বিষয়ৰ সৰু-সুৰা কামবিলাক নিজে কৰি লৰ পৰিছিল আৰু সেইবিলাক ব্যৱসায় সম্বন্ধীয় কোনো সমস্যা সমাধান কৰাত সহায় পাইছিল।

তেওঁ নানাবিধ শিল্পৰ কল-কাৰখানা ঘূৰি-পকি চাই চামুৱেলৰ ছুৰি-কেঁচিৰ ব্যৱসায়টোকে মনোনীত কৰিলে। কিন্তু, সেই সময়ৰ নিয়মমতে ব্যৱসায়-শিক্ষার্থীয়ে গৰাকীৰ ঘৰত ২১ বছৰ বয়স নোহোৱালৈকে কাম কৰি দিব লাগিছিল। তেতিয়া বেঞ্জামিনৰ বয়স ১২ বছৰ হৈছিল; সুতৰাং গৰাকীৰ ঘৰত তেওঁ নিয়মমতে ৯ বছৰ খাটি দিব লাগিছিল। শিক্ষার্থীৰ চুক্তিনামা পত্ৰ নকৰালৈকে চামুৱেলৰ কাৰখানাত কিছুদিন কাম কৰিলে। চুক্তিনামা পত্ৰ কৰিবৰ সময়ত চামুৱেলে বেঞ্জামিনৰ ওপৰত এটা অতিৰিক্ত শিক্ষার্থী-মাচুল দাবি কৰিলে। কিন্তু জোছিয়া ফ্রেংকলিনৰ পক্ষে সেই মাচুল দিয়া সম্ভৱপৰ নাছিল। কাজে কাজেই চামুৱেলৰ কাৰখানাত বেঞ্জামিনৰ কাম কৰা নহল।

বেঞ্জামিনে পিতাকৰ কাৰখানাত কাম কৰি থকা সময়ত তেওঁৰ জেম্‌চ নামৰ ককায়েক এগৰাকী ইংলণ্ডলৈ গৈ ছাপা-খানাৰ কাম শিকিছিল। সেই সময়ত তেওঁ তাৰপৰা ছাপাখানাৰ সাজ সৰঞ্জাম বিলাক লগতলৈ আহিছিল আৰু বোষ্টনত নতুন ছাপাখানা এটা স্থাপন কৰিছিল। দেউতাকে তেওঁক জেমচৰ লগতে ছাপাখানাৰ কাম শিকাবলৈ মন কৰিলে। তেওঁ ভাবিলে, বেঞ্জামিন যেনে জ্ঞানলিপ্সু লৰা, ছাপাখানাৰ কামত

থাকিলে সেই আকাঙ্ক্ষা অনেক পৰিমাণে চৰিতাৰ্থ কৰিবলৈ সুযোগ মিলিব। বেঞ্জামিনক মাত্তি আনি জেম্‌চৰ লগত কাম শিকাব কথা উলিয়ালে আৰু তেওঁৰ লগত কাম কৰিলে তেওঁৰ লিখা পঢ়া কৰাৰো যে সুবিধা হব তাক দেখুৱালে। বেঞ্জামিনৰ ছাপাখানা সম্বন্ধে যদিও কোনো ধাৰণা নাছিল, তথাপি অধ্যয়নৰ সুবিধা হোৱা কথা শুনি তাতে কাম শিকিব বুলি অভিমত দিলে। পিতাকে জেম্‌চৰ লগত এই বিষয়ে বন্দবস্ত কৰিলে। জেম্‌চেও ভায়েকক শিকাৰু হিচাপে লবলৈ মান্তি হল; কিন্তু এই বিষয়ে নিয়মমতে লিখা পঢ়া বন্দবস্ত হব লাগিব বুলি কলে। পিচত ১৭১৮ চনত এই মৰ্ম্মে এখন চুক্তিনামা পত্ৰ কৰিলে।

"জোছিয়া ফ্ৰেংকলিনৰ পুতেক বেঞ্জামিন ফ্ৰেংকলিনক তেওঁৰ ককায়েক জেম্‌চ ফ্ৰেংকলিনৰ ছাপাখানাত শিক্ষাৰ্থী নিযুক্ত কৰা হল। শিক্ষাৰ্থীৰ বয়স একৈশ বছৰ পূৰা নহয় মানে জেম্‌চক গৰাকী বুলি মানি কাম কৰিব লাগিব। দেশৰ প্ৰচলিত ৰীতিমতে শিক্ষাৰ্থীৰ মাচুল বাবে নগদ ১০ পাউণ্ড তেওঁৰ দেউতাকৰ পৰা আদায় কৰা হল। উক্ত ন বছৰ কাল শিক্ষাৰ্থীয়ে থাকিবলৈ ঘৰ আৰু খাবলৈ নিয়মিত আহাৰ পাব। তেওঁ গৰাকীৰ সকলো কাম নিজৰ বুলি কৰিব লাগিব। তেওঁ মুকলি ভাবে কেতিয়াও কোনো ঠাইত মাদক দ্ৰব্য ব্যৱহাৰ আদি অনৎকাম কৰিব নোৱাৰিব; ইত্যাদি।"

চুক্তিনামা পত্ৰত স্বাক্ষৰ কৰি বেঞ্জামিন ককায়েকৰ লগত

শিক্ষার্থী সোমাল। এই ছাপাখানাই বেঞ্জামিনৰ উন্নতি সোপানৰ প্ৰথম খাপ।

আজি কালি আমেৰিকাৰ ডাঙৰ ডাঙৰ নগৰবিলাকত ছাপাখানাৰ সংখ্যা মুদীৰ দোকানতকৈও অধিক• হব। যি সময়ৰ কথা কৈছোঁ, তেতিয়া বোষ্টনৰ নিচিনা নগৰত ছাপাখানা এটা আচহুৱা ব্যৱসায় আছিল। সেই ব্যৱসায় কৰিও যে মানুহে উপজীব্য উলিয়াব পাৰে,এনে ধাৰণা কোনো মানুহৰেই নাছিল। তেতিয়াৰ দিনত পুথি, বাতৰি কাকত, পত্ৰিকা আদি ছপোৱা প্ৰচলন বৰ বেচি নাছিল। সেই কাৰণে মুদ্ৰাকৰ সকলে কেতিয়াবা কাপোৰ, সাজপাৰ আদিত ফুলবছা কাম ছপাবলৈ হাতত লৈছিল।

বেঞ্জামিনে এই নতুন ব্যৱসায়ত মনপুতি লাগি গল। তেওঁ অলপ দিনৰ পৰ্য্যবেক্ষণৰ ফলতে ছাপাখনাৰ সকলো কাম শিকি পেলালে। তেওঁ অলপতে এজন শক্তিশালী 'প্ৰেছমেন' সুদক্ষ আৰু ক্ষিপ্ৰহস্ত 'কম্পোজিটাৰ' হৈ উঠিল। ছাপাখনাত কাম কৰাৰ লগে লগে তেওঁৰ বিদ্যাচৰ্চ্চাৰো এটা বিশেষ সুবিধা পালে। কোনো বিজ্ঞ লিখকৰ ৰচনা ছপাব লগা হলে তাৰ টাইপ সাজাওঁতে সেইবোৰ আয়ত্ত কৰিবলৈ সুচল পালে। ইয়াৰ উপৰিও ছাপাখানাত কাম শেষ হোৱাৰ পাছত বিখিনি সময় উদ্বৃত্ত থাকে, তাক সৎগ্ৰন্থ পাঠত দিয়াবলৈ ধৰিলে। তেওঁ এই সময়বে পৰা প্ৰতি মিনিট সময়ৰ সৎ প্ৰয়োগ কৰিবলৈ শিকে। তেওঁ সদায় ঠিক সময়ত কৰ্ত্তব্যত উপস্থিত

হৈছিল গৈ। আৰু দিনৰ কৰ্ত্তব্য সমাপন কৰি নিয়মিত সময়ত ওলাই গৈছিল। এই দৰে কৰ্ত্তব্যত কোনো ব্যাঘাত নঘটোৱাকৈ বাকী সময়ত পঢ়ি লগে লগে তেওঁ মানসিক উন্নতি কৰি যাবলৈ ধৰিলে।

ছাপাখানাত কাম কৰা সময়ত তেওঁ যি সময়নিষ্ঠা গুণৰ অভ্যাস কৰিছিল, পাছত এই উত্তম গুণটো হৃদয়ত বদ্ধমূল হৈ গৈছিল। তেওঁৰ জীৱনৰ কৃতিত্বৰ সৰহ ভাগেই এই গুণৰ ফল আছিল। তেওঁৰ সম সাময়িক মহামতি জৰ্জ্জ ৱাছিংটনো এই সময়নিষ্ঠা গুণৰ বলতে জগতত এগৰাকী কীৰ্ত্তিমন্ত পুৰুষ হব পাৰিছিল।

বেঞ্জামিনৰ ছাপাখানাত এবছৰমান কাম কৰা হৈছে,এনেতে এদিন ট্ৰায়ন নামেৰে এজন লিখকৰ এখন কিতাপ তেওঁৰ হাতত পৰিল। এই কিতাপত সাত্বিক আহাৰৰ সদ্গুণৰ বিষয়ে লিখা আছিল। কেনেকৈ সাত্বিক আহাৰ প্ৰস্তুত কৰিব লাগে, ৰাজসিক আৰু তামসিক ভোজন পৰিত্যাগ কৰিও যে মানুহে সৰু আহাৰৰ দ্বাৰা সুস্বাস্থ্য আৰু সুমেধা লাভ কৰিব পাৰে, তাৰ উপৰি সময় আৰু ধনৰো যে ব্যায় সংক্ষেপ হয় এইবোৰ কথা সেই পুথিত বহলাই আলোচনা কৰা হৈছিল। এই কিতাপৰ পৰা সাত্বিক আহাৰৰ উপকাৰীতা বুজি বেঞ্জামিনে সাত্বিক ভোজী হবলৈ মন কৰিলে। ককায়েকৰ আগত নতুন উপায়ে জীৱন যাপনৰ কথা কৈ তেওঁৰ খোৱা-মেলাৰ কাৰণে যিমান খৰচ পৰে তাৰ আধা ধনহে খুজিলে। তেওঁৰ প্ৰস্তাৱত

সম্মত হৈ ফ্রেন্‌চে সেইদৰে আধা খোৰাক দিবলৈ মান্তি হল। তেওঁ মাছ, মঙহ আদি উত্তেজনা পূর্ণ আহাৰ বিলাক বাদ দি আলু, পটল, চেঁচা পানী, কটি, বিস্কিত আদি নানাবিধ ফল আৰু অইন অইন শাক-পাচলি নিজে প্রস্তুত কৰি নিয়মিত ৰূপে খোৱাৰ বন্দবস্ত কৰিলে। এইদৰে খোৱাত খোৰাকৰ বাবে পোৱা ধনৰ আধাহে খৰছ গৈছিল। বাকীখিনিৰে লাগতিয়াল কিতাপ কিনিছিল। ইপিনে তেওঁৰ যথেষ্ট সময়ো ওলাইছিল। ককায়েক আৰু অইন অইন শিকাৰুবিলাক যেতিয়া খাবলৈ যায়, তেতিয়া তেওঁ অতি শীঘ্রে ভোজন সমাপন কৰি তেওঁলোক নহালৈকে কিতাপ পঢ়িছিল। তেওঁৰ পঢ়াশলীয়া জীৱনত আমি দেখিছোঁ যে, তেওঁৰ পাটীগণিত শাস্ত্রত বহুত খুত বৈ গৈছিল। তেওঁ সেই ক্ষতি পূৰণ কৰিবৰ কাৰণে এখন পাটীগণিত কিনি আনি আজৰি সময়ত নিজ চেষ্টাৰে তাৰ অঙ্ক কৰিছিল।

---

# গৃহ-শিক্ষা

## আৰু

## লম্বা কালত পঢ়া পুথি

কথাৰ লেঠেৰিত আমি বেঞ্জামিনৰ এবিধ আৱশ্যকীয় আৰু উল্লেখযোগ্য শিক্ষাৰ কথা এৰি থৈ গৈছোঁহঁক। এইবিধ শিক্ষাই তেওঁৰ ভৱিষ্যত জীৱন গঢ়ি তোলাত কম পৰিমাণে সহায় কৰা নাই। তেওঁ যি সময়ত সাত্বিক ভোজি হৈছিল, সেই সময়ত আৰু সেই সমাজ সম্পূৰ্ণৰূপে তাৰ প্ৰতিকূল আছিল। আজি আমেৰিকাৰ বাটে ঘাটে সাত্বিক আহাৰৰ সম্বন্ধে কতো জনে বক্তৃতা দি ফুৰিছে, কতো সাত্বিকাহাৰী সঙ্ঘ স্থাপিত হৈছে, তাৰ লেখ-জোখ নাই। কিন্তু তেওঁৰ সময়ত এইবিলাকৰ নাম গোন্ধেই নাছিল। এনেকুৱা প্ৰতিকূল পাৰ্শ্বিক অৱস্থাৰ মাজত পাকিও যে, তেওঁ সবল আহাৰী হ'ব পাৰিছিল, সেই বাবে তেওঁ আংশিক পৰিমাণে পিতাকৰ ওচৰত ঋণী।

তেওঁৰ পিতাকৰ পৰিয়াল বৰ ডাঙৰ অছিল; যেতিয়া লৰা-ছোৱালী আটাইখনেই খাবলৈ বহে, তেতিয়া তেওঁ খোৱা-বস্তুবিলাকৰ বাবে একেবাৰে উদাসীন ভাব দেখুৱাই, সমাজ সামস্যা, ৰাজনৈতিক সমস্যা, অৰ্থ সমস্যা প্ৰভৃতিৰ একোটো.

অবশ্যকীয় বিষয় লৈ লৰা-ছোৱালীবিলাকৰ লগত আলোচনাত প্ৰবৃত্ত হয়। কোনো লৰা-ছোৱালীকে খোৱা বস্তুৰ ভাল বেয়াৰ সমালোচনা কৰিবলৈ তেওঁ সুবিধা নিদিয়ে। তেওঁলোকৰ আলোচ্য বিষয়ো শেষ হয় ইপিনে সন্তোসেৰে সৈতে ভোজনো শেষ হয়। এই প্ৰকাৰে তেওঁ লৰা-ছোৱালীবিলাক তুলিছিল। বেঞ্জামিনে তেওঁৰ আত্ম চৰিতত এই বিষয়ৰ উল্লেখ কৰি কৈছে যে, তাঙৰ হোৱাত তেওঁ খোৱা আহাৰ, আঞ্জা, জুচ ইত্যাদি সোৱাদ হল নে নহল তাৰ বৰ খবৰ নেৰাখিছিল।

তেওঁৰ পিতাকে লৰা-ছোৱালীক শিক্ষা দিয়া এই প্ৰণালীটো পূৰ্ব্বপুৰুষ সকলৰ পৰা লাভ কৰিছিল। তেওঁলোকৰ ঘৰলৈ কোনো অভিজ্ঞ লোক আলহী হৈ আহিলে, তেওঁৰ পৰা দুই এটি ভাল কথা আদায় কৰাৰ সুবিধা নেৰিছিল। তেওঁ লৰা ছোৱালীবিলাকৰ আগত কেতিয়াও কোনো অলাগতিয়াল কথাৰ আলোচনা নকৰিছিল। খোৱাৰ সময়ত বাহিৰেও কোনো আজৰি সময়ত জনচেৰেক লৰা-ছোৱালীৰ লগত কেতিয়াবা বহিবলৈ পালে তেতিয়াও তেওঁ নানা সৎ কথাৰ আলোচনা কৰিছিল।

এই বিধ শিক্ষাই তেওঁৰ অন্তৰত ভবিষ্যত মহত্বৰ বীজ অঙ্কুৰিত কৰি দিছিল। প্ৰসিদ্ধ দাৰ্শনিক পণ্ডিত পিথাগোৰা এই বাচনিক আলোচনা মূলক শিক্ষাৰ পক্ষপাতী আছিল। তেওঁৰ এই এটা উপদেশ আছিল* "পাৰিলে সৎ কথাৰ

*Be silent or say something better than silence.

আলোচনা কৰিবা, নহলে মনে মনে থাকিবা।" তেওঁৰ শিশু সকলক প্ৰথম ছবছৰ কাল নীৰবে অধ্যয়ন কৰিবলৈ দিছিল। পাচত কোনো সৰুকথা আলোচনা কৰিব পাৰাকৈ জ্ঞান হলেহে পৰস্পৰক কোনো বিষয়ে আলোচনা বা তৰ্ক কৰিবলৈ দিছিল। ইয়াৰ মূলতত্ব এই যে, আগৈতা বুঁজিবে কোনো গধুৰ বিষয়ৰ আলোচনা কৰা আৰু অমূলক কথাত কাল কটোৱা অন্যায়।

ঘৰেই শিশুৰ প্ৰকৃত শিক্ষালয়। এই সুশৃংখল গৃহশিক্ষাই বেঞ্জামিনৰ কুমলীয়া হিয়াত যি সঁাচ বহুৱাইছিল, সি চিৰ জীৱন অমুচ্য হৈ বৈছিল। বেঞ্জামিনৰ গৃহশিক্ষাৰ লগত আৰু এটি আৱশ্যকীয় ৰহস্য জৰিত আছিল, সেয়ে তেওঁৰ পিতৃমাতৃৰ ওচৰত বাধ্যতা স্বীকাৰ আৰু তেওঁলোকলৈ ভক্তি। সাধৰণতে এইটো দেখা যায় যে, যিবিলাক লৰাকালতে অভিভাবকৰ সুশৃংখল শাসনৰ পৰা বঞ্চিত, সিবিলাক সততে উন্মাৰ্গগামী হয়। লৰালিৰ চঞ্চল মন কটকটীয়া শাসন বান্ধত থকা বাঞ্ছনীয়। ঘৰৰ সুশাসনেই মানুহক ৰজাৰ শাসন আৰু সমাজৰ শাসনৰ আগত মূৰ দোৱাবলৈ শিকায়। জোচিয়া ফ্ৰেংকলিনৰ নিচিনা সন্তানৰ কল্যাণকামী জনা বুঢ়া লোক এজনৰ শাসনবান্ধ যে সুশৃংখল হব, তাক বঢ়াই নকলেও হব। শিক্ষাৰ অনুকূল এনেকুৱা শাসনৰ চতুৰ সীমাত বেঞ্জামিন ডাঙৰ দীঘল হৈছিল। পিতাকৰ বচন ধিকক্তি নকৰাকৈ পালন কৰাই সন্তানৰ মুখ্য কৰ্ত্তব্য বুলি তেওঁ জানি-

ছিল। গৃহস্থালীৰ সুৰী মানুহৰ কথাৰ বুজি বিচ্না আৰু তেওঁৰ বাক্য উলঙ্ঘ কৰাই আমাৰ ভিতৰৰ বহু পৰিয়াল থকা গৃহস্থালি শীঘ্ৰে চাৰখাৰ হোৱাৰ থাই কাৰণ।

আমি এই অধ্যায় শেষ কৰাৰ আগতে বেঞ্জামিনে লৰা কালত পঢ়া কিতাপ বিলাকে তেওঁৰ মনত কি পৰিমাণে প্ৰভাব বিস্তাৰ কৰিছিল, তাৰ আলোচনাত প্ৰবৃত্ত হৱহঁক। বাপিৰে বাপিয়ে গ্ৰন্থ অধ্যয়ন কৰা আকাথাটো লৰাকালৰে পৰা তেওঁৰ বৰ প্ৰবল আছিল। এই পঠনপ্ৰিয়তাই তেওঁৰ ভবিষ্যতলৈ সুগম পথ লগাই দিছিল। তেওঁ কিতাপ ইমান ভাল পাই-ছিল যে, তেওঁৰ সকলো সঞ্চিত অৰ্থ সৎগ্ৰন্থ কিনাত আৰু সকলো উবৃত্ত সময় গ্ৰন্থ অধ্যয়নত ব্যয় কৰিছিল। তেওঁৰ বাপেকৰ এটি সৰু পুথিভঁৰাল আছিল। তাত থকা আটাই-খিনি কিতাপ তেওঁ পাত পাতকৈ পঢ়ি শেষ কৰিছিল।

বানিয়ানে ৰচনা কৰা 'পিল্‌গ্ৰিম্‌ছ প্ৰগ্ৰেছ'* নামৰ কিতাপ খন প্ৰথমে তেওঁৰ হাতত পৰে। গ্ৰন্থকাৰে এই কিতাপখন কাটেকত থাকোঁতে লিখি শেষ কৰে। যি ধৰ্ম্মতত্ত্ববিলাক মানুহৰ মাজত প্ৰচাৰ কৰি ফুৰোঁতে তেওঁ কাৰাবৰণ কৰিব লগীয়া হৈছিল, সেইবিলাকক তেওঁ উপকথাৰ আকাৰে এই গ্ৰন্থত লিপিবদ্ধ কৰিছিল। ইয়াৰ ৰচনা-প্ৰণালী আৰু আধ্যা-ত্মিক অথচ চিত্তাকৰ্ষক বৰ্ণনীয় বিষয়ত মুগ্ধ হৈ তাক পুনঃ পুনঃ পঢ়ি ঠাই। বিশেষ মুখস্থ কৰি পেলালে। তাৰ পাচত বানিয়ানৰ

*Pilgrime's Progress by Bunyan.

আন আন সাকল্পা পুথিবিলাকো তেওঁ এখন এখনকৈ পঢ়ি উপান্ত কৰিলে।

পিলগ্রিমছ প্রগ্রেছৰ দৰে একে প্রক্রিয়াত লিখা ডিকো-নামৰ অইন এজন গ্রন্থকাৰৰ এখন কিতাপ তেওঁৰ শিশুকালৰ প্রিয় পাঠ্য আছিল। ডাক্তাৰ কটন মেথৰৰ 'সৎকর্ম্মসাধন প্রবন্ধাৱলী' (Essays to do good) নামৰ এখন শিক্ষাপ্রদ গ্রন্থ তেওঁৰ হাতলৈ আহে। ইয়াত খেতিয়ক, বেপাৰী, কাঠমিস্ত্রী, ৰাজমিস্ত্রী, যাজক প্রভৃতি সকলো ব্যৱসায়ৰ মানুহে কিপ্রকাৰে সৎজীবন যাপন কৰিব পাৰে, তাক বর্ণনা কৰি লিখা ২২টা সাৰগৰ্ভ প্রবন্ধ আছে। এই কিতাপখন পঢ়ি সংসাৰত সৎচৰিত্রৰ মূল্য কিমান তাক বুজিব পাৰিছিল আৰু তেতিয়াৰ পৰাই তেওঁ চৰিত্রতকৈ আন সাংসাৰিক সম্পাদক অধিক মূল্যবান বুলি গণ্য নকৰিছিল।

ইয়াত বাহিৰেও তেওঁ আৰু কেইবা জনো লিখকৰ ভাল ভাল কিতাপ পঢ়িছিল। এইদৰে তেওঁৰ পিতাকৰ পুথি-ভঁৰালৰ আটাইবিলাক কিতাপ পঢ়ি শেষ কৰাৰ পাচত, এদিন তেওঁ পিতাকৰ মুখত শুনিলে যে বার্টন নামে এজন লিখকৰ 'ইতিহাস সংগ্রহ' ( Burton's historical collections ) নামে এচিৰিজ উপাদেয় গ্রন্থ আছে। তেওঁৰ এই 'চিৰিজ' কিতাপ কিনিবলৈ সমুলি ধন নাছিল; সুতৰাং পিতাকৰ অনুমতি ক্রমে "পিলগ্রিমছ প্রগ্রেছ" খন বেচি সেই ধনেৰে ওপৰত কোৱা "ইতিহাস সংগ্রহ" গ্রন্থাৱলী কিনি আনি পঢ়িবলৈ ধৰিলে।

এই গ্রন্থ চিবিজ ৪০খন সৰু সৰু কিতাপৰ সমষ্টি আছিল। তেওঁৰ সময়ত বোষ্টন নগৰত কোনো বাজহুৱা পুথিভঁৰাল নাছিল। ছাপাখানাত কাম কৰা সময়ত তেওঁৰ পঠনপ্ৰিয়তা আৰু তীক্ষবুদ্ধিৰ কথা শুনি মেথিউ এডামচ নামে এজন ভদ্ৰলোকে এদিন তেওঁক দেখা কৰিলেহি। তেওঁৰ এটা নিজা পুথিভঁৰাল আছিল; তেওঁ বেঞ্জামিনক মৰম কৰি ঘৰলৈ নি পুথিভঁৰালটো দেখুৱালে আৰু তেওঁৰ মনত লগা কিতাপবিলাক পঢ়িবলৈ দিব বুলি গাত ললে। বেঞ্জামিনে সময়ে সময়ে তেওঁৰ লাইব্ৰেৰীলৈ গৈ কিতাপ আনি হেপাহ পলাই পঢ়িছিল। ইয়াত বাজেও তেওঁলোকৰ ছাপাখানাৰ লগত সম্বন্ধ থকা বজাৰৰ কিতাপৰ দোকানীবিলাকৰ পৰা অনেক কিতাপৰ সহায় পাইছিল। দোকানীবিলাকৰ পৰা তেওঁ এৰাতিৰ কাৰণেহে পুথি ধাৰলৈ পাইছিল। ৰাতি উজাগৰে থাকি হলেও পঢ়ি শেষ কৰি ৰাতিপুৱা ঘূৰাই দিব লাগিছিল।

বেঞ্জামিনে লৰাকালতে ইমান কিতাপ পঢ়িছিল সঁচা, কিন্তু কোনো কিতাপকে তেওঁ লক্ষ্যবিহীন হৈ নপঢ়িছিল। ৰাজহাঁহে পানী ভাগ এৰি গাখীৰ ভাগ গ্ৰহণ কৰাৰ নিচিনা বেঞ্জামিনেও কিতাপৰ অসাৰুৱা ভাগ এৰি সাৰুৱা ভাগহে গ্ৰহণ কৰিছিল। কবিবৰ কোলিৰিজে ( coleridge ) পাঠক সকলক গুণ অনুসাৰে যি চাৰি শ্ৰেণীত ভাগ কৰিছে, বেঞ্জামিন তাৰ চতুৰ্থ শ্ৰেণীত পৰে। তেওঁৰ মতে এই শ্ৰেণীৰ পাঠকে জাবৰ এৰি সাৰ ভাগ গ্ৰহণ কৰিবলৈ জানে। বেঞ্জামিনে কোনো

কিতাপ পঢ়িবলৈ ললে তাক আয়ত্ত কৰিহে এৰিছিল আৰু আৱশ্যকীয় কথাবিলাক ভৱিষ্যৎ প্ৰয়োগৰ কাৰণে টোকা কৰি ৰাখিছিল। হাতত পেন্সিল আৰু টোকা বহি ওচৰত লৈ কিতাপ পঢ়া অভ্যাসটো পাঠক সকলৰ পক্ষে বৰ উপকাৰী। আৱশ্যকীয় আৰু সাৰুৱা কথাবিলাক কিতাপ পঢ়ি যোৱাৰ লগে লগে টোকা কৰি যোৱা প্ৰণালীটো বেঞ্জামিনে তেওঁৰ বন্ধুবান্ধৱসকলক অভ্যাস কৰিবলৈ সততে উপদেশ দিছিল।

এইদৰে অধ্যয়নত তেওঁৰ মন গভীৰ ভাবে নিবিষ্ট হোৱাত এতিয়ামান সময়কো তেওঁ হীৰাতকৈ অধিক মূল্যৱান বুলি ভাবিছিল। ছাপাখানাত কাম কৰি থাকোঁতে তেওঁ সদায় এখন কিতাপ ওচৰত ৰাখিছিল আৰু কামৰ পৰা অলপ অৱসৰ পালেই তাত মনোনিবেশ কৰিছিল।

# বেঞ্জামিনৰ ৰচনা শিক্ষা

## 'কুৰাণ্ট' পত্ৰিকাৰ অজ্ঞাতনামা প্ৰবন্ধ

বেঞ্জামিনে কেৱল ৰাশিয়ে ৰাশিয়ে কিতাপ পঢ়িয়েই ক্ষান্ত থকা নাছিল; লগে লগে তেওঁ লগ পোৱা সেই লব্ধপ্ৰতিষ্ঠ গ্ৰন্থকাৰ সকলৰ দৰে প্ৰবন্ধ লিখি যশস্বী হবলৈও তেওঁৰ অন্তৰত ইচ্ছাবহ্নি উমি উমি জ্বলি উঠিছিল। তেওঁৰ সেই ইচ্ছাবহ্নি অন্তৰতে লুমাবলৈ নিদি তাক কাৰ্য্যত পৰিণত কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। তেওঁ পঢ়াৰ লগে লগে নিজে নিজে গোপনে লিখাৰো অভ্যাস কৰিছিল। কিন্তু সেই লিখাবিলাক তেওঁ কাকো নেদেখুৱাইছিল।

তেওঁ নিচেই সৰুৰে পৰা কবিতা লিখিবলৈ শিকিছিল। তেওঁৰ ববপিতাক বুঢ়া বেঞ্জামিনৰ কবিতা লিখা অভ্যাস আছিল। তেওঁ মৰমৰ ভতিজাকলৈ বিলাতৰ পৰা চিঠি লিখোঁতে একোটা সুন্দৰ আৰু উজু ভাষাত লিখা কবিতা দি পঠাইছিল। তাকে অনুসৰণ কৰি বেঞ্জামিনেও সৰু সৰু সৰল কবিতাৰে চিঠি লিখি তেওঁৰ পিতাকলৈ পঠাই দিছিল। লাহে লাহে এইবিধ ৰচনাত তেওঁ ইমান নিপুণতা লাভ কৰিছিল যে, পোন্ধৰ বছৰমান বয়স হওঁতেই তেওঁ পৈণত কবিৰ নিচিনা অলঙ্কাৰ শাস্ত্ৰ সম্মত নিখুত কবিতা লিখিব পৰা হৈছিল।

এই সময়ত পিতাক বিধি পথালি নোহোৱা হৈছেন কি জানি আমি তেওঁক এজন ডাঙৰ কবি ৰূপেহে দেখিলোঁ হৈতেন। তেওঁৰ পথত জোছিৱা কেনেকৈ বিঘি স্বৰূপ হৈছিল, অলপ পাচতে তাক কোৱা হব।

পদ্য লিখাৰ লগে লগে তেওঁ গদ্য লিখাও অভ্যাস কৰিছিল; কিন্তু ইয়াত বিশেষভাবে মন লগোৱা নাছিল। এদিন তেওঁৰ সমনীয়া জন কলিন্স নামে এজন ডেকাৰ লগত স্ত্রীশিক্ষা সম্বন্ধে ঘোৰ তৰ্ক লাগিছিল। সেই সময়ত আমেৰিকাত স্ত্রীশিক্ষা বোলা কথাটোৰ কোনো নাম গোন্ধেই নাছিল। তাৰ এক শতাব্দী পাচতহে তেওঁলোকৰ সমাজত স্ত্রীশিক্ষা আৰু স্ত্রী স্বাধীনতাৰ দ্বাৰ উন্মুক্ত হয়। এই বিষয়টোৰ পক্ষ সমৰ্থন কৰিছিল বেঞ্জামিনে আৰু বিপক্ষে তৰ্ক কৰিছিল জন কলিন্সে। এদিন বেঞ্জামিনে তেওঁৰ বন্ধুৱেকলৈ স্ত্রীশিক্ষাৰ সাপক্ষে তেওঁৰ মতবিলাক চিঠিৰ আকাৰে লিখি দি পঠালে। জন কলিন্সেও তাৰ উত্তৰ স্বৰূপে তেওঁৰ চিঠিৰ যুক্তিবিলাক কাটি এখন প্রবন্ধাকাৰে চিঠি বেঞ্জামিনলৈ পঠিয়ালে। বেঞ্জামিনৰ পিতাকে এই কথাৰ সম্ভেদ পাই দুয়োৰো চিঠি দুখন অনাই মিলাই চালে। তেওঁ এটা অশ্রুতপূৰ্ব্ব বিষয়ৰ ওপৰত কোমল মতি বেঞ্জামিনৰ নতুন ভাব আৰু যুক্তিবিলাক দেখি চমৎকৃত নহৈ নোৱাৰিলে। কিন্তু আচল কথা বেঞ্জামিনৰ ওচৰত গোপন কৰি তেওঁৰ ৰচনাৰ ব্যাকৰণমূলক দোষ, শব্দ প্রয়োগ দোষ, যতি ক্ষেপন দোষ ইত্যাদি কিছুমান ত্রুটী

লেখুৱাই দিলে আৰু কলিকাল ৰচনাৰ অশেষ প্ৰশংসা কৰিলে।

তেওঁ সিদিনা পিতাকৰ নিৰুৎসাহ বাণীত ক্ষুণ্ণ নহৈ সেই বিষয়ে যথাশক্তি উন্নতি কৰিবলৈ যত্নপৰ হল। তেওঁ শুনিছিল যে, সুলিখক এডিসনৰ 'স্পেক্টেটৰ' পত্ৰিকা (Addision's spectator) ৰচনা কৌশল শিকিবলৈ অতি উৎকৃষ্ট কাকত। তেওঁ কাৰবাৰ পৰা এখন পুৰণি স্পেক্টেটৰ পত্ৰিকা সংগ্ৰহ কৰিলে আৰু তাকে উবাই ঘূৰাই পঢ়িবলৈ ধৰিলে। এডিছনৰ লিপিচাতুৰ্য্য, মনৰ ভাব যথাযথৰূপে প্ৰকাশ কৰিব পৰা ক্ষমতা প্ৰভৃতি ৰচনাৰ সুলক্ষণ বিলাকলৈ তেওঁৰ মন আকৃষ্ট হৈছিল আৰু সেইবিলাক তেওঁয়ো অনুকৰণ কৰিবলৈ লৈছিল। প্ৰথমতে কেইটামান মনত লগা সন্দৰ্ভ বাছি লৈ লিখকে যি ভঙ্গীত নিজৰ সুন্দৰ ভাববৃত্তিবিলাক ব্যক্ত কৰিছিল, তাকে এখন বহিত সৰু সৰু বাক্যেৰে লিখি ৰাখিছিল। কেইদিনমানৰ পাচত মূল কিতাপৰ কথাবিলাক পাহৰি গলে তেওঁৰ বহিত লিখি থোৱা বাক্য-বিলাকেৰে যিমান দূৰ পাৰি এডিছনৰ ভাষাৰে একোটা দফা লিখিছিল। তাৰ পাচত মূল কিতাপ চাই ভুলবিলাক নিজে নিজে শুধৰাইছিল। এই উপায় অৱলম্বন কৰি দেখিলে যে, তেওঁ কেতিয়াবা সময় মতে উপযুক্ত শব্দৰ অভাৱত পৰে। এই অসুবিধা দূৰ কৰিবৰ কাৰণে মূল কিতাপৰ কিছুমান গদ্যৰ বিমান পাৰে উপযুক্ত শব্দ ব্যৱহাৰ কৰি কবিতা কৰিলে। কেই সপ্তাহমানৰ পাচত মূল কিতাপৰ কথা পাহৰা যেন হলে

সেই পদ্য বিলাকৰ ভাৱ গদ্যত প্ৰকাশ কৰিছিল। পাচত মূল কিতাপ চাই অপশ্যবহৃত শব্দবিলাক শুধৰাইছিল। এই প্ৰকাৰে তেওঁ সকলো ভাৱ প্ৰকাশ কৰিব পৰা উপযুক্ত শব্দৰ ভঁৰাল এটি শকতকৈ বান্ধি লৈছিল। এই দৰে তেওঁ নিজে উদ্ভাবন কৰা উপায় বিলাক অবলম্বন কৰি আৰু অশেষ চেষ্টাৰ ফলত এডিছনৰ ৰচনা প্ৰণালী সম্পূৰ্ণৰূপে নিজৰ কৰি লৈছিল। ৰচনাৰ ব্যাকৰণগত দোষৰ পৰা অব্যাহতি পাবৰ কাৰণে এই সময়ত বৰ যত্নেৰে ব্যাকৰণ শাস্ত্ৰও পঢ়ি লৈছিল।

বেঞ্জামিনৰ আদৰ্শ লৈ যত্ন কৰিলে সাধাৰণ প্ৰতিভা থকা লোকেও ৰচনা প্ৰণালীত যথেষ্ট কৃতিত্ব দেখুৱাব পাৰে। বিশেষতঃ যি সকলৰ এই বিষয়ে আগ্ৰহ আছে, তেখেত সকলে কোনো খ্যাতনামা লিখকৰ আদৰ্শ লৈ, তেওঁৰ লিপি কৌশল যত্নেৰে আয়ত্ত কৰি ললে সেই বিষয়ত কৃতকাৰ্য্য নহৈ নেথাকে। কেৱল স্কুল কলেজৰ পৰা কোনেও লব্ধপ্ৰতিষ্ঠ লিখক হৈ ওলাব নোৱাৰে। ইয়াৰ বাবে মানুহৰ স্বকীয়া চেষ্টা আৰু দৃঢ় অধ্যৱসায় লাগে।

ইমান সময় আমি বেঞ্জামিনৰ অধ্যয়ন আৰু ৰচনা শিক্ষাৰ কথালৈয়ে কটালোঁ আৰু তেওঁক ছাপাখানাৰ পৰা বহুত আঁতৰলৈ টানি আনিলোঁ। তেওঁ ছাপাখানাত কাম কৰা তিনি বছৰ পাচতে ককায়েক জেম্চে তেওঁলোকৰ ছাপাখানাৰ পৰা এখন বাতৰি কাকত প্ৰকাশ কৰাৰ প্ৰস্তাৱ কৰিলে। সেই সময়ত সমগ্ৰ আমেৰিকা উপনিবেশত তিনিখন মাথোন

বাতৰি কাকত চলিছিল। বাতৰি কাকতৰ ব্যৱসায় কৰিও যে মানুহে জীৱিকা চলাব পাৰে আৰু এমুঠি উপনিবেশকাৰী ইংৰাজৰ মাজতো যে ৩।৪ খন বাতৰি কাকত চলিব পাৰে, তেতিয়া এই ধাৰণা বহুতৰ নাছিল। আজি অস্ত দৈনিক, সাপ্তাহিক, মাহেকীয়া প্ৰভৃতি সকলো প্ৰকাৰৰ কাকতৰ সংখ্যা কুৰি হেজাৰৰ ওপৰহে হব। অকল বোষ্টন নগৰতে আজি-কালি ৮ খন দৈনিক কাকত চলে। এজনে হিচাব কৰি কৈছে যে, বোষ্টন নগৰত এবছৰত প্ৰকাশিত হোৱা দৈনিক কাকত-বোৰ জোৰা দিলে গোটেই পৃথিৱীত দুই মেৰ মাৰিও কিছু কাকত বাকী ৰয়হে।

ওপৰত কোৱা জেম্‌চৰ প্ৰস্তাৱত বেঞ্জামিনে সৰ্ব্বান্তঃকৰণে হৰিভৰ দিলে; আৰু ১৭২১ চনৰ ২১ আগষ্ট তাৰিখে আমেৰিকা উপনিবেশৰ চতুৰ্থ কাকতৰ প্ৰথম সংখ্যা তেওঁলোকৰ ছাপাখানাৰ পৰা প্ৰকাশিত হল। এই নতুন কাকতৰ নাম "ডি নিউ ইংলেণ্ড কুৰাণ্ট" দিয়া হল। জেম্‌চ ফ্ৰেংকলিন কাকতৰ সম্পাদক হল, বেঞ্জামিনে প্ৰেচৰ যাৱতীয় কাম, বাটে বাটে কাকত বেচা, প্ৰবন্ধ গোটাই অনা, ধৰঙনি আদায় কৰা আদি কামৰ ভাৰ ললে।

শলপ দিনৰ ভিতৰতে কুৰাণ্ট কাকতে জনসাধাৰণৰ মন আকৰ্ষণ কৰিলে আৰু সোনকালে এদল স্বেচ্ছাকৃত প্ৰবন্ধ লিখক তাৰ পৃষ্ঠপোষক হল। এই 'উদাৰপন্থী লিখক সঙ্ঘ' ( Knot of liberals ) সময়ে সময়ে কুৰাণ্টৰ কাৰ্য্যালয়ত গোট খাইছিলহি,

আৰু তেওঁলোকৰ প্ৰবন্ধই জনসাধাৰণৰ মাজত কি পৰিমাণে প্ৰতিপত্তি লাভ কৰিছে, তাৰ আলোচনা কৰিছিল। বেঞ্জামিনে ছাপাখানাত কাম কৰি থাকোঁতে তেওঁলোকৰ সেই সাহিত্য বিষয়ক আলোচনা বিলাকলৈ সদায় মনোযোগ ৰাখিছিল। তেওঁলোকৰ আলোচনাৰ পৰা কাৰপ্ৰবন্ধৰ কোনখিনি অংশ চিত্তাকৰ্ষক হৈছে, কোনখিনি বেয়া হৈছে—এইবিলাক কথা শুনিছিল। ইতিমধ্যে তেওঁৰ মনতো এনে এটা ভাব খেলালে যে, ইচ্ছা কৰিলে তেওঁয়ো কুৰাণ্টত দুটা এটা প্ৰবন্ধ দিব পাৰে। কিন্তু তেওঁ বেছকৈ বুজিছিল যে, তেওঁ লিখা বুলি জানিলে ককায়েকে কেতিয়াও কুৰাণ্টৰ পিঠিত তাক ঠাই নিদিয়ে। কিয়নো, তেওঁ যে তলে তলে ৰচনা শিক্ষা কৰি এজন পাকৈত লিখক হৈছিল, তাক কোনেও নেজানিছিল। অইন কি, তেওঁৰ পাৰদৰ্শিতাৰ বিষয়ে নিজেই সন্দিহান আছিল। সি যি হওক, তেওঁ কাকতত প্ৰবন্ধ দিবলৈ এটি বুধি সাজিলে। এদিন এটা সুন্দৰ প্ৰবন্ধ লিখি ৰাতি মনে মনে কুৰাণ্ট আফিচৰ তলে দি সৰকাই থলে। প্ৰবন্ধটোত তেওঁ নিজৰ নাম নিদি তাৰ ঠাইত তলত "নীৰৱ সাধক" * বুলি লিখি থৈছিল। ৰাতি-পুৱা জেম্‌চে প্ৰবন্ধটো পাই পঢ়ি চাই ভাল পালে। যেতিয়া কুৰাণ্টৰ লিখক সঙ্ঘ আফিচত গোট খালেহি সেই অজ্ঞাতনামা প্ৰবন্ধটো জেম্‌চে তেওঁলোকক দেখুৱালে। সকলোৱে সেই প্ৰবন্ধটোৰ একবাক্যে শলাগ ললে। বেঞ্জামিনে কেবল ফাঁকৰ

* Silence do-good.

পৰা প্ৰবন্ধৰ প্ৰশংসা শুনি তেওঁৰ মন আনন্দত উথল পাথল লাগিল। সকলোৱে এই প্ৰবন্ধৰ লিখক কোন জানিবলৈ কৌতূহলাক্ৰান্ত হৈ বল। প্ৰবন্ধ আগ্ৰহেৰে কাকতত ছপোৱা হল। বেঞ্জামিনে তেওঁৰ প্ৰথম প্ৰবন্ধ ছাপাখানাৰ বাকচৰ পৰা ওলাই অহা দেখি উলাহত মতলীয়া হ'ল। এই দৰে তেওঁ কেইবাটাও নাম নোহোৱা প্ৰবন্ধ লিখিছিল আৰু প্ৰত্যেকটোৱে কুৰাণ্টত প্ৰকাশ পাইছিল। দিন যায় মানে, কুৰাণ্টৰ লিখক, পাঠক আদি সকলোৱে এই অজ্ঞাতনামা নীৰৱ সাধকক জানিবলৈ বৰ আগ্ৰহ জন্মিল।

এইদৰে কেইটামান প্ৰবন্ধ নিয়ম মতে প্ৰকাশ পোৱাৰ পাচত, বেঞ্জামিনে আত্মপ্ৰকাশ কৰা উচিত বুলি ভাবি, এদিন ককায়েক জেম্‌চৰ আগত কথাটো ভাঙি দিলে। কিন্তু তেওঁ আছিল হিংসাকুৰীয়া স্বভাৱৰ মানুহ। ভায়েকৰ এনেকুৱা সুগুণত আনন্দ পোৱা দূৰৰ কথা, তেওঁ যে কেতিয়াবাৰ পৰা তেনেকুৱাটো হৈ উঠিছে, তাক জানিব পাৰি বজ্ৰাহতৰ নিচিনা অধোমুখ হৈ বল। নীৰৱসাধকে আত্মপ্ৰকাশ কৰা কথা কুৰাণ্টৰ গ্ৰাহক, পাঠক, লিখক আদি আটাইৰে মাজত বিয়পি পৰিল আৰু ছাপাখানাৰ চাকৰ এজনৰ এনে পৰাখিতাপ দেখি সকলো স্তম্ভিত হল। তেতিয়াৰে পৰা সেই ছাপাখানাৰ লগুৱা লৰাটো সকলোৰে চকুৰোৱা হল। কিন্তু ককায়েকৰ অন্তৰত হলে দপ্ দপ্ কৈ ঈৰ্ষা জ্বলিবলৈ ধৰিলে। তেতিয়াৰ পৰা তেওঁ বেঞ্জামিনক সকলো কথাতে ৰূঢ় ব্যৱহাৰ কৰিবলৈ ধৰিলে।

এই দৰে কিছুদিন অভিবাহিত হোৱাৰ পাচত; বেঞ্জামিনে লিখা কবিতা এটি জেম্‌চৰ হাতত পৰিল। সেই কবিতাটো ভাল হোৱা দেখি, তেওঁ পাৰে যদি বেচিবৰ কাৰণে তেনেকুৱা ভাল খণ্ড কবিতা দুই এটা লিখিবলৈ উৎসাহ দিলে। তেওঁৰ লিখাৰ কোনো দিনে শলাগ নোলোৱা আৰু চকুচৰগা ককায়েকৰ এনে উৎসাহত দ্বিগুণে উৎসাহিত হৈ সেই বিষয়ে যত্ন কৰি চাব বুলি কৈ থলে। তাৰ পিচদিনাৰ পৰা তেওঁ কবিতা লিখাত লাগি গল। অলপ দিনৰ ভিতৰতে দুটা বাছকৰণীয়া খণ্ড কবিতা লিখি আনি ককায়েকৰ হাতত দিলে। কবিতা দুটিৰ বৰ্ণনীয় বিষয় আছিল দুটা সাগৰীয় ঘটনা। এটা কবিতাৰ নাম আছিল 'আলোক গৃহৰ দুৰ্ঘটনা' ( Light House Tragedy ) আৰু সিটোৰ নাম 'জলদস্যু ব্লেক বেয়াৰ্ড' (Black Beard, the Pirate.) জেম্‌চে এই কবিতা দুটা ছপাই ফেৰি কৰি বেচিবলৈ থিৰাং কৰিলে,—বেঞ্জামিন তাত সম্মত হল। কবিতা দুটা ছপা হলত বেঞ্জামিনে পুস্তিকাবিলাক বজাৰত ফেৰি কৰিবলৈ লৈ গল। অলপ সময়ৰ ভিতৰতে আশাতীতৰূপে কবিতা পুথি বিক্ৰীত হল। কিন্তু দুৰ্ভাগ্যক্ৰমেই নে সৌভাগ্যক্ৰমেই পিতাকে কিবা স্বৰূপে বেঞ্জামিনইতৰ এই নতুন ব্যবসায়ৰ বাতৰি পাই তেওঁক মতাই নিলে আৰু তেওঁৰ আগতে কবিতাৰি ঠাই বিশেষৰ তীব্ৰ সমালোচনা কৰিলে। সকলোৰে যে কবি হবলৈ ক্ষমতা নাই আৰু এনেকুৱা ব্যবসায় যে হীন মানুহেহে গ্ৰহণ কৰে, তাকে ভালকৈ বুজাই কলে। কবি

হবলৈ বৃথা প্ৰয়াস এৰি দি ববক্ষ এজন ভাল গদ্যলিখক হবলৈহে তেওঁক উপদেশ দিলে। অৱশ্যে, আধুনিক বৈজ্ঞানিক যুগত পদ্যতকৈ যে ভাল গদ্যসাহিত্য অধিক আদবণীয় আক মূল্যবান তাক স্বীকাব নকবি নোৱাবি। সেই বুলি স্বাভাবিক কবি প্ৰতিভা থকা লোকে কেতিয়াও সেই দুৰ্লভ ঈশ্বব দত্ত শক্তিব অপব্যৱহাব কবা উচিত নহয়। এতেকে বেঞ্জামিনব পিতাকে তেওঁব কবি জীৱনব প্ৰথম খোজতে এইদৰে বিঘিনি হৈ ভালেই কবিলে নে বেয়াই কবিলে, তাক তেওঁহে জানিছিল। হয়তো ইয়াব দ্বাবা তেওঁ জগতত হব খোজা মহাকবি এজনব পবা বঞ্চিত কবিলে, নাইবা, তেওঁক বিপথব পবা ঘূবাই আনি সুপথগামী কবি দিলে। সি যিকি নহওক, পিতাকব বাধা পাই সিদিনাব পবা তেওঁ কবিতা-দেবীব ওচবব পবা বিদায় লৈ গদ্য-দেবতাব চবণত শবণ ললে।

# কুৰাণ্টৰ সম্পাদক

আমেৰিকা উপনিবেশৰ অইন কেইখন কাকতৰ ভিতৰত বোষ্টনৰ কুৰাণ্ট কাকতে সকলোবে শীৰ্ষস্থান অধিকাৰ কৰিলে। কুৰাণ্টৰ পিঠিত আনবিলাক আৱশ্যকীয় ঘটনা ছপা হোৱাৰ লগে লগে ইংৰাজ চৰকাৰৰ কাৰ্য্য প্ৰণালীৰ তীব্ৰ সমালোচনা কৰি লিখা প্ৰবন্ধও অনেক প্ৰকাশিত হৈছিল। অকল ৰাজকীয় কাৰ্য্যপ্ৰণালীবে সমালোচনা কৰিয়েই এৰা নাছিল গীৰ্জ্জাৰ যাজক, বিচাৰক প্ৰভৃতি দেশৰ যি সকল গণ্যমান্য শ্ৰেণীৰ লোকে তল খাপৰ মানুহক অৱজ্ঞাৰ চকুবে চাইছিল, তেওঁলোকৰ কাৰ্য্যপ্ৰণালীও কুৰাণ্টৰ প্ৰতিবাদৰ পৰা বাদ নপৰিছিল। উদাৰপন্থী আৰু স্বাধীনতা প্ৰয়াসী কুৰাণ্টৰ ন্যায়সঙ্গত উক্তিও জনসাধাৰণে তাৰ প্ৰতি সহানুভূতি দেখুৱাইছিল। দিনে দিনে আগতকৈ কুৰাণ্টৰ গ্ৰাহক সংখ্যা বাঢ়ি যাবলৈ কিয়নো ধৰিলে। যাজক আদি উচ্চশ্ৰেণীৰ মানুহবিলাকৰ আত্ম-অভিমান আৰু আভিজাত্য গৌৰবত সকলোবে মন তেওঁলোকলৈ বিগৰি উঠিছিল। তেওঁলোক যি মনৰ স্বাধীনতা আৰু ধৰ্ম্মৰ স্বাধীনতাৰ কাৰণে নিজৰ মাতৃভূমি পৰিত্যাগ কৰি আটলাণ্টিক মহাসমুদ্ৰৰ বুকেদি হেজাৰ হেজাৰ মাইল অতিক্ৰম কৰি আহি আমেৰিকাৰ

বিশাল বিপদসঙ্কুল অৰণ্যৰ মাজত উপনিবেশ স্থাপন কৰিছিলহি, সেই স্বাধীনতাৰ বিপত্তি ঘটিলে তাক কিৰূপে সহি থাকিব পাৰে।

সেই সময়ত আমেৰিকাৰ উপনিবেশ সম্পূৰ্ণৰূপে ব্ৰিটিশ শাসনৰ তলত। অনেক কাৰণত আমেৰিকাৰ উপনিবেশকাৰী প্ৰজাসকল তলে তলে ব্ৰিটিশ শাসনৰ বিৰোধী হৈ উঠিছিল। সেই কাৰণে সৰ্ব্বসাধাৰণে কুৰাণ্টে ব্ৰিটিঃশ শাসনৰ প্ৰতিবাদ কৰিছিল দেখি বিশেষ মৰম আৰু আগ্ৰহৰ চকুৰে চাইছিল। কুৰাণ্টে ব্ৰিটিঃশ শাসনৰ বিৰুদ্ধে উঠা দেখি চৰকাৰী বিষয়া সকলৰ তাৰ ওপৰত কোপ দৃষ্টি পৰিল।

সেই সময়ত কুৰাণ্টত ইংৰাজ চৰকাৰৰ কাৰ্য্যৰ প্ৰতিবাদ-মূলক চিঠি এখন প্ৰকাশিত হোৱাৰ কাৰণে আদালতে তাক ৰাজদ্ৰোহী কাকত বুলি সাব্যস্ত কৰি তাৰ সম্পাদক জেম্‌চ আৰু প্ৰিণ্টাৰ বেঞ্জামিনক গ্ৰেপ্তাৰ কৰিলে। আদালতে আচামীক ৰাজদ্ৰোহমূলক চিঠিখনৰ লিখকৰ কথা সোধাত দুয়ো একো উত্তৰ নিদিয়াকৈ নিৰ্ভীকভাবে বল। অৱশেষত জেম্‌চৰ তলতীয়া শিক্ষাৰ্থী বুলি বেঞ্জামিনক খালাচ দিয়া হল; কিন্তু সম্পাদক জেম্‌চৰ ফাটেকৰ হুকুম হল।

বোষ্টন জেইলৰ এটা অস্বাস্থ্যকৰ লেতেৰা কুঠৰীত তেওঁক বন্দী কৰি থোৱা হল। পাচত চাৰি সপ্তাহৰ মূৰত তেওঁ তাৰ পৰা মুকলি হয়। এই চাৰি সপ্তাহকাল কাকতৰ সমুদায় ভাৰ গোটেইৰ বছৰীয়া লৰা বেঞ্জামিনৰ মূৰত পৰিছিল। তেওঁ আগৰ

সুবেধে আকৌ কাকত চলাবলৈ ধৰিলে ; ইফালে কাকতৰ গ্ৰাহকৰ সংখ্যাও দিনে দিনে বাঢ়ি যাবলৈ ধৰিলে। লোকৰ বহুখীয়া ল'ৰা এজনে সেই সময়ত মুদ্ৰাযন্ত্ৰৰ পৰাধীন অৱস্থাত চৰকাৰৰ প্ৰতি কাৰ্য্যৰ সমালোচনা কৰি কাকত সম্পাদন কৰা কথাৰাৰ অৱশ্যে ভাবিব লগীয়া। কিন্তু, ইয়াতকৈও ডাঙৰ কামৰ নিমিত্তে ভগৱানে তেওঁক জন্ম দিছিল।

জেম্চ. ফ্ৰাংকৰ পৰা ওলাই আহি পুনৰ পূৰ্ব্বৰ সম্পাদকীয় ভাৰ গ্ৰহণ কৰিলে। তেওঁ পুনৰ পূৰ্ব্বৰ সুৰতে কাকত চলাবলৈ ধৰিলে। বৰঞ্চ আগতকৈ চৰকাৰী বিষয়া আৰু যাজকবিলাকৰ বিপক্ষে প্ৰতিবাদ কাৰ্য্য তীব্ৰতৰ গতিৰে চলাবলৈ ধৰিলে। এইদৰে কুৰাণ্ট পত্ৰিকাই অজ্ঞাতসাৰে এটা ভৱিষ্যত নৱযুগ আহ্বান কৰিবলৈ ধৰিলে।

অসীম সাহসেৰে সৈতে দেশৰ সেৱাত ছমাহ শেষ হওঁতে নহওঁতে কুৰাণ্টৰ আৰু এটি নতুন বিপদ উপস্থিত হল। ১৭২৩ চনৰ ১৪ জানুৱাৰীত প্ৰকাশিত হোৱা এসংখ্যা কাকতত এনেকুৱা কিছুমান প্ৰবন্ধ ওলাইছিল, যাক পঢ়ি বোষ্টনৰ অভিজাত বংশৰ লোক আৰু চৰকাৰী উচ্চ কৰ্ম্মচাৰী-সকলৰ খঙে চুলিৰ আগ পালেগৈ। তৎক্ষণাৎ প্ৰাদেশিক শাসন সভাই বিদ্ৰোহী কুৰাণ্টৰ উপযুক্ত বিচাৰ কৰিবৰ কাৰণে কেইজনমান গণ্যমান্য সভ্যৰে গঠিত এটা সমিতি নিযুক্ত কৰিলে। সমিতিয়ে বিশেষ বিচাৰ কৰি এই ৰায় দিলে যে, প্ৰথমে প্ৰাদেশিক চেক্ৰেটৰীৰ সন্মতি নোলোৱাকৈ "জেম্চ

ইংলেণ্ড কুৰাণ্টৰ" কোনো সংখ্যা কাকত, কোনো পত্ৰিকা নাইবা কোনো পুস্তিকাই জেম্‌চ ফ্ৰেংকলিনৰ নামত সম্পাদিত হব নোৱাৰিব। ইয়াৰ অন্যথা হলে তেওঁৰ এবছৰ কাৰাদণ্ড হয়।

আগৰ নিচিনাকৈ এই বিপদৰ প্ৰতিবিধান কৰিবলৈ কুৰাণ্টৰ লিখক-সঙ্ঘ আৰু আন আন পৃষ্ঠপোষক সকল তভালিকে কুৰাণ্ট কাৰ্য্যালয়ত গোট খালেহি। তেওঁলোকে ভাবি ভাবি এটা উপায় উলিয়ালে। কাউন্সিলৰ হুকুমত কেৱল জেম্‌চৰ নামহে উল্লেখ কৰা হৈছিল; এতেকে জেম্‌চৰ বাহিৰে অইনে কাকত চলাব পাৰে। এতেকে তেওঁলোকে বেঞ্জামিনকে কুৰাণ্টৰ সম্পাদক আৰু প্ৰকাশক পতা স্থিৰ কৰিলে। বেঞ্জামিন যে এই কামৰ সুযোগ্য পাত্ৰ আছিল, তাক তেওঁলোকে বঢ়িয়াকৈ বুজিছিল। সকলোৱে একবাক্যে তেওঁক এই কামৰ ভাৰ দিলে।

কিন্তু তেতিয়া বেঞ্জামিনে ১৬ বছৰত ভৰি দিছিল মাথোন; কাজে কাজে তেতিয়াও তেওঁ ককায়েকৰ তলত শিক্ষা নবীছ। এই বিষয়ে জেম্‌চৰ হাতত গজগজীয়া চুক্তিনামা পত্ৰ আছে। এতেকে শিক্ষা নবীছ এজন স্বাধীন সম্পাদক হব নোৱাৰে। কিন্তু, জেম্‌চে তভালিকে সেই চুক্তিনামা পত্ৰখন তেওঁক ঘূৰাই দিবলৈ ৰাজি হ'ল। তেওঁ আচল চুক্তিনামাখন ঘূৰাই দি এই সূত্ৰে ভায়েকৰ লগত এখন গোপন চুক্তিপত্ৰ কৰি ললে। এই প্ৰকাৰে ১৬ বছৰীয়া বেঞ্জামিন কুৰাণ্ট পত্ৰিকাৰ মুকলিমূৰীয়া

সম্পাদক হল আৰু তাৰ পিচৰ সংখ্যা তেওঁৰ নামে সম্পাদক আৰু প্ৰকাশ কৰিলে। জেম্‌চৰ নামৰ তাত বিন্দুবিসৰ্গও নেথাকিল।

কাকত চলোৱা নতুন বুদ্ধি দেখি বোষ্টনৰ চৰকাৰী বিষয়া আৰু যাজক সম্প্ৰদায় স্তম্ভিত হল। তেওঁ সম্পাদকীয় ভাৰ গ্ৰহণ কৰাৰ পৰা ৮ মাহলৈকে অতি দক্ষতাৰে সৈতে কাকতখন চলাইছিল। নানা বিপদ জঞ্জালৰ মাজেদি যোৱাতো কাকতৰ পূৰ্ব্বৰ ধৰণ কৰণ অলপো নলবিল। তেতিয়াও সেই পূৰ্ব্বৰ সুৰ বাজিবলৈ ধৰিলে। কিন্তু, এই সময়ত চৰকাৰে কোনো প্ৰকাৰে ইয়াক বাধা দিয়া নাছিল। মিষ্টাৰ স্পাৰ্ক নামেৰে এজনৰ লিখাৰ পৰা বুজিব পাৰি যে, চৰকাৰী বিষয়া সকলে আইন সঙ্গত বিচাৰ নকৰাকৈয়ে জেম্‌চক দণ্ড বিহিছিল। এই কথাৰ শুং কেনেবাকৈ ইংলণ্ডত ওলালে তেওঁলোকৰ মুস্কিল হব বুলি পাচত কুৰাণ্টৰ ওপৰত হস্তক্ষেপ কৰিবলৈ নিবিচাৰিছিল।

# বোষ্টন পৰিত্যাগ

ছাপাখানাত বাহিৰে কাকতৰ কোনো কামতে জেম্‌চ ফ্রেঙ্কলিনৰ হাত নেথাকিল। বেঞ্জামিনেই কাকতৰ হৰ্ত্তা-কৰ্ত্তা হৈ পৰিল। এইদৰে দুখৰ বেলিকা সকলো বিপদ মূৰ পাতি ললেও ককায়েকৰ পৰা কেতিয়াও তেওঁ এষাৰি মৰমৰ মাত নেপাইছিল। দৰাচলতে জেম্‌চ এজন বৰ খঙাল আৰু খলুৱা স্বভাৱৰ মানুহ আছিল। দিনে দিনে তেওঁৰ ব্যৱহাৰ আগতকৈ কঠুৱা হৈহে যাবলৈ ধৰিলে। পাচত অলপ দোষতেই তেওঁক সৌকাৰে কোব শোধাবলৈ ললে। বেঞ্জামিন যে এজন নিগ্রো চাকৰ নাছিল, তেওঁৰ যে এজন সহোদৰ ভায়েক আৰু ইচ্ছা কৰিলে তেওঁ যে এতিয়া তেওঁৰ অধীনতা অস্বীকাৰ কৰিব পাৰে, জেম্‌চে এইবিলাক কথা সমূলি ভবা নাছিল।

তেওঁ ককায়েকৰ তেনে দুৰ্ব্যৱহাৰত অতিশয় বিৰক্ত হল। তেওঁৰ প্ৰাণৰ বন্ধু জন কলিন্সৰ আগত এই বিষয়ে আক্ষেপ কৰি বোষ্টন নগৰত আৰু নেথাকিব বুলি মত প্ৰকাশ কৰিলে। কিন্তু জন কলিন্সে তেওঁৰ কথাত সন্মতি নিদি সেই নগৰতে অইন এখন ছাপাখানাত কাম বিচাৰিবলৈ কলে। তেওঁৰ কথা মতে বেঞ্জামিনে আন আন ছাপাখানাত গোপনে কামৰ অনুসন্ধান কৰিবলৈ ধৰিলে। ইপিনে জেম্‌চে তেওঁৰ গতিমতি

বুজিব পাৰি ছাপাখানাৰ গৰাকীহঁতক তেওঁক কাম নিদিবলৈ মনে মনে সাৱধান কৰি দিলে। বেঞ্জামিনক কামত ললে চুক্তিপত্ৰৰ বলেৰে তেওঁৰ ওপৰত মোকৰ্দ্দমা কৰিব বুলি ভয় দেখুৱালে। তাৰ উপৰি জেম্চে তেওঁলোকক এই কথা কৈছিল যে, বেঞ্জামিন এজন নাস্তিক; তেওঁৰ খৃষ্টিয়ান ধৰ্ম্ম আৰু বাইবেলত আস্থা নাই। যথাৰ্থতে সেই সময়ত বেঞ্জামিনে ছেফ্‌টছবাৰী নামে এজন দাৰ্শনিকৰ গ্ৰন্থ পঢ়ি খৃষ্টিয়ান ধৰ্ম্মৰ প্ৰতি বিশ্বাস হেৰুৱাইছিল।

বেঞ্জামিনে বোষ্টনৰ কোনো ছাপাখানাত কাম নেপালে আৰু ককায়েকৰ লগনীয়া কথাবিলাক তেওঁৰ কাণত পৰিল। এদিনাখন ককায়েকে কিবা কথাত তেওঁক বৰকৈ তিৰস্কাৰ আৰু নিৰ্দ্দয়ভাৱে বেত মৰাত তেওঁৰ তলত আৰু নেথাকে বুলি মুখৰ আগতে কৈ দিলে। অৱশ্যে চুক্তিনামা পত্ৰখন জেম্চৰ হাতত থকাহেঁতেন বেঞ্জামিনে হঠাৎ তেওঁৰ অধীনতা জোকাৰি পেলাব নোৱাৰিলে হেঁতেন। কুৰাণ্টৰ স্বাৰ্থ-ৰক্ষাৰ কাৰণে আচলখন ঘূৰাইদি গোপনে যিখন চুক্তিপত্ৰ কৰিছিল তাৰ কোনো আইনসঙ্গত বল নাছিল। তেওঁ ককায়েকক চুক্তি নামাখন দেখুৱাই কৈছিল—এই খনৰ বলেৰে তুমি মোক বাধ্য কৰিব পাৰিলাহেঁতেন, কিন্তু এতিয়া ইয়াৰ ক্ষমতা নাই। জেম্চে নিজৰ ভুল বুজিব পাৰি একো উত্তৰ নিদিয়াকৈ মনে মনে বল।

এক হিচাবত গমিচালে বেঞ্জামিনৰ চৰিত্ৰত এই ঘটনাটিৰ

এটা অসাধুতাৰ কালিমা পেলাইছে। যথাৰ্থতে তেওঁক স্বাধীনতা দিবলে চুক্তিপত্ৰখন ওলটাই দিয়া নাছিল; কেৱল কুৱাণ্টৰ পত্ৰিকাৰ স্বাৰ্থ অব্যাহত ৰাখিবলৈহে তেনে কৰা হৈছিল। এই কথা জানি শুনিও তেনে কথা কোৱা তেওঁৰ পক্ষে যুগুত হোৱা নাছিল। কিন্তু এই কাম যে নিতান্ত অযুগুত হৈছিল, তাকো কব নোৱাৰি। এই বিষয়ে তেওঁ আত্মজীৱন চৰিতত এইদৰে লিখিছে—"মই (চুক্তিপত্ৰৰ) এনে স্থবিধা লোৱা উচিত হোৱা নাছিল। সেই কাৰণে ইয়াক মোৰ জীৱনৰ প্ৰথম কালিমা বুলি ধৰি লম। কিন্তু তেওঁ মস্তিষ্কৰ বিকাৰ নঘটা অৱস্থাতো মোক সদায় সোঁকাৰ কোৰ শোধাই মনত যি ক্ৰোধৰ সৃষ্টি কৰিছিল, তাৰ উত্তেজনাত কৰা বুলি মোৰ এইকেৰা দোষ লঘুতৰ বুলিহে বোধ হয়।

এতিয়া যি কোনো প্ৰকাৰে হওক তেওঁ বোষ্টনৰ পৰা আইন ঠাইলৈ পলাই যাবলৈ দৃঢ় সঙ্কল্প কৰিলে। নিউ ইয়ৰ্ক এখন নতুন সমৃদ্ধিশালী নগৰ। তাত ছাপাখানাৰ কামৰ স্থবিধা হব বুলি ভাবি তালৈ যোৱাটোকে থিৰাং কৰিলে আৰু এই সকলো কথা তেওঁৰ বন্ধু জন কলিন্সক কলে। তেওঁৰ মৰমৰ বন্ধুৱেক এজনৰ এনে ছুৰ্দ্দশাত জন বৰ দুখিত হল আৰু তেওঁক এই বিষয়ে সাধ্যমতে সহায় কৰিবলৈ গাত ললে। জন বৰ বুধিয়ক ডেকা আছিল; তেওঁ বেঞ্জামিনক কিছুমান কিতাপ বেচি পাথেয় সংগ্ৰহ কৰিবলৈ দিহা দিলে।

নিউইয়ৰ্কলৈ যোৱা কথাটোৱে প্ৰধান সমস্যা হ'ল। [illegible] খোজ কাঢ়ি গলেও বহুত বাট যাব লাগে। আৰু, বাটত ৰকায়েকৰ মানুহৰ হাতত ধৰা পৰাৰ ভয় আছে। ইপিনে জাহাজত যোৱাটোও মস্কিল। যাত্ৰীৰ সঠিক পৰিচয় আৰু যাত্ৰাৰ উদ্দেশ্য নকলে কাকো জাহাজত যাবলৈ দিয়া নহয়। কোনো যাত্ৰীক পলাতক বুলি গম পালেও জাহাজৰ কেপ্তেনে আটক কৰিব পাৰে। এনে স্থলত পলাতক যাত্ৰী হিচাবে যোৱাটো মহা সঙ্কটজনক। সেই সময়ত বোষ্টনত এখন নিউ ইয়ৰ্কলৈ যোৱা জাহাজ আছিল। জন কলিন্সে বৰ কৌশলৰ ওপৰত কেপ্তেনৰ লগত বন্দবস্ত কৰি বেঞ্জামিনক তাত নিউ-ইয়ৰ্কলৈ পঠিয়াবলৈ থিৰ কৰিলে।

জাহাজ মেলিবৰ নিৰ্দ্দিষ্ট দিনা কাপোৰ-কানি আদি টোপোলা-টুপুলি বান্ধি জনৰ ওচৰত বিদায় লৈ মনে মনে জাহাজত উঠিল গৈ। তেওঁ নিউইয়ৰ্কলৈ যোৱা কথা যাতে বোষ্টনৰ কোনেও নেজানে, সেইবাবে সাৱধান লবলৈ জনক কৈ গল। জাহাজ বোষ্টনৰ পৰা এৰি দিলে। লাহে লাহে তেওঁৰ জন্মভূমি বোষ্টন নগৰ দৃষ্টিৰ বহিৰ্ভূত হৈ আহিল। কেইদিনমানৰ মূৰত জাহাজ নিউইয়ৰ্ক পালেগৈ। তেতিয়া ১৭২৩ খৃষ্টাব্দৰ অক্টোবৰ মাহ।

নিউইয়ৰ্ক বন্দৰত নামিল হয়, এতিয়া তেওঁ কলৈ যাব, ক'ত থাকিব তাৰ নিশ্চয়তা নোহোৱা হ'ল। তেওঁৰ তাত কোনো চিনাকি মানুহ নাছিল আৰু "পৰিচয় চিঠিও" কাৰো

ওচৰৰ পৰা তেওঁ আহা নাছিল। ইপিনে তেওঁ পলাই আহি পুনৰ ধৰা-পৰাৰো আশংকা আছিল।

এয়ে তেওঁৰ জীৱনৰ প্ৰথম প্ৰবাস। তেওঁৰ দুখৰ সুখৰ এষাৰি মাত মাতিবলৈ বন্ধু এজন নাই—তেওঁ সম্পূৰ্ণ অকলশৰীয়া। তেওঁক শাসন কৰিবলৈ ককায়েক বা দেউতাক নাই—তেওঁ এতিয়া সম্পূৰ্ণ মুকলি মূৰীয়া। তেওঁৰ সন্মুখত দুটা বাট পৰি ৰৈছে—এটাৰ লক্ষ্যস্থান ধ্বংস, আনটোৰ, মনুষ্যত্বৰ চৰম সীমা। এইদৰে বহুত উচ্চ অভিলাষী ডেকা সংসাৰৰ বিষম চাকনৈয়াত পৰি ওপৰত কোৱা দুই বাটৰ সন্ধিস্থল পায়হি। ইয়াৰ পৰা হয় তেওঁৰ পতন, নহয় পুনৰুত্থান। ফ্ৰেংকলিনৰ শৰীৰ আৰু মন যি পদাৰ্থেৰে গঠিত আছিল—সীমা বিপদ বিঘিনিয়েও তেওঁক সহজে ধ্বংসৰ বাটলৈ টানি নিয়া টান আছিল। বিশেষতঃ সংসাৰৰ বিপদ বিঘিনিবিলাকেই তেওঁৰ নিচিনা এক শ্ৰেণীৰ মানুহৰ ভবিষ্যৎ উজ্জ্বল জীৱনৰ উপাদান স্বৰূপ।

উইলিয়েম ব্ৰেডফোৰ্ড নামেৰে নিউইয়ৰ্কৰ এজন প্ৰিণ্টাৰৰ নাম শুনি ফ্ৰেংকলিন তেওঁৰ ওচৰলৈ গল। ব্ৰেডফোৰ্ড বয়সত বুঢ়া; কিন্তু তেওঁ এজন মৰমিয়াল ভদ্ৰলোক আছিল। ফ্ৰেংকলিনে তেওঁৰ ওচৰত চাকৰিৰ কথা কলে; কিন্তু তেতিয়া তেওঁৰ ছাপাখানাৰ কাৰবাৰ ভাল নাছিল; সেইবাবে তেওঁৰ নিচিনা উদ্যোগী ডেকা এজনক কাম দিব নোৱাৰি দুখিত হল। সেই সময়ত ব্ৰেডফোৰ্ডৰ পুতেকে ফিলাডেলফিয়া নগৰত

এখন ছপাখানা বহুৱাইছিল। তেওঁৰ লগে-পুতেকৰ ছপা-খানাত কাম পাব পাৰে বুলি তেওঁক আশা দিলে। তেওঁৰ কথা মতে বেঞ্জামিনে তাৰপৰা এশমাইল আঁতৰত থকা ফিলা-ডেলফিয়া নগৰলৈ যাবলৈ মন কৰিলে।

তাৰপৰা ফিলাডেলফিয়ালৈ যোৱাটো বৰ অসুবিধা। জাহাজত যাব পাৰি; কিন্তু বহুত দিন লাগে। দ্বিতীয় উপায়, নিউইয়ৰ্কৰ পৰা এম্বয় নামে ঠাইলৈ নাৱেৰে গৈ তাৰ পৰা ৫০ মাইল খোজকাঢ়ি বাৰ্লিংটনলৈ যাব লাগে। তাত ফিলাডেল-ফিয়ালৈ যোৱা নাও পোৱা যায়। সাজপাৰৰ বাকচটো জাহাজত ফিলাডেলফিয়ালৈ পঠিয়াই তেওঁ নাৱেৰে এম্বয়লৈ যাত্ৰা কৰিলে। গোটেই নিশা প্ৰবল ধুমুহা আছিল। ধুমুহাৰ জোৰত নাওৰ ভিতৰলৈ পানী সোমোৱাত ওৰে নিশা তেওঁৰ টোপনিও নাহিল। পিচদিনা এম্বয় পালে গৈ; কিন্তু তেওঁৰ অলপ জ্বৰজাৰ হল। এম্বয়ৰ এটা হোটেলত খোৱালোৱা কৰি অলপ সময় টোপনি মাৰিলত তেওঁৰ শৰীৰ আগৰ দৰে সুস্থ হল।

তাৰ পাচত এম্বয়ৰ পৰা বাটে খোজকাঢ়ি বাৰ্লিংটনলৈ যাত্ৰা কৰিলে। দুদিন বৰ কষ্টেৰে বাটবুলি তৃতীয় দিনাহে বাৰ্লিংটন পালে গৈ। বাটত দুনিশা দুখন হোটেলত আশ্ৰয় লৈছিল। প্ৰথম দিনা হোটেলৰ গৰাকীয়ে তেওঁক কোনো পলৰীয়া চাকৰ বুলি সন্দেহ কৰিছিল; কিন্তু বেঞ্জামিনৰ সকলো প্ৰশ্নৰ যথাযথ আৰু তলত উত্তৰত হোটেল ৰখীয়াৰ সেই সন্দেহ দূৰীভূত হল।

দুখৰ বিষয় তেওঁ বাৰ্লিংটনৰ নাৱৰ ঘাট নৌ পাওঁতেই সিদিনা ফিলাডেলফিয়াৰ নাও মেলিলে। তেওঁ নিৰুপায় হৈ সেই সময়ত এজনী দয়ালু কটীয়ালীৰ দোকানত আশ্ৰয় ললে গৈ। পিচদিনা তেওঁ ঘাটলৈ ফুৰিবলৈ যাওঁতে ফিলাডেল-ফিয়ালৈ যাব খোজা এখন নাও পালে গৈ। তেওঁ বুঢ়ী কটীয়ালীক মাত লগাবলৈ সময় নেপালে, ততাতৈয়াকৈ নাৱঁত উঠি যাত্ৰা কৰিলে।

সিদিনা বতাহ নাছিল, কাজে কাজে নাৱৰীয়াবিলাকে নিজে নাওবাই নিব লাগিছিল। বেঞ্জামিন নাওখনত পাৰ্গত আছিল। নাৱৰীয়াইতৰ লগত তেওঁৱো ভনে ভনে চৰি মাৰি আনন্দেৰে বাবলৈ ধৰিলে। এইদৰে কেইটামান নিশা গম ধৰিব নোৱাৰি ফিলাডেলফিয়া এৰি নাও ভালেখিনি আগুৱাই গল। পিচদিনা বাতিপুৱা আকৌ ফিলাডেলফিয়াৰ মুৱাকৈ নাও ঘূৰালে। যথাসময়ত নিলগৰ পৰা তেওঁৰ অভিপ্ৰেত নগৰৰ মনোহৰ ঘৰবিলাকৰ মনোৰম দৃশ্য তেওঁৰ চকুত পৰিল। নগৰৰ ঘাটত নাও বান্ধিলত তেওঁ নাৱৰীয়া-বিলাকৰ ওচৰত বিদায় লৈ তীৰত উঠিল।

# ফিলাডেলফিয়াত

## ( নতুন কৰ্ম্মক্ষেত্ৰত অৱতৰণ )

তেওঁ এতিয়া এখন অদৃষ্টপূৰ্ব্ব নতুন নগৰত—তেওঁৰ জন্মভূমি বোষ্টন নগৰৰ পৰা ৪০০ মাইল আঁতৰ। এতিয়া তেওঁৰ অৰ্থ সম্বল নগদ এটি ডোলাৰত পৰিছে গৈ। মিঃ ব্ৰেডফোৰ্ডৰ ছাপাখানা বিচাৰি উলিওৱাৰ আগতে অলপ কিবা মুখত দিবলৈ বুলি ৰুটীৰ দোকানলৈ গল। তেওঁ তিন পেঞ্চ দামৰ তিনটা পাওৰুটী ললে। তেওঁ দেখিলে যে, এটা ৰুটীয়েই তেওঁৰ যথেষ্ট হব; দুটা ৰুটী দুই কাষলতিত লৈ তৃতীয়টো চোবাই বাটে বাটে যাবলৈ ধৰিলে।

সিদিনা ৰবিবাৰ আছিল। নগৰৰ আটাইবিলাক মানুহে ধুনীয়া সাজপাৰ লৈ জুমে জুমে গীৰ্জ্জালৈ খোজ লৈছিল। সকলোৰে গাত ধুনীয়া কাপোৰ, কিন্তু আমাৰ অপৰিচিত বোষ্টনৰ ডেকাৰ গাত মলিন আৰু কুৰুচ সাজ। পায়জামা মলিন, মলিয়ন কোট চোলাৰ বিশাল জেপত কামিজ আৰু মোজা আৰু দুই কাষত দুটা পাওৰুটী—এই অদ্ভুত বেশেৰে তেওঁ নগৰৰ আলিবাটে আলিবাটে ফুৰিবলৈ ধৰিলে। কোনোৱে তেওঁৰ পিনে চাই হাঁহিছে, কোনোৱে ঠেকুচালি

কৰিছে; কিন্তু কাৰো কথাতেই কাণ নিদি তেওঁ ৰাতিটো বাটতে খোজ ললে। তাত পিয়াহ পলাই পাৰী ধৰি অলপ জিৰণি ললে। বাস দিশা তেওঁ অহা নাওঁখনতে এজনী মাইকী মানুহ আৰু তাইৰ সৰু ল'ৰা এটিও আহিছিল। সিহঁত ফিলাডেলফিয়া এৰাই যাব। তেওঁ মাক-পুতেক দুজনক সেই নাওঁতে ভোকত লাহকালহে পৰি থকা দেখিলে। ইয়াকে দেখামিলে ততালিকে নিজৰ কটা ছুটা সিহঁতক দি দিলে। যি সকলৰ অন্তৰত দয়া-মন্দাকিনীৰ পবিত্ৰ সোঁত বয়, তেওঁ লোক সুখ-দুখ, বিপদ-সম্পদ আদি সকলো অৱস্থাতে নিজৰ স্বাৰ্থ বলি দিবলৈ সাজু।

ফিলাডেলফিয়াৰ বেছিভাগ মানুহেই কোৱেকাৰ* সম্প্ৰদায়ভুক্ত খৃষ্টিয়ান। বেঞ্জামিন মানুহবিলাকৰ পিছে পিছে যাজক-কৰ বক্তৃতা শুনিবলৈ নগৰৰ কোৱেকাৰবিলাকৰ প্ৰধান গীৰ্জা ঘৰলৈ গল। তেওঁ গীৰ্জাৰ দুৱাৰ মুখতে বহি পৰিল আৰু তাতে তেওঁৰ ঘোৰ টোপনি আহিল। উপাসনাৰ অন্তত সকলো ওলাই গলত গীৰ্জাৰ চকিদাৰেহে তেওঁক টোপনিত দেখি জগাই পঠিয়াই দিলে। ৰাতি হৈ অহা দেখি তেওঁ এটা হোটেলত আশ্ৰয় ললে গৈ।

তেওঁ ৰাতিপুৱা উঠি মিষ্টাৰ ব্ৰেডফোৰ্ডৰ ছাপাখানা বিচাৰি ওলিয়ালে গৈ। আৰু নিউইয়ৰ্কত লগ পোৱা বুঢ়া ব্ৰেড-

---

* কোৱেকাৰ (Quaker) বুলি কওঁতে প্ৰবৰ্তন কৰা এটি খৃষ্টিয়ান ধৰ্ম্ম সম্প্ৰদায়।

কোৰ্ট্‌ক আকৌ লগ পালে। বুঢ়া ব্ৰেডফোৰ্ডে বেঞ্জামিনৰ পাছতে কিবা সকামত নিউইয়ৰ্কৰ পৰা বাটে ঘোঁৰাত উঠি আহিছিল। বেঞ্জামিনক দেখি তেওঁ সাদৰেৰে অভ্যৰ্থনা কৰিলে আৰু পুতেকক তেওঁৰ লগত চিনাকি কৰি দিলে। তেওঁৰ ছাপাখানাত কেইদিনমানৰ আগতে এটা প্ৰিণ্টাৰৰ কাম ওলাইছিল। কিন্তু সেই কামত এজন মানুহ লোৱাত তেওঁক কাম দিব নোৱাৰিলে। সেই নগৰতে মিষ্টাৰ কীমাৰ নামে অইন এজন মানুহৰ ছাপাখানা এখন আছিল। ৰাতিপুৱাৰ আহাৰৰ পাছত বুঢ়া ব্ৰেডফোৰ্ডে বেঞ্জামিনক তেওঁৰ তালৈ লৈ যাব বুলি কলে। ডেকা ব্ৰেডফোৰ্ডো সেই সহায়হীন উদ্যোগী ডেকাজনৰ কাৰণে চিন্তিত হল। যদি কীমাৰৰ ওচৰত কাম নকৰু, তেন্তে ভাল কাম নোপোৱালৈকে থকা আৰু খোৱাৰ সুবিধা হোৱাৰ জোখাই তেওঁৰ ছাপাখানাতে এটা সৰু-সুৰা কাম দি ৰাখিব বুলি কথা দিলে। বেঞ্জামিনে বাপেক পুতেকৰ এনে শিষ্ট আৰু সদয় ব্যৱহাৰত এটুপী কৃতজ্ঞতাৰ চকুলো মুচুকি নোৱাৰিলে। তেওঁৰ নিচিনা নিৰাশ্ৰয়, বহুৱাৰ বেশ লোৱা "পথৰ ভিখাৰি" এজনে নিজ নগৰৰ পৰা ৪০০ মাইল দূৰত কাৰবাৰ ওচৰত এনে সহৃদয়তা পাব বুলি কেতিয়াও ভবা নাছিল। ভোজন সমাপন হোৱাৰ পাছত বুঢ়া ব্ৰেডফোৰ্ড আৰু বেঞ্জামিন দুয়ো কীমাৰৰ ছাপাখানালৈ গল। অলপ সময় কথা-বতৰা হোৱাৰ পাছত তেওঁৰ ছপাখনাত কাম খালি আছে নে নাই সুধিলে। বেঞ্জা-

কোৰ্টে তেওঁৰ আগত বেঞ্জামিনৰ আৱশ্যকীয় পৰিচয় দিলেগৈ। তেতিয়া কীমাৰৰ লগত ছপাৰ কাম সৰহ নাছিল; কিন্তু অলপতে বেছি কাম পাবৰ আশা আছিল। সেইবাবে পাচতে এজন ভাল মানুহ পালে লবৰ মন আছিল। বেঞ্জামিনে কিমান কাম জানে তাক চাবৰ মনেৰে কিছুমান ছপাৰ আখৰ সজা-বলৈ দিলে। তেওঁ অতি সোনকালে পৰিপাটীকৈ সজাই পেলালে। কীমাৰে তেওঁৰ পাৰ্গতালিৰ চিনাকী পাই তেওঁক ৰাখিবলৈ মন কৰিলে; কিন্তু সৰহ কৈ নতুন কাম নেপায় মানে তেওঁক বেতন দিব নোৱাৰে বুলি কলে। বুঢ়া ব্ৰেডফোৰ্ডে বেতন নাপায় মানে বেঞ্জামিনক পুতেকৰ ঘৰতে খাই আৰু থাকিবলৈ দিব বুলি কলে।

কীমাৰৰ ছপাখানাৰ আচবাববিলাক বহুত পুৰণি আছিল; কোনো কোনো সজুলি তেনেই অকামিলা হৈছিল। মিঃ কীমাৰে নিজৰ ব্যৱসায়ৰ সকলো কথা নিখুঁতভাৱে নেজানি-ছিল। তেওঁ কেৱল ছপাৰ আখৰ সজোৱা আৰু ছপাকৰা কামহে জানিছিল। কিন্তু সোতৰ বছৰীয়া বেঞ্জামিনে তিনি বছৰ কাম কৰিয়েই ছপাযন্ত্ৰৰ সকলো কথা খুঁচুৰি মাৰি বুজি লৈছিল। তেওঁ যেতিয়া ছপাখানাৰ পুৰণি আহিলাপাতি মেৰামত কৰিব পাৰে বুলি কলে, কীমাৰে তেওঁক সেইকাম কৰি দিবলৈ খাটিলে। তেওঁ কেইদিনমানৰ লাগি ছপাখানাৰ যন্ত্ৰবোৰ মেৰামত কৰি নতুন যেন কৰি দিলে। তেফালে ব্ৰেড-ফোৰ্ডে এই কথাত গম পাই তেওঁৰ ছপাখানালৈ অজান

মেৰামতি কৰি দিবলৈ বেঞ্জামিনক অনুৰোধ কৰিলে। বেঞ্জামিনে তেওঁলোকৰ অলপ প্ৰত্যুপকাৰ কৰি দিবলৈ সুবিধা পাই বৰ সুখী হ'ল।

মিষ্টাৰ কীমাৰে সেই নিচিনা কৰ্মকুশল ডেকা এজনক অতি শীঘ্ৰে বেতনভোগী চাকৰ কৰি ললে আৰু তেওঁক ব্ৰেডফোৰ্ডৰ ঘৰৰ পৰা বহা সলাই তেওঁৰ ছাপাখানাৰ ওচৰতে মিষ্টাৰ ৰীড নামে ভদ্ৰলোক এজনৰ কেৰেয়া ঘৰত থাকিবলৈ উপদেশ দিলে। মিষ্টাৰ ৰীডৰ ঘৰত কেইবাজনো তেওঁৰ বয়সীয়া বিবিধ বিষয়ৰ শিক্ষানবীছ বহা কৰি আছিল। তেওঁ সেই ডেকাবিলাকৰ লগত অতি সোনকালে বন্ধু হৈ পৰিল। ইপিনে তেওঁৰ কাপোৰৰ বাকচটোও আহি পালে আৰু চাফ-চিকুন কাপোৰ পিন্ধি মাৰ্জ্জিত ভদ্ৰলোকৰ নিচিনা ওলাব পৰা হল। মিঃ ৰীডৰ পৰিয়ালৰ সকলোৱে এই সুচতুৰ প্ৰতিভাবান ডেকা বেঞ্জামিনক চিনি পোৱা হল। দিন পগৰে এই মিঃ ৰীডৰ যুৱতী কন্যা মিচ ডেবোৰা ৰীডৰ লগতে বেঞ্জামিনৰ বিয়া হৈছিল। এদিন এই মিচ ডেবোৰা ৰীডেই তেওঁৰ ভাবী স্বামী বেঞ্জামিনক ফিলাডেলফিয়াৰ আলিবাটত বহুৱাৰ বেশেৰে দেখি ঠেহুচালি কৰি হাঁহিছিল।

কীমাৰৰ ছাপাখানাত বেঞ্জামিনে মনোযোগেৰে কাম কৰিবলৈ ধৰিলে। ক্ৰমে ফিলাডেলফিয়াৰ ভাল ভাল মানুহ-বিলাকেও বোষ্টনৰ সেই ডেকা প্ৰিণ্টাৰৰ প্ৰতিভাৰ পৰিচয় পাই মুগ্ধ হল। নগৰৰ বেচিভাগ মানুহেই তেওঁক চিনি-

পোৱা হল। বহুত চৰিত্ৰৱান উচ্চাকাংক্ষী ডেকা তেওঁৰ বন্ধু হল। কথা প্ৰসঙ্গত কেতিয়াবা বোষ্টনৰ তেওঁলোকৰ কুৰাণ্ট কাকতৰ কথাও ওলাইছিল। তেওঁ সেই কাকতৰ এজন প্ৰধান লিখক আৰু পৃষ্ঠপোষক আছিল বুলি কোনো ডেকা ব্ৰেডফোৰ্ড কিম্বা মিষ্টাৰ কীমাৰ কোনেও সেই কথা প্ৰথমে প্ৰত্যয় কৰা নাছিল। কিন্তু পাছত যে সেই সোতৰ বছৰীয়া ডেকাৰ অন্তৰৰ গভীৰ পাণ্ডিত্যৰ চিনাকি পাই তাক আচহাৰ্য্য নহৈ নোৱাৰিছিল।

ফিলাডেলফিয়াত থিতাপি হোৱাৰ পিচত তেওঁৰ পুৰণি বন্ধু জন কলিন্সলৈ ভ্ৰমণৰ সকলো কাহিনী বৰ্ণাই চিঠি এখন লিখিছিল। যথা সময়ত জনৰ পৰা সেই চিঠিৰ উত্তৰ পালে। তাৰ পৰা বুজিলে যে, জনত বাহিৰে বোষ্টনৰ কোনেও তেওঁৰ একো খা-খবৰ পোৱা নাই। তেওঁৰ বুঢ়া মাক-বাপেক আৰু বন্ধু-বান্ধৱসকল তেওঁৰ চিন্তাত ব্যাকুল হৈ উঠিছে। চিঠি পঢ়ি তেওঁৰ মনত বং লাগিল। আত্মীয়-কুটুম্বৰ দৃষ্টিৰ অন্তৰালত থাকি কেনেকৈ এখন বহল কৰ্ম্মক্ষেত্ৰ গঢ়ি লব, কেনেকৈ তেওঁলোকৰ অজ্ঞাতসাৰে সুকীৰ্ত্তি আৰু সৌভাগ্যৰ গৰাকী হব, এইবিলাক ভবিষ্যত সুখৰ কথা আলচি থাকোঁতে ইপিনে এজনে তেওঁৰ অনুসন্ধান পালে। সেইজন তেওঁৰ ভিনীহিয়েক,—নাম কেপ্টেইন ৰবাৰ্ট হোমচ। তেওঁ এখন জাহাজৰ কেপ্টেইন আছিল।

কেপ্টেইন হোমচ সেই সময়ত ফিলাডেলফিয়াৰ পৰা

৪০ মাইল দূৰৈত থকা নিউকেচেল্ নামে ঠাইত আছিল। তেওঁ ফিলাডেলফিয়াৰ এজন মানুহৰপৰা বেঞ্জামিনৰ যথাৰ্থ অনুসন্ধান পাই তেওঁলৈ শীঘ্ৰে এখন ডাকযোগে চিঠি পঠিয়ালে। চিঠিখনত তেওঁৰ মাক-বাপেক চিন্তাত কেনে বিয়াকুল হৈছে তাক বৰ্ণাইছিল আৰু তেওঁক যিমান সোনকালে পাৰে ঘৰলৈ যাবলৈ উপদেশ দিছিল। সেই চিঠিৰ উত্তৰ স্বৰূপে বেঞ্জামিনে এখন ভিনীহিয়েকলৈ চিঠি লিখিলে। তাত তেওঁ ঘৰৰ পৰা পলাই অহাৰ সকলো কাৰণ বিশদৰূপে লিখিছিল আৰু তাক এনে মৰ্ম্মস্পৰ্শি ভাষাত লিখিছিল যে, তাক পঢ়িলে কৰুণাৰ উদ্ৰেক নহৈ নোৱাৰে। চিঠিখনৰ এঠাইত লিখিছিল—"মই বুজিছিলোঁ। যে মানুহে মোক পলৰীয়া বুলিব আৰু মই ধ্বংসৰ পথেদি খোজ লৈছোঁ বুলি ভাবিব। কিন্তু মই সেই বাট লোৱা নাই * * *। যদি জগতত পৰিশ্ৰম, বস্তুৰ সদ্ব্যৱহাৰ, সাত্বিক আহাৰ, সাধুতা আৰু অধ্যৱসায়ৰ জয় হয়, তেন্তে মই নিশ্চয় কৃতকাৰ্য্য হম বুলি জানিবা।"

পেনচিল্ভেনিয়া প্ৰদেশৰ গৱৰ্ণৰ ছাৰ উইলিয়েম কেথৰ লগত কথাপাতি থাকোঁতে কেপ্টেইন হোমচে বেঞ্জামিনৰ চিঠিখন পালে। কেপ্টেইনে চিঠি পঢ়ি চকুলো টুকিলে আৰু তাক গভৰ্ণৰ কেথক পঢ়ি চাবলৈ দিলে। গৱৰ্ণৰে আচৰিত মানি সেই চিঠিৰ লিখোঁতাৰ পৰিচয় সুধিলে। কেপ্টেইন হোমচে বেঞ্জামিনৰ সকলো কথা তেওঁৰ আগত ভাঙি কলে। গভৰ্ণৰে বেঞ্জামিনৰ বহুমুখী প্ৰতিভা আৰু ১৬ বছৰ বয়সতে

বিখ্যাত ৰাজদ্ৰোহমূলক 'কুৰাণ্ট' কাকতৰ সংস্পৰ্শত অহা কথা শুনি মনে মনে বিস্ময় মানিলে। অলপ সময় কিবা ভবাৰ পাচত ভিনীহিয়েকক কলে যে, এনে এজন বুদ্ধিমান ডেকাক এখন স্বতন্ত্ৰীয়া ছাপাখানা খুলি দিয়াহে উচিত। তেওঁ সেই বিষয়ে নিজে যি পাৰে চেষ্টা কৰি চাব বুলিও গাত ললে।

এদিন বেঞ্জামিন ছাপাখানাত কাম কৰি থাকোঁতে পেনচিল্ভেনিয়াৰ দুজন উচ্চ পদস্থ কৰ্ম্মচাৰী তেওঁক বিচাৰি আহিল। তেওঁলোকৰ এজন পেনচিল্ভেনিয়াৰ গভৰ্ণৰ; আন জন তেওঁৰ চেক্ৰেটৰী কৰ্ণেল ফ্ৰেঞ্চ। এনে দুজন মানুহ এজন সামান্য প্ৰিণ্টাৰক বিচাৰি অহা দেখি কীমাৰ আৰু বেঞ্জামিন দুয়ো চমক খালে। অৱশেষত, কেপ্টেইন হোম্‌চৰ অনুৰোধ মতে বেঞ্জামিনৰ বাতৰি লৈ যাবলৈ অহা বুলি কলতহে দুয়ো স্থিৰ হল। তেওঁলোকে বেঞ্জামিনৰ লগত বিশেষ এটি কথা আছে বুলি অলপ সময়ৰ কাৰণে তেওঁক ছাপাখানাৰ পৰা মাতি লৈ গল।

গভৰ্ণৰে প্ৰথমে কেপ্টেইন হোম্‌চলৈ লিখা চিঠিখনত কেনেকৈ তেওঁৰ বুদ্ধিবৃত্তিৰ চিনাকি পাইছিল তাক কলে। তাৰ পাচত কথা প্ৰসঙ্গত বেঞ্জামিনক সেই নগৰতে স্বাধীনভাৱে ছাপাখানা এখন পাতি দিয়াৰ প্ৰস্তাৱ কৰিলে আৰু দুয়োজনে ছপাবলৈ যথেষ্ট পৰিমাণে চৰকাৰী কাম সৰবৰাহ কৰিব বুলিও কথা দিলে। গভৰ্ণৰে তেওঁক এই দৰে কলে,—"এই বিষয়ে আমি তোমাৰ ভিনীহিয়েৰাৰ লগতো আলোচনা কৰি

ককায়েকৰ সকলো দুৰ্ব্যৱহাৰ পাহৰি পেলালে আৰু আগেয়ে মাতলগাই ককায়েকৰ কক্ষা ভাগিবলৈ সন্মত হল।

কিন্তু জেম্চ বৰ কপটীয়া লোক আছিল। বেঞ্জামিনে তেওঁক ছাপাখানাত দেখা কৰি আগেয়ে মতাতো উদাৰ মনেৰে তেওঁৰ লগত কথা-বতৰা নেপাতিলে। অকস্মাৎ বেঞ্জামিনক দেখি তেওঁৰ মনত যি কৌতুল উদিত হৈছিল, তাক নিবাৰণ কৰিবলৈ এবাৰ মাথোন কথা কৈ আকৌ নিজৰ কামলৈ গুচি গল। বেঞ্জামিন ককায়েকৰ পৃতৌ লাভৰ পৰা বঞ্চিত হৈ তাৰ পৰা বিষাদ মনেৰে উভতিল।

ইয়াৰ পিচত তেওঁ বোষ্টনৰ পুৰণি বন্ধু-বান্ধৱ সকলক দেখা কৰি ফুৰিবলৈ ধৰিলে। তেওঁৰ প্ৰিয় বন্ধু জন কলিঞ্চক প্ৰথমে দেখা কৰিলে। দুয়োৰো পুনৰ মিলন হোৱাত দুয়ো আনন্দত বিভোৰ হল। কিন্তু অলপ সময় কথা পতাৰ পাচত তেওঁ বুজিলে যে, জন আৰু সেই আগৰ জন নাই; তেওঁৰ স্বভাৱ লৰিছে। তেওঁ আগৰ সবল আহাৰ এৰি সুৰা পানত ধৰিছে। তেওঁৰ অনুপস্থিতিত সহৃদয় বন্ধু এজনক এনে বিপথগামী হোৱা দেখি মনত বৰ দুখ পালে আৰু তেওঁক সুপথলৈ আহিবলৈ উপদেশ দিলে।

এই সময়তে তেওঁ—বোষ্টন নগৰৰ সুবিজ্ঞ লোক মাননীয় ডাক্তৰ ইন্‌ক্ৰীজ মেথাৰক দেখা কৰে। ডাক্তৰ মেথাৰে বেঞ্জামিনৰ অসাধাৰণ প্ৰজ্ঞাৰ কথা জানিছিল। তেওঁৰ লগত ফিলাডেলফিয়াৰ নানা কথা পাতিলে আৰু তেওঁৰ পুথি-

তঁৰালৈকে বেঞ্জামিনক দেখুৱালে। তেওঁক বিদায় দিবৰ সময়ত ঘৰৰ পৰা ওলাবলৈ অইন এটা চমু বাটেদি লৈ গল। সেই দুৱাৰ মুখতে এটা চাপৰ চতি আছিল। বেঞ্জামিনে চতিটোলৈ মন নকৰাকৈ তেওঁৰ কথাতে মনোযোগ দি আছিল। চতিটোৰ ওচৰ পালত ডাক্তৰ মেথাৰে হঠাৎ কৈ উঠিল,—"অলপ চাপৰি দিয়া, অলপ চাপৰি দিয়া।" বেঞ্জামিনে একো বুজিব নোৱাৰি গৈ থাকোঁতে হঠাৎ চতিটোত এটা বৰ খুন্দা খালে। তেতিয়া ডাক্তৰ মেথাৰে এই কথা কলে,—"তুমি এতিয়া ডেকা মানুহ; তোমাৰ সন্মুখত এখন বিস্তীৰ্ণ সংসাৰ আছে। ইয়াৰ মাজেদি খোজ লওঁতে সদায় মুৰ দোঁৱাই যাবা; তেহে এনেকুৱা বহুত কঠিন বিপদৰ পৰা হাত সাৰিব পাৰিবা।"

ডাক্তৰ মেথাৰৰ এইকেৱা উপদেশ তেওঁৰ হৃদয়ত গভীৰ ভাৱে মুদ্ৰিত হৈ ৰৈছিল। এই বিষয়ে বেঞ্জামিনে তেওঁৰ জীৱনৰ সন্ধ্যাকালত এইদৰে লিখিছিল,—"এই উপদেশ মোৰ দৈনন্দিন জীৱনৰ উপকাৰত আহিছে। যেতিয়া মই অনেকক (গণ্ডপণ্ড) অৰ্থাৎ স্ফীত হৈ ফুৰাৰ কাৰণে বিপদত পৰা দেখোঁ আৰু তেওঁৰ দৰ্প চূৰ্ণ হোৱা দেখোঁ, তেতিয়াই মোৰ এই কথাখিনি মনত পৰে।"

জ্ঞানীলোকৰ উপদেশ প্ৰকৃত মৰ্ম্মত গ্ৰহণ কৰিব পৰা মানুহ সংসাৰত বিৰল। অইন পাকে বেঞ্জামিনৰ নিচিনা তত্ত্ব-জিজ্ঞাসু লোকে সুধীসকলৰ প্ৰত্যেক কথাতে উপদেশ লব পাৰে আৰু সেই উপদেশ জীৱন-পথৰ প্ৰদীপ কৰি'লব পাৰে।

গৱৰ্ণৰ কেথে দিয়া চিঠিখন বেঞ্জামিনে পিতাকৰ হাতত দিলে। গৱৰ্ণৰৰ লগত তেওঁৰ কোনো পৰিচয় নাছিল; এতেকে তেওঁৰ ল'ৰাৰ প্ৰতি এনে এজন অপৰিচিত উচ্চ কৰ্ম্ম-চাৰীৰ অভাৱিত আৰু অযাচিত অনুগ্ৰহৰ কথাত সন্দিহান হল। তেওঁ কথাটো দকৈ ভাবি চাবৰ কাৰণে সময় ললে। ঠিক সেই সময়ত কেপ্টেইন হোম্‌চো বোষ্টনলৈ আহিছিল। সেই চিঠিৰ সত্যতা সম্পৰ্কে তেওঁ কেপ্টেইন হোম্‌চকো সুধি চালে। কেপ্টেইনে অধিক কথা খৰচ নকৰাকৈয়ে সি সঁচা বুলি ডাঠি কলে। কিন্তু মিষ্টাৰ ফ্ৰেংকলিনে তথাপি তাত আস্থা স্থাপন কৰিব নোৱাৰিলে। কেপ্টেইনে গৱৰ্ণৰৰ সদ্‌গুণাৱলী ব্যাখ্যা কৰি শহুৰেকৰ অমূলক সন্দেহ দূৰ কৰিবলৈ চেষ্টা কৰিলে। কিন্তু বহুদৰ্শী বুঢ়া ফ্ৰেংকলিন বেঞ্জামিনক স্বতন্ত্ৰীয়া ছাপাখানা কৰি দিয়াত মান্তি নহল। তেওঁ বেঞ্জামিনক স্বাধীন ব্যৱসায় কৰিব পৰা বয়স নহয় মানে কীমাৰৰ ছাপাখানাতে নীৰৱে কাম কৰি থাকিবলৈ উপদেশ দিলে। পিতাকৰ আদেশ শিৰোধাৰ্য্য কৰি ব্যৰ্থহৃদয়েৰে আকৌ তেওঁ ফিলাডেলফিয়ালৈ যাত্ৰা কৰিলে।

# ইংলণ্ড যাত্ৰাৰ আয়োজন

## আৰু

## ফিলাডেলফিয়াত দিন যাপন

তেওঁ ফিলাডেলফিয়া পালত গোপনে গোপনে গভৰ্ণৰ কেইথক লগ ধৰি দেউতাকে দি পঠোৱা চিঠি এখন দিলে। চিঠি-খন পঢ়ি চাই অলপ সময় কিবা চিন্তাকৰি থাকি বেঞ্জামিনক কলে,—"আমাৰ এটা উদ্দেশ্য ব্যৰ্থ হল। সি যি হওক, এই নগৰত এখন প্ৰথম শ্ৰেণীৰ ছাপাখানা যেনে তেনে [illegible], লাগে। সেই অৰ্থে ময়ো চেষ্টা কৰি চাম। ছাপাখানা চলাবলৈ মই তোমাত বাহিৰে কাকো উপযুক্ত দেখা নাই। এতেকে তোমাৰ যদি আপত্তি নথাকে, তেন্তে তোমাকেই তাৰ অধ্যক্ষ পাতিম বুলি ভাবিছোঁ। এতিয়া তুমি এই কথাৰ সম্ভেদ নিদিয়াকৈ কীমাৰৰ ছাপাখানাতে কাম কৰি থাকাগৈ। আজৰি সময়ত এখন প্ৰথম শ্ৰেণীৰ ছাপাখানা স্থাপন কৰোঁতে কি কি আহিলা-পাতি লাগে তাৰে এটা তালিকা প্ৰস্তুত কৰিবা। সেই তালিকা মতে মই বিলাতলৈ সৰঞ্জামৰ অৰ্ডাৰ দিম।"

বেঞ্জামিনে গভৰ্ণৰৰ কথাতে হৰিষ মনেৰে সন্মতি দি কীমাৰৰ ছাপাখানত আকৌ সোমাল গৈ। তেওঁ [illegible] ছাপাখানাৰ সৰঞ্জামৰ তালিকাটো প্ৰস্তুত কৰি দি [illegible]

দেখুৱালে গৈ। সেইখন পাই এটা মোটামুটি হিচাব কৰি চাই দেখিলে যে, তেনে এখন ছাপাখানা বহুৱাবলৈ অন্ততঃ ১০০ পাউণ্ডমান খৰচ পৰিব। কিন্তু, তেওঁ কিনা গুজবে সকলো খৰচ বহন কৰিবলৈ স্বীকৃত হল। পাচত তেওঁ এই অৰ্থে বেঞ্জামিনক ইংলণ্ডলৈ পঠাবলৈ মত প্ৰকাশ কৰিলে। কাৰণ, আচবাববোৰ চিঠি লিখি অনাতকৈ নিজে গৈ চাই-চিন্তি অনা বহুগুণে ভাল। ইংলণ্ডলৈ যোৱা প্ৰস্তাবত বেঞ্জামিনৰ মন নাচি উঠিল। নিজে ছাপাখানাৰ অধ্যক্ষ হোৱাতকৈও তেওঁলোকৰ পিতৃ পিতামহৰ জন্মভূমি দৰ্শন-সুখ অধিকতৰ সৌভাগ্যৰ কথা বুলি ভাবিলে। আনন্দ মনেৰে তেওঁ গভৰ্ণৰৰ কথাত মান্তি হল। কিন্তু তেওঁৰ সুখৰ সপোন কাৰ্য্যত পৰিণত কৰিবলৈ আৰু কিছুদিন বাট চাব লগাত পৰিছিল। সেই সময়ত ইংলণ্ড আৰু আমেৰিকাৰ মাজত জাহাজৰ যাতায়াত কম আছিল। কেপ্তেইন এনিচ নামে এজন নাবিকৰ জাহাজ সেই সময়ত ইংলণ্ডলৈ যোৱা কথা আছিল। সেই জাহাজতে তেওঁ বিলাতলৈ যোৱাৰ বন্দবস্ত কৰিলে।

বেঞ্জামিনক ইংলণ্ডলৈ পঠিওৱাৰ আগতে তেওঁ ফিলাডেলফিয়াত কি ভাবে জীৱন যাপন কৰিছিল তাক আলোচনা কৰি চাওঁহক। বোষ্টনত থাকোঁতে তেওঁ দুখ-কষ্ট-সহিষ্ণুতা, কাৰ্য্য-তৎপৰতা, অধ্যৱসায়, অধ্যয়ন আৰু মিতাহাৰত অভ্যস্ত হৈছিল, ফিলাডেলফিয়াতো সেই নিয়মৰ অনুশীলন একেলগে ৰাখিছিল। বোষ্টনত [illegible]

কালত তেওঁৰ হিয়াত যি সদগুণৰ বীজ পচোৱা হৈছিল, সি এতিয়া অঙ্কুৰিত হৈ একো জোপা সুঠাম গছ হৈ উঠিছিল।

তেতিয়াও তেওঁ নিৰ্ভাজ সাত্বিক আহাৰী হৈয়ে হৈছিল। গইন কি, তেওঁৰ সৰাকী অমিতাহাৰী কীমাৰকো শুধৰাবলৈ যত্ন কৰিছিল। কিন্তু বহুত চেষ্টাৰ ফলতো কীমাৰে সেই অসজ অভ্যাস এৰিব নোৱাৰিলে। তেওঁ কেতিয়াও অইন কোনো সাংসাৰিক সম্পদক তেওঁৰ পৱিত্ৰ চৰিত্ৰ আৰু মিতাহাৰৰ ওপৰত ঠাই নিদিছিল। ইয়াৰ বাবে তেওঁৰ বাল্য বন্ধু উন্মাৰ্গগামী জন কলিন্সকো পৰিত্যাগ কৰিবলৈ বাধ্য হৈছিল। দ্বিতীয় বাৰ ঘৰৰ পৰা অহা সময়ত তেওঁৰ প্ৰিয় বন্ধু জন কলিন্সকো ফিলাডেলফিয়া নগৰলৈ কাম বিচাৰি আনিছিল। কিন্তু অমিতাহাৰ আৰু পানদোষে তেওঁৰ স্বভাৱ শুধৰাব নোৱাৰাকৈ পৰিবৰ্ত্তন কৰিছিল। বেঞ্জামিনৰ হেজাৰ চেষ্টা আৰু উপদেশেও তেওঁক সেই কুপ্ৰবৃত্তিৰ হাতৰ পৰা সৰাব নোৱাৰিলে। তেওঁ নিজৰ অসৎ চৰিত্ৰৰ কাৰণেই কতো একো কামো কিনাব নোৱাৰিলে। ফিলাডেলফিয়াত থকা কেইদিনত তেওঁ বেঞ্জামিনৰ অৰ্থৰ সাহায্যতে চলিব লগীয়াত পৰিছিল। তেওঁ কতিকা আদি পাই বেঞ্জামিনক কিমান দিবলৈ খুজিলে আৰু [illegible] ছুৰোৱে [illegible] পাছত তেওঁ পশ্চিম [illegible] দ্বীপপুঞ্জৰ [illegible] লৰা [illegible] নি[illegible]

নিজৰ উদ্দাম মনৰ বেগ দমাব নোৱাৰাত [illegible] মানুহৰ শেষ দশা কেনে শোচনীয় হয় আৰু সংসাৰৰ অমিয়, সুখ শান্তি কেনেকৈ হেৰুৱায় তাৰ দৃষ্টান্ত তেওঁৰ সুহৃদ্ জন কলিন্সতে আঙুলিয়াই দিছে। বেঞ্জামিনে নিজেই কৈছে যে, এই জন কলিন্স কোনো গুণে তেওঁতকৈ হীন নাছিল। তেওঁৰ স্বাভাবিক প্রতিভা আৰু যথোচিত অধ্যয়নৰ কাৰণে তেওঁ বেঞ্জামিনতকৈ অধিক পৰিমাণে মনৰ পৰিণতি লাভ কৰিছিল। বোষ্টন নগৰত এদিন দুয়ো উচ্চ আকাঙ্ক্ষা আৰু উচ্চ আদর্শ মনত লৈ জীৱন আৰম্ভ কৰিছিল; এদিন দুয়ো সংযমী আৰু সদাচাৰী আছিল; এদিন দুয়ো সমাজনীতি, ধর্ম্মনীতি আৰু ৰাষ্ট্রনীতি সম্বন্ধে স্বাধীনভাবে চিন্তা কৰিবলৈ শিকিছিল। কিন্তু একজনৰ স্বাধীন চিন্তা স্বেচ্ছাচাৰত পৰিণত হল; আনজনৰ সেয়ে হৃদয়ৰ ৰাজ ৰাজেশ্বৰী হল: জন কলিন্সে তেওঁৰ পোৱাৰ উচিত মূল্য নুবুজিলে;—তেওঁ তাৰ অতিৰিক্ত মূল্য দিলে। হায়! এনে উদ্দাম আৰু স্বেচ্ছাচাৰী মনৰ বশ হৈয়েই লর্ড বায়ৰণৰ নিচিনা প্রতিভাশালী লোকেও জীৱনৰ দুর্গম পথত পিচলি পৰিব লগাত পৰিছিল।

বোষ্টনৰ নিচিনাকৈ ইয়াতো বেঞ্জামিনে আজৰি সময় কিতাপ পঢ়ি কটাইছিল। অলপ দিনৰ পাচতেই জনচেৰেক সাহিত্যসেৱী বন্ধুৰ লগ পাই এখন সাহিত্য আলোচনা সমিতি স্থাপন কৰিছিল। এই সমিতিত কোনো নির্দ্দিষ্ট সাহিত্য বিষয়ক কথাবহে আলোচনা হৈছিল। এই ক্ষুদ্র সাহিত্য

সখিয়তিৰ লেখকজনৰ সম্ভৱতঃ আত্মস্তুতি একোটি উজ্জ্বল নমুনা লিখিবা থাকিল। ৰাল্‌ফ নামেৰে এই সখিয়তিৰ সভ্য এজন বেঞ্জামিনৰ ইংলণ্ড যাত্ৰাৰ সঙ্গীয়া হৈছিল। ৰাল্‌ফে পোনতে ইংলণ্ডত বেঞ্জামিনৰ আশ্ৰয়তে থাকিবৰ লগীয়াত পৰিছিল। প্ৰথমতে তেওঁ ভাগ্যদেৱীৰ কোপদৃষ্টিত পৰি কষ্টেৰে জীৱন নিৰ্ব্বাহ কৰিব লগীয়াত পৰিছিল। পাচত তেওঁ নিজ প্ৰতিভাৰ গুণত ইংলণ্ডৰ সেই সময়ৰ চাৰি জন প্ৰধান মন্ত্ৰীৰ প্ৰিয়ভাজন হৈ উঠিছিল। তেওঁ পাচত এজন প্ৰখ্যাত ৰাজনৈতিক লিখক হৈ উঠিছিল। তেওঁৰ কাগৰপৰাই কেইখনমান ভালৰ ভালৰ কিতাপো ওলাইছিল।

---

# ইংলণ্ডত অলাহাবী আমেৰিকান

কেপ্তেইন এনিচৰ "লণ্ডন হোপ" নামক জাহাজ নবেম্বৰ ১০ তাৰিখে ইংলণ্ডলৈ যোৱা স্থিৰ হল। বেঞ্জামিনে গৱৰ্ণৰৰ ওচৰলৈ গৈ তেওঁৰ ইংলণ্ডক যাত্ৰাৰ কথা উলিয়ালে। গৱৰ্ণৰে বেঞ্জামিনক যাত্ৰা কৰাৰ দিন [illegible] আহিবলৈ কৈছিল [illegible] পৰা লণ্ডনৰ কোনো নিশ্চয় [illegible] চিঠি পত্ৰ এখন লৈ যাবলৈ কলে। [illegible]

ঠাইত সুবিধাকৈ থাকিবলৈ, আৰু কাৰ্য্যসিদ্ধি কৰি সুকলমে উভতিবলৈ এজেনেৰুৱা চিঠি এটি, আৱশ্যকীয়। গভৰ্ণৰৰ কথাত বেঞ্জামিন কৃতজ্ঞতাপূৰ্ণমনেৰে উভতিল। নিৰ্দ্দিষ্ট দিনত তেওঁ সেই চিঠিৰ কাৰণে কেথৰ ওচৰলৈ গল। তেওঁৰ সিদিনা বহুত কাম আছে বুলি কৈ পিচদিনা আহিবলৈ খাতি দিলে। সিদিনাও তেওঁৰ চেক্রেটৰী জন ওলাই আহি কলে যে, গভৰ্ণৰ তেতিয়া অনেক কামত ব্যস্ত আছে। যাত্ৰা কৰিবৰ দিনা আহিলেই তেওঁৰ আৱশ্যকীয় চিঠি পাব।

ইপিনে বেঞ্জামিনে ইংলণ্ডলৈ যোৱাৰ কথা কীমাৰ আৰু তেওঁৰ বন্ধুবৰ্গক জনালে। কিন্তু তেওঁৰ আচল উদ্দেশ্যটো কাৰো আগত নকলে। তেওঁৰ আকস্মিক বিচ্ছেদত কীমাৰ আদি বন্ধুবৰ্গ বৰ দুখিত হল। যথা সময়ত সকলোৰে পৰা বিদায় লৈ আৰু পাথেয় সংগ্ৰহ কৰি লৈ এনিচৰ জাহাজত উঠিল। সকলোৰ বস্তু জাহাজত থৈ গভৰ্ণৰক দেখা কৰিবলৈ গল। আগৰ দৰে সিদিনাও গভৰ্ণৰৰ সলনি তেওঁৰ চেক্রেটৰী ওলাই আহি কলে যে, গভৰ্ণৰ বাহাদুৰ কামত ইমান ব্যস্ত আছে যে, তেওঁক সেই চিঠিখন দিব নোৱাৰি বৰ লাজ পাইছে। সি যি হওক জাহাজ নিউকেচেলত ৰলে তাত তেওঁক লগ ধৰিব আৰু তেতিয়া সেই চিঠি পাব। বেঞ্জামিনে তাত অসন্তোষ প্ৰকাশ নকৰি গভৰ্ণৰক সৰল অন্তঃকৰণেৰে ধন্যবাদ দি জাহাজলৈ উভতিল।

নিৰ্দ্দিষ্ট দিনত জাহাজ নিউকেচেল পালত তেওঁৰ অভিলষিত

চিঠি লাণ্ডন আপোনাৰে তাত থকা গৱৰ্ণৰৰ হাতলৈ পঠাব। তেওঁ বুলিও গৱৰ্ণৰৰ চকুৱে দেখা নেপালে। কিন্তু জেৰোৰ্ডী কৰ্ণেল ফ্ৰেঞ্চ আগৰ দৰে গুলীই আহি কলে যে, জাহাজ এৰাৰ আগেয়ে জকৰ তেওঁৰ চিঠি পাব। জাহাজ এৰিবৰ অলপ আগতে গৱৰ্ণৰ কেথৰ এজাপ চিঠি জাহাজলৈ আহিল। বেঞ্জামিনে ভাবিলে নিশ্চয় ইয়াৰ ভিতৰত তেওঁৰ অভিপ্ৰেত চিঠি আছে। চিঠিজাপ মেলি চাবলৈ কেপ্টেইনৰ অনুমতি খুজিলে। কেপ্টেইনে কামৰ বহুলতা দেখুৱাই অলপ পাচতহে দেখুৱাব পাৰিব বুলি কলে।

'লণ্ডন হোপ' নামে ইংলিছ চেনেল পালত কেপ্টেইনে গৱৰ্ণৰৰ চিঠিৰ টোপোলাটো আনি বেঞ্জামিনৰ হাতত দিলে। কিন্তু বেজাৰৰ কথা এই যে, তাত এখন চিঠিও বেঞ্জামিনৰ নিজ নামত নাই; কেইখনমান চিঠি মাথোন তেওঁৰ তত্বাৱধানত লণ্ডন নগৰৰ জন দিয়েক ভদ্ৰলোকলৈ লিখা আছিল। তেওঁৰ হতাশ মনক প্ৰবোধ দিবলৈ ইয়াকে পালে যে, অৱশ্যে তাৰ ভিতৰৰ এখন নহয় এখন চিঠি তেওঁৰ সকামৰ উদ্দেশ্যে লিখা হৈছে।

১৭২৪ চনৰ ২৪ ডিচেম্বৰ তাৰিখে বেঞ্জামিনে লণ্ডন মহা নগৰত পদাৰ্পণ কৰিলে। কিন্তু অতি আচৰিত আৰু দুখৰ কথা যে, তেওঁৰ তত্বাৱধানত দিয়া এখন চিঠিও প্ৰকৃত পক্ষত গৱৰ্ণৰ কেথে পঠোৱা নাছিল আৰু আটাইকেইখনেই ভিন চক্ৰান্তৰ চিঠি আছিল। গৱৰ্ণৰ কেথে এনে সৰুটো পোনাৰ বুলি তেওঁ সপোনতো ভবা নাছিল। সেই সময়ত বেঞ্জামিনৰ

মনৰ অৱস্থা কেনেকুৱা হৈছিল তাক কথাৰে বৰ্ণনা কৰা অসম্ভৱ মাত্ৰাৰে। কূটবুদ্ধি গৱৰ্ণৰ কেনে কি স্বাৰ্থসিদ্ধিৰ অভিপ্ৰায় সিদ্ধিৰ কাৰণে তেওঁক এনেকুৱা পাকচক্ৰত পেলাই দিলে—এনে বিশাল বিপদ সাগৰৰ মাজভাগত উটাই থৈ গল তাক তেওঁ এতিয়াহে বুজিব পাৰিলে। তেওঁ তেনে কোমল বয়সত কুৰাণ্টৰ নিচিনা ৰাজদ্ৰোহী কাকত নিৰ্ভীক চিত্তেৰে ছপোৱা কথাই, গভৰ্ণৰৰ হৃদয় ভয়বিহ্বল কৰি তুলিছিল। সেয়ে তেওঁৰ এনে নিৰ্ব্বাসনৰ কাৰণ হল। আৰু সেই লণ্ডন নগৰ—যি তেওঁৰ মনত সম্পূৰ্ণ অপৰিচিত আৰু সম্পূৰ্ণ অদৃষ্ট-পূৰ্ব্ব, যি নিজৰ ঘৰবাৰী হেজাৰ মাইল দূৰৈত বিশাল অগাধ আটলাণ্টিক মহাসাগৰৰ সিইন পাৰত অৱস্থিত—তাত আজি তেওঁ সহায় সাৰথিহীন। তেওঁ তাত ভোকত কলমলাই মৰিলেও এডোখৰ শুকান ৰুটী দিওঁতা নাই, এনিশা থাকিবলৈ এটা জিৰণীয়া কুঠৰী দিওঁতা নাই। তেওঁ এতিয়া কি কৰে, কি নকৰে মহা চিন্তাত পৰিল। তেওঁ এবাৰ ঘৰৰ কথা ভাবিলে, এবাৰ ফিলাডেলফিয়া আৰু তাৰ বন্ধুবৰ্গৰ কথা ভাবিলে। এইদৰে নানা চিন্তাত তেওঁ ব্যাকুল হল। কি কুক্ষণত তেওঁ 'লণ্ডন হোপ'ত যাত্ৰা কৰিছিল? তেওঁৰ আচল উদ্দেশ্যটো যদি ফিলাডেলফিয়াৰ বন্ধুবৰ্গ, মিঃ ব্ৰেডফোৰ্ড কিম্বা কীমাৰক আগতে জনাই গলেহেঁতেন, তেনেহলে কেতিয়াও তেওঁ এনেকুৱা ভাবে বিদেশ বিভুঁইত পৰিব লগা নহলহেঁতেন। কিন্তু এতিয়া উপায়?

ফেৰেবৰ নামেৰে এজন আমেৰিকাৰ বেপাৰী এজোৰ জাহাজতে লাণ্ডন পৰ্য্যন্ত গৈছিল।* ফ্ৰেংকলিন নিজৰ হৈ নেৰৈ-বণিকৰ কাম চাপি তেওঁৰ লগলো চাকৰি কৰে। বেঞ্জামিনক এনে বিপন্ন অৱস্থাৰ কথা শুনি ফেৰেবৰ হিয়া বিগলিত হল। তেওঁ ছাপাখানাৰ কাম জনা শুনি শুনি যদিহে বোৱা খৰচ সংগ্ৰহ লহয় মানে এখন ছাপাখানাত কাম কৰিবলৈ উপদেশ দিলে। তেওঁ ছাপাখানাৰ কাম বিচাৰি ওলাল। পামাৰ নামে এজন ভদ্ৰলোকৰ এখন ডাঙৰ ছাপাখানাত চাকৰি এটা পালে আৰু ওচৰতে এখোটালী ঘৰ কেৰেয়া কৰি তাতে থাকিবলৈ ললে।

পামাৰৰ ছাপাখানাত কিছুদিন কাম কৰাৰ পাচত তেওঁ ৱাট্চ নামে আৰু এজন বিখ্যাত মুদ্ৰাকৰৰ ছাপাখানাত আগতকৈ অলপ সৰহ বেতনত নিযুক্ত হয়। তেওঁৰ নতুন বহা ঘৰৰ আগতে উইল কক্স নামে এজন পুথি বেচোঁতাৰ দোকান আছিল। অতি সোনকালে উইল কক্সৰ লগত তেওঁৰ সদ্ভাৱ স্থাপিত হল। তেওঁৰ দোকানত বহুত পুৰণি সাকৰা পুথি আছিল। তেওঁ প্ৰতিখন পুথি নামমাত্ৰ মাচুল দি আনি আদ্যোপান্ত সমস্ত ভাল কৰি পঢ়িছিল। এই মতে কেৰেয়াতে পুথি অনা নিয়ম প্ৰথমে বেঞ্জামিনেই উলিয়াইছিল। এতিয়া এই নিয়ম সাৰ্ব্বজনীন হৈ পৰিছে।

ৱাট্চৰ ছাপাখানাত কাম কৰি থাকোঁতে তেওঁ ধৰ্ম্ম সম্বন্ধে

গোটাদিয়েক স্বাধীন মত প্ৰকাশ কৰি এখন পুস্তিকা * ৰচনা কৰে। তেওঁৰ প্ৰবন্ধখন সুচিন্তিত আৰু সুলিখিত আছিল; কিন্তু তাত তেওঁ নিজৰ স্বাধীন নিৰীশ্বৰবাদলৈহে আলোচনা কৰিছিল। তেওঁৰ গৰাকী ওৱাট্‌চক প্ৰবন্ধখন সমালোচনাৰ কাৰণে দিলে। ওৱাট্‌চে তেওঁৰ তলত চাকৰি কৰা আৰু অনুন্নত দেশৰপৰা অহা ডেকা এজনৰ এনে এখন গৱেষণাপূৰ্ণ ৰচনা দেখি অতি আচৰিত মানিলেও তেওঁৰ সেই নাস্তিক্য-বাদৰ সমৰ্থন কৰিব নোৱাৰিলে।

তেওঁৰ ৰচনাখনিয়ে বহুতো ডাঙৰ মানুহৰ মন আকৰ্ষণ কৰিছিল। ডাক্তৰ লীয়ন্স নামে এজনে এদিন তেওঁক বিচাৰি ওৱাট্‌চৰ ছাপাখানা পালেহি। দুয়ো সেই ৰচনাৰ বিষয় লৈ কিছু সময় কথা বতৰা পতাৰ পিছত তেওঁলোকৰ আলোচনা সমিতি এটাত যোগ দিবলৈ বেঞ্জামিনক মাতি গল। তেওঁ মাজে সময়ে সেই সমিতিত যোগদান কৰিছিল আৰু তাৰ কেইবাজনো তেওঁৰ নিচিনা উদাৰপন্থী ভদ্ৰলোকৰ লগত তেওঁৰ চিনাকি হৈছিল।

ওৱাট্‌চৰ ছাপাখানাত ৫০ জন মানুহে কাম কৰিছিল। কিন্তু বেঞ্জামিনত বাহিৰে আটায়ে সদায় প্ৰচুৰ পৰিমাণে মদিৰা খাইছিল। তেওঁলোকৰ মনত এটা বিশ্বাস আছিল যে, মদিৰা খাই নললে ছাপাখানাত টান পৰিশ্ৰম কৰা অসম্ভৱ।

* Dissertation on Liberty and Necessity, Pleasure and pain.

বেঞ্জামিনে আগৰ দৰে কেতিয়াও মদ হাতেৰে নুচুইছিল। পিয়াহত তেওঁ চেঁচা পানীকে খাইছিল। তেওঁৰ লগৰ কর্ম্ম-চাৰীবিলাকে সকলো আমেৰিকাবাসীয়ে তেওঁৰ দৰে পানী খাই থাকে বুলি ভাবিছিল আৰু তেওঁক জলাহাৰী আমে-ৰিকান বুলি ঠাট্টা কৰিছিল। পিচত এই বিদ্রূপসূচক "জলা-হাৰী আমেৰিকান" নামেই সম্মানসূচক হৈ উঠে। তেওঁ পানী খাই থাকিও আনতকৈ বেচি শক্তিমান আৰু কর্ম্মক্ষম আছিল। আনবিলাকে যি ধনেৰে এসাজৰ মদ কিনিছিল, তেওঁ তাৰে দুসাজৰ ৰুটী আদি পুষ্টিকৰ আহাৰ কিনিব পাৰি-ছিল। সেইবাবে তেওঁ আনতকৈ কম খৰচতে চলিব পাৰিছিল। অথচ তেওঁৰ আহাৰো সাৰুৱা আছিল। বেঞ্জামিনে লগৰীয়া-বিলাকৰ ভুল ভাঙিবলৈ সিহঁতৰ আগত মদৰ অপকাৰিতাৰ কথা ব্যাখ্যা কৰিছিল আৰু তাৰ প্রত্যক্ষ প্রমাণ দেখুৱাইছিল। কিন্তু ভ্রম দূৰ হোৱা দূৰৰ কথা, সিহঁতে তেওঁক তলে তলে খিয়াল কৰিবলৈহে ধৰিলে। লাহে লাহে সিহঁতে তেওঁৰ সদুপদেশৰ মর্ম্ম বুজিবলৈ ধৰিলে আৰু অৱশেষত গোটেই লাকেই তেওঁৰ আৰ্হিলৈ সুৰাপান পৰিত্যাগ কৰিলে।

ইয়াৰ চল্লিশ বছৰ পিচত যেতিয়া বেঞ্জামিন [illegible] পেন্‌চিল্‌ভেনিয়া বাসীৰ প্রতিনিধি স্বৰূপে তেওঁলোকৰ আবেদন খাপী লৈ লণ্ডনলৈ আহে, তেতিয়া তেওঁ [illegible] এবাৰ পৰিদর্শন কৰিছিলহি। তেওঁ কাম কৰা দিনৰে কিছু-মান ছাপাৰ যন্ত্ৰ তেতিয়াও আছিল। [illegible]

আমুৰিকালৈ তেওঁ তাৰ কৰ্মচাৰীবিলাকক কৈছিল যে, চল্লিশ বছৰৰ আগতে তেওঁ সেই ছাপাখানাতে কাম কৰিছিল। এনে নাম ফ্ৰেংক ৰাজনীতিজ্ঞ পুৰুষ একালত এদিন সেই ছাপাখানাতে কাম কৰা কথা তেওঁলোকে কথমপি হে পতিয়াব পাৰিছিল।

---

# জীৱনৰ উত্থান পতন

লণ্ডনত থকা সময়ত তেওঁ সাঁতোৰা কৌশল দেখুৱাই মানুহক মোহিত কৰিছিল। তেওঁৰ দুজন লগৰীয়া কৰ্মচাৰীকো সাঁতোৰ শিকাইছিল। তেওঁৰ এই বিষয়ত প্ৰতিপত্তি বহুদূৰ বিয়পি গৈছিল। লণ্ডন নগৰৰ এজন খ্যাতনামা বয়স্থ পুৰুষে তেওঁৰ লৰা দুটিক সেই কৌশল শিকাবলৈ অনুৰোধ কৰিছিল। আৰু কি তেওঁক উপযুক্ত বেতন দি এখন সন্তৰণ বিদ্যালয়ো কৰি দিবলৈ গাত লৈছিল। কিন্তু সেই সময়ত অতি সোনকালে লণ্ডন এৰিব লগীয়া হোৱাত সেই ভদ্ৰলোকৰ অনুৰোধ বৰ দুখেৰে প্ৰত্যাখ্যান কৰিব লাগিছিল।

তেওঁৰ সহযাত্ৰী পূৰ্ব্বোল্লিখিত মিষ্টাৰ ডেনহামে বেঞ্জামিনক তেওঁৰ কাৰবাৰৰ সহায়কাৰী হৈ ফিলাডেলফিয়ালৈ যাবলৈ ধৰিছিল। ১৯ মাহ তেওঁ বিদেশৰ পৰা আমেৰিকা আহিছিল।

এতেকে ডেনহামৰ কথাত আস্থি কৈ ঘৰলৈ যাবলৈ থিৰ কৰিলে। কিন্তু সেই সময়ত এই উদ্দেশ্যৰ বাটত এটা প্ৰতিবন্ধক দেখা দিলে। ওৱাট্‌চৰ ছাপাখানাৰ ওৱাইগেট নামে লগৰীয়া কৰ্ম্মচাৰী এজনে তেওঁক সমস্ত ইউৰোপ মহাদেশ ভ্ৰমণ কৰিবলৈ লগ ধৰিছিল। ভ্ৰমণপিপাসু বেঞ্জামিনৰ মনত ঘৰলৈ যোৱাতকৈ এই কথা বেচি ভাল লাগিল; আৰু তাত তেওঁ সন্মত হল। এই কথাত উত্তলা হৈ এদিন তেওঁ ডেনহামক লগ পাই এই বিষয়ে কলে। কিন্তু তেওঁ বেঞ্জামিনক নানা আসোৱাহ দেখুৱাই সেই প্ৰস্তাৱ পৰিত্যাগ কৰিবলৈ কলে।

ডেনহাম এজন সৰল আৰু সাধু স্বভাৱৰ মানুহ আছিল। তেওঁ বেঞ্জামিনক বছৰি ৫০ পাউণ্ড দৰমহাত কেৰাণী স্বৰূপে তেওঁৰ ব্যৱসায়ত যোগ দিবলৈ কলে; আৰু ভবিষ্যত উন্নতিৰ আশা দেখুৱালে। কি জানি এটা নতুন ব্যৱসায়ত লিপ্ত হব নোৱাৰেই, এই বুলি বেঞ্জামিনে পোনতে আপত্তি দেখুৱাইছিল যদিও, পাচত তেওঁৰ কথাত মান্তি হল। তেওঁ ছাপাখানাৰ পৰা মিষ্টাৰ ওৱাট্‌চৰ পৰা বিদায় লৈ ডেনহামৰ লগে লগে গুদামে গুদামে নানা তৰহৰ মাল কিনি ফুৰিবলৈ ধৰিলে। ১৭২৬ খৃষ্টাব্দৰ জুলাই মাহত বেঞ্জামিনে লণ্ডন নগৰৰ বন্ধুবিলাকৰ পৰা বিদায় লৈ বাৰ্কছায়াৰ জাহাজত উঠি ফিলাডেলফিয়া মুখে যাত্ৰা কৰিলে। ৮২ দিনৰ মূৰত তেওঁৰ প্ৰিয় নগৰ ফিলাডেলফিয়া পালেগৈ।

তেওঁৰ পূৰ্ব্ব পৰিচিত বন্ধু কীমাৰক প্ৰথমে দেখা কৰিলেগৈ। তেওঁৰ লণ্ডন যাত্ৰাৰ প্ৰকৃত ঘটনাটো আৰু সভৰ্ণৰ কেথৰ প্ৰতাৰণাৰ কথা কীমাৰক বিৱৰি কলে। কীমাৰেও ধূৰ্ত্ত কেথৰ নিজ ৰোষত চৰকাৰী বিষয়া হেৰোৱা বাতৰিটি তেওঁক দিলে। কীমাৰে তেওঁক আকৌ পাই তেওঁৰ ছাপাখানাত কাম কৰিবলৈ আগ্ৰহেৰে অনুৰোধ কৰিলে। কিন্তু তেওঁ আগেয়ে ডেনহামৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিছে বুলি কলত কে তেওঁৰ আশা এৰিবলৈ বাধ্য হল।

ফিলাডেলফিয়াত ডেনহামৰ প্ৰস্তাৱিত কাৰবাৰ খোলা হল; বেঞ্জামিন আগৰ বন্দবস্ত মতে কেৰাণী সোমাল। বেঞ্জামিনে ইয়াতে তেওঁৰ জীৱনৰ যেন এটা নতুন অধ্যায় খুলিলে। তেওঁ আছিল উদ্যমশীল আৰু কৰ্ম্মদক্ষ ডেকা; এই নতুন ব্যৱসায়ো তেওঁ ছাপাখানাৰ নিচিনা বিশেষ পাৰদৰ্শিতাৰে চলাবলৈ ধৰিলে। তেওঁৰ গৰাকী মিঃ ডেনহাম অবিবাহিত আছিল; তেওঁয়ো বেঞ্জামিনৰ লগত থাকিবলৈ ললে। এই দৰে পৰস্পৰে বন্ধুভাৱে দিহা পৰামৰ্শ কৰি কাৰবাৰ চলাবলৈ ধৰিলে। কিন্তু বিধাতাই দুয়োৰো প্ৰীতিৰ বান্ধ দীৰ্ঘকাল স্থায়ী নকৰিলে। কাৰবাৰ আৰম্ভ কৰাৰ চাৰি মাহ মানৰ পাচতে ডেনহাম আৰু বেঞ্জামিন দুয়ো টান নৰিয়াত পৰিল। বেঞ্জামিনে কোনোমতেহে জীৱন লাভ কৰিলে; কিন্তু তেওঁৰ গৰাকী মৃত্যু মুখত পৰিল। বেঞ্জামিনে মৃতকৰ অন্তিম কালৰ আদেশ অনুসাৰে নিজৰ ন্যায্য বেতন পালে।

বেঞ্জামিন এইবাৰ নিৰুপায় হল। তেওঁ অন্তৰত যি আশা-লতা ৰোপণ কৰিছিল, সি ফলৱতী নৌ হওঁতেই ছিন্ন হল। এতিয়া কি কৰিব কি নকৰিব এই কথা লৈ দোধোৰ মোৰ কৰি থাকোঁতেই ভিনীহিয়েক কেপ্টেইন হোমচক লগ পালে আৰু এই বিষয়ে তেওঁৰ দিহা সুধিলে। বেঞ্জামিনে অৱশ্যে তেওঁৰ আগত ডেনহামৰ নিচিনা কাৰবাৰ কৰিবলৈ আগ্ৰহ দেখুৱালে। কেপ্টেইন হোমচ তাত অসন্মত হৈ আগৰ নিচিনা ছাপাখানাতেই কাম কৰিবলৈ দিহা দিলে। তেওঁৰ দিহামতে বেঞ্জামিন কীমাৰৰ ওচৰ চাপিল।

কীমাৰে বেঞ্জামিনক ততালিকে ছাপাখানাৰ দায়িত্বপূৰ্ণ অধ্যক্ষ পদত নিযুক্ত কৰিলে। তেওঁ আকৌ পূৰ্বৰ দক্ষতাকে সৈতে কাম কৰিবলৈ লাগিল। কীমাৰে পোনতে তেওঁক সবহ দৰ্মহাতে নিযুক্ত কৰিছিল। কিন্তু যেতিয়া তেওঁৰ তত্বাৱধানত কাম নজনা নতুন মানুহবিলাকে ভালদৰে কাম শিকি উঠিল, তেতিয়া কীমাৰে তেওঁক দৰ্মহা দিয়াত কাৰ্পণ্য দেখুৱাবলৈ ধৰিলে; আৰু পাৰিলে তেওঁৰ ঠাইত কম টকাতে নতুন মানুহ এজন লবলৈ চেলু বিচাৰিবলৈ ধৰিলে। সময়ত তেওঁ বেতন বহুত কমাই দিলে। আনকি, শিষ্ট ব্যৱহাৰতো আগতকৈ অনেক উদাসীনতা দেখুৱাবলৈ ধৰিলে। কীমাৰৰ মনৰ ভাব বুজিবলৈ তেওঁৰ আৰু একো বাকী নেথাকিল; তথাপি আগৰ দৰে তেওঁ কাম কৰি যাবলৈ ধৰিলে। কিন্তু এদিন এটা নিচেই ক্ষুদ্ৰ কথাত কীমাৰে তেওঁক বহুত তিতা কথা

শুনাই দিলে যে এক ছাপাখানাত তেওঁৰ আৱশ্যকতা নাই বুলি কলে। স্বাধীনমনা বেঞ্জামিনে তাৰ যথাবিহিত প্ৰত্যুত্তৰ দি তেতিয়াই টুপীটো মূৰত দি ছাপাখানাৰপৰা ওলাই গল। যাবৰ সময়ত মেৰেডিথ নামে ছাপাখানাৰ কৰ্ম্মচাৰী এজনক তেওঁৰ মাল-বস্তুবিলাক বহালৈ লৈ যাবলৈ কৈ গল।

মেৰেডিথ আদি ছোৱাত এজন অসংযত ডেকা আছিল। বেঞ্জামিনে তেওঁৰ ওপৰত অসাধাৰণ প্ৰভাৱ বিস্তাৰ কৰি পানদোষ আদিৰপৰা তেওঁক সৎপথলৈ আনিছিল আৰু শেষত তেওঁ বেঞ্জামিনৰ বাধ্য হৈ পৰিছিল। কীমাৰৰ কাম এৰি দিয়াৰ পাচত বেঞ্জামিন আকৌ উদাৰান্নৰ চিন্তাত পৰিল। এদিন মেৰেডিথ আহি তেওঁৰ আগত এখন ছাপাখানা বহোৱাৰ কথা উলিয়ালে। তেওঁৰ অন্তৰত ঘোৰ চিন্তা; বাহিৰত অলপ হাঁহি দেখুৱালে মাথোন। এবাৰ ছাপাখানা পাতিবলৈ যাওঁতে কেনে বিপদ ঘটিছিল, সেই কথা তেওঁৰ মনত পৰিল; আকৌ এজন চেঙেলীয়া ডেকাৰ মুখত সেই একে কথাকে শুনি এটা মিচিকিয়া হাঁহিত বাহিৰে বেচি কথা মুখৰপৰা নোলাল।

প্ৰকৃতপক্ষত, মেৰেডিথে কোনো ব্যৱসায় চলাব পাৰিলে বাপেকে লাগতিয়াল অৰ্থ সাহায্য কৰিবলৈ গাত লৈছিল। তেওঁ বেঞ্জামিনক সেই কথা বুজাই কলে। অৱশেষত, বেঞ্জামিনে তেওঁক পিতাকৰ লগত সেই বিষয়ে পৰামৰ্শ কৰিবলৈ উপদেশ দিলে। মেৰেডিথৰ পিতাকে বেঞ্জামিনৰ স্বভাৱ চৰিত্ৰৰ কথা ভালদৰে জানিছিল; গতিকে এই বিষয়ত অৰ্থ সাহায্য কৰিবলৈ

ততালিকে আৰম্ভ হল। এদিন মেৰেডিথৰ দেউতাক নিজে বেঞ্জামিনৰ ওচৰ চাপি পুতেকৰ লগত সমান অংশীদাৰ হৈ এখন ছাপাখানা পাতিবলৈ অনুৰোধ কৰিলে আৰু সৰঞ্জামৰ কাৰণে বিলাতলৈ চিঠি লিখিলে।

ইংলণ্ডৰপৰা ছাপাখানাৰ সঁজুলি আহি পায় মানে বেঞ্জামিনে কোনো কোনো ঠাইত কাম বিচাৰিছিল। এনে সময়তে কীমাৰৰপৰা তেওঁ এখন চিঠি পালে। কীমাৰে তাত নিজৰ দোষ স্বীকাৰ কৰি তেওঁৰ ওচৰত ক্ষমা খুজিছিল; আৰু পূৰ্ব্বৰ বেতনত আকৌ তেওঁৰ ছাপাখানাত কাম কৰিবলৈ মাতিছিল। তেওঁ চিঠিখন পঢ়ি চাৱেই তাক কালি পেলাবলৈ মন কৰিছিল; কিন্তু তাৰ পিচৰ মুহূৰ্ত্ততে কিঞ্চিৎ ধৈৰ্য্যধৰি সেই বিষয়ে অলপ ভাবি চালে।

তেওঁ কীমাৰৰ ছাপাখানাত আকৌ নোসোমোৱাটোকে থিৰাং কৰিছিল; পিচত মেৰেডিথে টানি ধৰাত সেই পূৰ্ব্বৰ বেতনত সেই চাকৰি গ্ৰহণ কৰিলে। সেই সময়ত কীমাৰে এটা ডাঙৰ চৰকাৰী কাম হাতত লৈছিল। বেঞ্জামিনৰ বাহিৰে অইনৰ পক্ষে সেই কাম সমাধা কৰা টান আছিল; গতিকে কীমাৰে তেওঁৰ সহায় লবলৈ বাধ্য হৈছিল। তেওঁৰ কাম 'নিউ জাৰ্চ্চি' নগৰত আছিল। কীমাৰ আৰু বেঞ্জামিন দুয়ো তাঁলৈ গৈ তিনি মাহমান আছিল। সেই সময়ত তাৰ কেইজন গণ্যমান্য চৰকাৰী বিষয়াৰে সৈতে বেঞ্জামিনৰ চিনাকি হয়। তাৰ ভিতৰত চাৰ্জ্জেনৰ জেনেৰেল 'আইজাক ডেকন'ৰ নাম

বিশেষ উল্লেখযোগ্য। তেওঁ কেনেকৈ লৰাকালত স্কুলৰ শিক্ষাৰ পৰা বঞ্চিত থাকিও নিজ চেষ্টা আৰু অধ্যৱসায়ৰ বলত সেই গুণ লাভ কৰিছিল, সেই বৃত্তান্ত বেঞ্জামিনক কৈছিল। চাৰ্টেৰাৰ জেনেৰেলৰ পৰা জীৱনপথৰ এনে জীৱন্ত সঙ্কেত পাই তেওঁ কৃতাৰ্থ মানিছিল।

১৭২৮ খৃষ্টাব্দৰ বসন্তকালত তেওঁলোকৰ ছাপাখানাৰ আচবাববিলাক আহি পালে। মেৰেডিথ আৰু বেঞ্জামিন দুয়োৰে নামত এটি ঘৰত ছাপাখানা স্থাপন কৰিলে। ইমান দিনে দুয়ো এই কথা গোপনে ৰাখি কীমাৰৰ তলত কাম কৰিছিল; এতিয়া নিজৰ ছাপাখানা এখনৰ দুয়ো গৰাকী হল। কীমাৰে হঠাৎ তেওঁৰ তলতীয়া কৰ্ম্মচাৰী দুজনৰ নামত নগৰত আৰু এখন ছাপাখানা প্ৰতিষ্ঠিত হোৱা দেখি অবাক হ'ল। ফিলাডেলফিয়াৰ বহুত মানুহে এনে এখন ক্ষুদ্ৰ নগৰত তিনিখন ছাপাখানা হোৱা দেখি তেওঁলোকৰ ছাপাখানা লোপ পাব বুলি ভৱিষ্যৎবাণীও কৰিলে। কিন্তু তেওঁলোকৰ কোনেও জনা নাছিল যে, বেঞ্জামিনৰ গাত কিমান কৰ্ম্মকুশলতা, ব্যৱসায়ৰ অভিজ্ঞতা আৰু উদ্যমশীলতা লুকাই আছিল।

হৃদয়ভৰা উৎসাহেৰে সৈতে তেওঁলোকে ছাপাৰ কাম চলাবলৈ ধৰিলে। কাৰো সহায় নোলোৱাকৈ দুয়ো দোক-মোকালিৰ পৰা নিশা এঘাৰ বজালৈকে ছাপাখানাত কঠোৰ পৰিশ্ৰম কৰিবলৈ লাগিল। প্ৰথমে তেওঁলোকে পাঁচ ছিলিং মূল্যৰ কাম এটা পালে। স্বাধীন ব্যৱসায়ত প্ৰথমে পোৱা এই

পাঁচ ছিলিঙতেই তেওঁলোকৰ মানত পাঁচশ পাউণ্ডৰ সমান যেন হৈছিল। লাহে লাহে তেওঁলোকে নানা ঠাইৰপৰা কাম পাবলৈ ধৰিলে আৰু ছাপাখানাৰ গৰাকী হিচাবে তেওঁলোকৰ সুখ্যাতি বিয়পি গ'ল।

---

# 'জাণ্টো' সমিতি

ইংলণ্ডৰ পৰা অহাৰ পাচত, ভাগ্যচক্ৰৰ সকলো উত্থানপতনৰ সময়তো বেঞ্জামিন মানসিক চৰ্চ্চাৰ পৰা বিৰত হোৱা নাছিল। বোধহয় ডেনহামৰ মৃত্যুৰ পাচত, তেওঁৰ জন্মস্থানত ১৭২৭ত তেওঁৰ নিচিনা উচ্চাকাংক্ষী ডেকাবে গঠিত এখন সমিতি স্থাপন কৰিলে। এই সমিতিৰ নাম 'জাণ্টো' ৰখা হ'ল। আন আন গুপ্ত সমিতিৰ নিচিনাকৈ ইয়াৰ সভ্যসকলে প্ৰথমে ভৰ্ত্তি হওঁতে কেইটামান নিৰ্দ্দিষ্ট সৰ্ত্তমতে চলিব বুলি অঙ্গীকাৰ কৰিব লাগিছিল। ইয়াৰ সভ্যৰ নিৰ্দ্দিষ্ট সংখ্যা ১২ জন আছিল;—প্ৰত্যেকজন সভ্যই প্ৰতিভাবান আৰু বিদ্যানুৰাগী আছিল। তাৰ সৰহভাগ সভ্যই পৰিণামত একোজন নামজ্বলা লোক হৈ উঠিছিল। এই সমিতিত আলোচনা কৰা ; বিজ্ঞান

প্ৰভাৱ পৰা বুজিব পাৰি যে, তাত বিজ্ঞান, দৰ্শন, সমাজনীতি আৰু ৰাজনীতি সম্বন্ধীয় জটিল সমস্যাবিলাকৰ সমাধান হৈছিল।

এই সমিতিৰ তত্বাৱধানত যিবিলাক ভাল ভাল কাম হৈ উঠিছিল, তাৰ ভিতৰত ফিলাডেলফিয়া নগৰৰ পুথিভঁৰালৰ কথাই উল্লেখযোগ্য। সেই সময়ত ফিলাডেলফিয়াত ৰাজহুৱা পুথিভঁৰালৰ কথা সম্পূৰ্ণ নতুন আছিল; অইন কি, তাত ভেতিয়া ভাল ভাল পুথি অতি দুৰ্মূল্য আছিল বুলিলেও সৰহ কোৱা নহয়। বেঞ্জামিনে এটা গ্ৰন্থালয় স্থাপনৰ কাৰণে জাণ্টোৰ সভ্যসকলৰ আগত প্ৰস্তাৱ তুলিলে। সমিতিয়ে এই আৱশ্যকীয় বিষয়টো আলোচনা কৰি চাই বেঞ্জামিনকে নগৰবাসীবিলাকৰ পৰা পঁচা তোলাৰ ভাৰ দিলে। তেওঁ এই বিষয়ত কৃতকাৰ্য্য হ'ল। কেইজনমান সুশিক্ষিত নগৰবাসীয়ে আগ্ৰহেৰে এই কামত বৰঙনি দিলে আৰু জাণ্টোৰ সভ্যসকলৰ উদ্যোগত প্ৰস্তাৱিত গ্ৰন্থালয় সোনকালে হৈ উঠিল। তেওঁলোকৰ এই কীৰ্ত্তিনিদৰ্শন আজিলৈকে জ্বলি আছে।

ইয়াত বাহিৰেও জাণ্টোই ভালেটিও সৎকাম সাধন কৰিছিল। ক্ৰমে ক্ৰমে এই সমিতিৰ যশ-সৌৰভ পেন্‌ছিল্‌ভেনীয়া প্ৰদেশৰ চাৰিওপিনে বিয়পি গ'ল। সেই প্ৰদেশত বাজেও পিচত আমেৰিকা উপনিবেশৰ বহুত ঠাইত এই জাণ্টোৰ চানেকীৰে অনেক হিতকৰী সমিতি স্থাপিত হৈছিল। অইন কি, কালত ইয়াৰ ঢৌৱে সুদূৰ ইংলণ্ডৰ উপকূলো স্পৰ্শ কৰিছিল।

জাণ্টো সমিতিৰ সংস্পৰ্শত অহা সময়তে বেঞ্জামিনে লেটিন, ফ্রেঞ্চ, স্পেনীয় আৰু ইটালীয় ভাষা শিক্ষা কৰে। জাণ্টোত আলোচনা কৰা বা পঢ়া কিতাপবিলাকৰ ভিতৰত বহুত ঠাঁই ঠাঁই লেটিন, ফ্রেঞ্চ আদি ভাষাৰ বাক্যাংশ পাইছিল। বিদেশী ভাষাত অভিজ্ঞতা নথকাৰ কাৰণে সমিতিৰ কোনো সভ্যই সেই বিলাকৰ অৰ্থ নুবুজিছিল। এই অসুবিধা দূৰ কৰিবৰ কাৰণে বেঞ্জামিনে নিজ চেষ্টাত ওপৰত উল্লেখ কৰা ভাষা কেইটা এটা এটাকৈ আয়ত্ত কৰি পেলালে। ভিডিলৈকে শোতগ্ৰে থকা কামৰ ভিতৰতো বেঞ্জামিনে সেই কঠিন ভাষাবিলাক শিকিবলৈ সময় পাইছিল ক'ত লেইহে অতি আচৰিত কথা। এই প্ৰসঙ্গত এইকথা স্বীকাৰ কৰিব লাগিব যে, তেওঁ কঠোৰ পৰিশ্ৰমী আছিল আৰু উত্তম পঠনপ্ৰণালী জানিছিল। তেওঁ ধনিষ্ঠামানো আজৰি সময় অবাবত নকটাইছিল। সাধাৰণ মানুহে জিৰণিলোৱা বুলিলে এলেহুৱা হৈ বহি থকাটোকে বুজে; কিন্তু কৰ্ম্মবীৰ সকলে এই বিশ্ৰামৰ সময়তে জীৱনৰ একোটি লাগতিয়াল কৰ্ম্ম সাধন কৰি লয়।

# সুখৰ দিন

## পেনছিলভেনীয়া গেজেট আৰু দৰিদ্ৰ ৰিচাৰ্ডৰ পঞ্জী

বেঞ্জামিনে ছাপাখানা কৰওঁতা সময়ত ফিলাডেলফিয়াত দুখন সাপ্তাহিক পত্ৰিকা আছিল। এখন কীমাৰৰ দ্বাৰা চালিত 'পেন্‌ছিল্‌ভেনীয়া গেজেট'; সিখন ব্ৰেডফোৰ্ডৰ 'মাৰ্কুৰি'। দুয়োখন কাকতেই কাকত নামৰ উপযুক্ত নাছিল। ব্ৰেডফোৰ্ডৰ খনতকৈও কীমাৰৰখন তেনেই অকাজভাগী আছিল। বেঞ্জামিনে মেৰেডিথৰ লগত আলোচনা কৰি এখন ভাল বাতৰি কাকত উলিয়াবলৈ দিহা কৰিলে। মেৰেডিথ বেঞ্জামিনৰ বাতৰি কাকত চলোৱা অভিজ্ঞতাৰ বিষয়ে সুপৰিচিত আছিল; সেই কাৰণে তেওঁ বেঞ্জামিনৰ সেই কথাত মত দিলে।

কাকত প্ৰকাশ কৰাৰ আগতে বেঞ্জামিনে কীমাৰৰ গেজেটক ঠাট্টা কৰি আৰু তাৰ তীব্ৰ সমালোচনা কৰি মাৰ্কুৰিত কেইবাটাও প্ৰবন্ধ লিখিছিল। কিন্তু প্ৰবন্ধবিলাকত তেওঁৰ আচল নাম নিদি......(busybody) বুলি এটা কাল্পনিক নামহে স্বাক্ষৰ কৰিছিল। বেঞ্জামিনৰ সমালোচনামূলক প্ৰবন্ধবিলাক পঢ়ি কীমাৰৰ কাকতলৈ সৰ্ব্বসাধাৰণৰ মনত এটা স্বাভাৱিক বিতৃষ্ণাৰ ভাব জন্মিল আৰু তেওঁৰ গ্ৰাহক সংখ্যা লাহে লাহে

কমি গৈ ৯০ জনতহে পৰিল। ফিলাডেলফিয়াৰ পাঠক সমাজে অনুসন্ধানৰ ফলত আমাৰ কাল্পনিকনামা সমালোচকক বিচাৰি উলিয়ালে; পাচলৈ কীমাৰেও এই কথাৰ গম পালে।

কীমাৰে দেখিলে যে, তেওঁৰ কাকতৰ অৱস্থা দিনে দিনে হীন হৈ আহিছে। তেওঁ এদিন বেঞ্জামিনৰ ওচৰলৈ গৈ তেওঁক পেন্‌ছিল্‌ভেনীয়া গেজেটৰ স্বত্ব কিনিবলৈ অনুৰোধ কৰিলে। বেঞ্জামিনে ততালিকে উচিত মূল্য দি কীমাৰৰ গেজেটৰ স্বত্ব কিনি ললে আৰু তাৰ পাচত তাক নতুন উদ্যমেৰে চলাবলৈ ধৰিলে। কৈশোৰ বয়সতে তেওঁ কেনে নিৰ্ভীকভাৱে নৈতে গভৰ্ণমেণ্টৰ লগত বিৰুদ্ধতা আচৰণ কৰিও কাকত চলাইছিল, তাক যথাস্থানত কৈ অহা হৈছে। এতিয়া তেওঁ যৌৱনকালত অধিকতৰ অভিজ্ঞতাৰ গৰাকী হৈ কিমান দক্ষভাৱে নৈতে কাকত চলাব, তাক বহলাই কব নেলাগে। সোনকালে তেওঁৰ কাকতে জনসাধাৰণৰ মন আকৰ্ষণ কৰিলে আৰু গ্ৰাহকৰ সংখ্যা নিতৌ বাঢ়ি যাবলৈ ধৰিলে। তেওঁ সেই সময়ত এনে কিছুমান কঠিন ৰাজনৈতিক সমস্যাৰ সুচিন্তিত সমাধান কৰিছিল যে, সেই সূত্ৰত বহুত খ্যাতনামা ৰাজকৰ্ম্মচাৰী তেওঁৰ লগত চিনাকি হয়।

বাতৰি কাকতৰ সম্পাদক হিচাবে তেওঁৰ যশস্যা লগৰ বিয়পিপৰা সময়তো আৰু দিনে দিনে তেওঁৰ আৰ্থিক অৱস্থাৰ উন্নতিৰ মুখ দেখাতো তেওঁ কঠোৰ পৰিশ্ৰম নেৰিছিল। নিজে ঠেলাৰ গৰা ঠেলাগাৰীত তুলি উকা কাকতবিলাক ছাপা-খানালৈ আনিছিল আৰু ছাপাখানাৰ ওবে দিন ছাপাখানা

পৰিশ্ৰম কৰিছিল। তেতিয়াও তেওঁ অইনৰ নিচিনা মুকলিমূৰে ধন খৰচ নকৰিছিল; খোৱালোৱাত অতি সাৱধানে চলিছিল।

তেওঁৰ অংশীদাৰ মেৰেডিথ বেচি দিন মিতাহাৰী হৈ থাকিব নোৱাৰিলে। লাহে লাহে তেওঁ মদত ধৰি অৱশেষত দোৰ্ঘোৰ মদপী হৈ উঠিল। বেঞ্জামিনে সাধ্যমতে চেষ্টা কৰিও তেওঁক পুনৰ শুধৰাব নোৱাৰিলে। ইপিনে, মেৰেডিথৰ বাপেকেও বাকী টকাৰ কিস্তি শোধাবৰ সময়ত ধন দিবলৈ অসমৰ্থ হল; অৱশেষত মেৰেডিথে নিজ ইচ্ছামতে অংশ-স্বত্ব এৰি দিবলৈ ৰাজি হল। নিয়মমতে লিখা-পঢ়া কৰি মেৰেডিথে ছাপাখানাৰ স্বত্ব ত্যাগ কৰিলত, বেঞ্জামিন অকলে ছাপাখানাৰ স্বত্বাধিকাৰী হল। তেওঁ নিজ পাৰদৰ্শিতা আৰু উদ্যমৰ গুণত ফিলাডেলফিয়াৰ ভিতৰত অগ্ৰগণ্য মুদ্ৰাকৰ হৈ উঠিল। কীমাৰৰ ব্যৱসায় দিনক দিনে পৰি যাবলৈ ধৰিলে; পাচত তেওঁ ব্যৱসায় এৰি দিবলৈ বাধ্য হল। ব্ৰেডফোৰ্ডেও বেঞ্জামিনৰ লগত প্ৰতিযোগিতাত টিকিব নোৱাৰাত তেওঁৰ নাম তল পৰিল।

এই সময়তে ১৭৩০ খৃষ্টাব্দৰ ১লা চেপ্টেম্বৰ তাৰিখে তেওঁ আগেয়ে উল্লেখ কৰি অহা কুমাৰী ডেবোৰা ৰীডক বিধিমতে বিয়া কৰায়।

আমেৰিকাৰ প্ৰত্যেক মুদ্ৰাকৰে নিজে প্ৰকাশ কৰা পঞ্জিকা একোখন আছিল। কিন্তু তেওঁলোকৰ পঞ্জিকা মনত নলগা আৰু স্থান বিশেষে নানা দোষ-ত্ৰুটি আছিল। বেঞ্জামিনে

এখন বাছকবনীয়া আৰু কামৰ উপযোগী পঞ্জিকা প্ৰকাশ কৰিব খুজিলে। তেওঁ তাক সম্পূৰ্ণ নতুন আকাৰে কৰিবলৈ মন কৰিলে। তেওঁ মনত আলচা কথাটো জাণ্টো সবিস্তৰ প্ৰকাশ কৰিলে। জাণ্টোৰ পণ্ডিতসকলে একমতে বেঞ্জামিনৰ সেই কথাত সম্মতি দিলে। ১৭৩২ খৃষ্টাব্দত বেঞ্জামিনে তেওঁৰ অভিপ্ৰেত পঞ্জিকা প্ৰকাশ কৰিলে। এই পঞ্জিকা প্ৰকাশ তেওঁৰ জীৱনৰ এটা প্ৰধান ঘটনা। ইয়াৰ পৰাই তেওঁৰ জীৱনৰ এটা নতুন অধ্যায় আৰম্ভ হল। তেওঁ সেই পঞ্জিকাখন নিজৰ নামত প্ৰকাশ নকৰি ‘ৰিচাৰ্ড’ নামে এটা কাল্পনিক নামত প্ৰকাশ কৰিছিল। সময়ত তেওঁৰ পঞ্জিকাৰ বহুল প্ৰচাৰ হোৱাত সৰ্ব্ব সাধাৰণে ইয়াক “ দৰিদ্ৰ ৰিচাৰ্ডৰ পঞ্জী” বুলিছিল।

তেওঁৰ পঞ্জিকা-পত্ৰিকা প্ৰকাশ হোৱা মাত্ৰকে ই সকলোৰে শ্ৰদ্ধা আকৰ্ষণ কৰিলে আৰু অলপ সময়ৰ ভিতৰতে আশাতীত ৰূপে বেচা গল। তেওঁৰ পঞ্জিকাৰ এনে আদৰ বঢ়া দেখি তাত আৰো এফেৰি নতুনত্ব সমাবেশ কৰিবলৈ মন কৰিলে। তাত কিছুমান সাৰুৱা নীতিবচন দিবলৈ ইচ্ছা কৰিলে। যিবিলাক নীতিবচনে সৰ্ব্বসাধাৰণক পৰিশ্ৰমী, মিতব্যয়ী আৰু অৰ্থশালী হবলৈ উদগনি দিয়ে, তেনেকুৱা বিলাক নিজে ৰচনা কৰি তেওঁৰ পঞ্জিকাত দিবলৈ ধৰিলে। এতিয়া তেওঁৰ পঞ্জিকা শিক্ষাপ্ৰদ আৰু অতি চিত্তাকৰ্ষক হৈ উঠিল আৰু পাঠক সমাজত তাৰ দ্বিগুণে আদৰ বাঢ়িল। তেওঁৰ সেই সুলিখিত, সুচিন্তিত আৰু আপোন জীৱনত অভিজ্ঞাত নীতিবচনবিলাকে মানুহৰ মন

এনেদৰে আকৰ্ষণ কৰিছিল যে, তাৰ একণিমান ঔকা ঠাইতো নীতিবচন লিখিবাকে শুদাই নেৰা হল। দৰিদ্ৰ ৰিচাৰ্ডৰ পঞ্জীত প্ৰকাশিত হোৱা নীতিবচনৰ গোটাচেৰেক আমি আগেয়ে উল্লেখ কৰি আহিছোঁহঁক ; চানেকী স্বৰূপে ইয়াত কিছু দিয়া হল :—

১। হেৰোৱা সময় পুনৰ পোৱা নেযায়। হাতত থকা "যথেষ্ট সময়' সদায় নিচেই তাকৰহে দেখা যায়। *

২। পৰিশ্ৰম আশা নিৰপেক্ষ ; যি আশাৰ দাস, তাৰ উপবাস।

৩। যিটো কাম আজি কৰিব পৰা, তাক কেতিয়াও কালিলৈ নেৰিবা।

৪। নাদ শুকালেহে পানীৰ উপকাৰিতা বুজা যায়।

৫। ধনবান হব খুজিলে উপাৰ্জ্জন আৰু সঞ্চয় এই দুয়োটা পথ চিন্তিবা।

৬। এটা সৰু ছিদ্ৰৰ পৰাই প্ৰকাণ্ড জাহাজ ডুবি যায়।

৭। 'অনেক ক্ষুদ্ৰই এটা বিৰাটৰ সৃষ্টি কৰে।

৮। এপইচা সঁচা মানে এপইচা অৰ্জ্জা—( অৰ্থাৎ যিখিনি সঁচা হয়, তাকেহে আৰ্জ্জন বুলিব পাৰি )।

৯। সময়েই ধন।

১০। পৰিশ্ৰমৰ বলতহে ঋণ পৰিশোধ হয় ; হতাশতাই ঋণ বঢ়ায়হে।

* What we call time enough proves little enough.

১১। অল্পকালেই মানুহৰ কোনো লাভজনক কাম কৰিবৰ সময়।

১২। এলেহুৱা হ'বলৈ লাজ কৰিবা।

১৩। যদি তুমি দুৰ্ব্বল, অথচ তোমাৰ কৰিবলৈ লোৱা কাম সৰহ আছে, তেন্তে তুমি তাত লেবানেপেবাকৈ লাগি থাকিবা; তেতিয়াহে তুমি ধৈৰ্য্যগুণৰ মোল বুজিবা।

১৪। পৰিশ্ৰম আৰু ধৈৰ্য্যই কৰ্ম্মসাধনৰ মূলমন্ত্ৰ।

এনেবোৰ জ্ঞান-গৰ্ভ কথাই তেওঁৰ পঞ্জীৰ মূল্য বঢ়াইছিল আৰু সি সমগ্ৰ আমেৰিকা উপনিবেশত তেওঁৰ নাম আৰু যশস্যা বিয়পাই দিছিল। আমেৰিকাৰ প্ৰত্যেক বাতৰি কাকতত তেওঁৰ নীতিকথাবিলাক প্ৰকাশিত হ'বলৈ ধৰিলে। অইনকি, সুদূৰৱস্থিত সুসভ্য ইংলণ্ডবাসীয়েও সেইবোৰ গৃহ-ধৰ্ম্মৰ নীতিবচনৰূপে কাকতত ছপাই বেৰত আঁৰি ৰাখিছিল। তেওঁৰ এই পঞ্জিকাখন ২৫ বছৰ সুখ্যাতিৰে চলিছিল আৰু বছৰি গড়ে ১০ হেজাৰখনকৈ বেচা গৈছিল। ইপিনে তেওঁৰ গেজেটখনৰ পৰাও বহুত আয় হৈছিল। এই প্ৰকাৰে তেওঁৰ প্ৰচুৰ অৰ্থাগম হ'বলৈ ধৰিলে।

ইমান দিনে ফ্ৰেংকলিনে নিজৰ জন্মভূমি বোষ্টন নগৰৰ মাৰকে লোৱা নাছিল। ১৭৩৫ চনত তেওঁৰ বুঢ়া মাক-বাপেকক দেখা কৰিবৰ মনেৰে এবাৰ বোষ্টন নগৰলৈ যায় আৰু উভতি আহোঁতে নিউপোৰ্ট নগৰত থকা তেওঁৰ ককায়েক 'জেমচ্‌ক' দেখা কৰে। সেই-সময়ত জেমচে এখন ছাপাখানা চলাইছিল।

বেঞ্জামিনে দেখা কৰা সময়ত জেম্‌চৰ শাৰীৰিক অৱস্থা তেনেই শোচনীয় আছিল। অন্তিম সময়লৈকো তেওঁৰ আৰু অধিক দিন নাছিল। তেওঁ বেঞ্জামিনলৈ পূৰ্ব্বৰ সেই খিয়াল-খোপ এৰিছিল। এইবাৰ বেঞ্জামিনক দেখা মাত্ৰকে তেওঁ চেনেহেৰে আলিঙ্গন কৰিলে আৰু উভয়ে পুনৰ্ব্বাৰ ভ্ৰাতৃভাৱে মিলন হল। জেম্‌চে নিজৰ দহ বছৰীয়া লৰা এজনৰ আশ্ৰয় ভাৰ গ্ৰহণ কৰি ছাপাখানাৰ ব্যৱসায় শিকাবলৈ অনুৰোধ কৰিলে। জেম্‌চৰ মৃত্যুৰ পাচত তেওঁৰ অনুৰোধ মতে সেই ল'ৰাজনক নিজৰ ঘৰত নিজ পোৰ দৰে ৰাখি ব্যৱসায় শিকাইছিল।

---

## চৰিত্ৰ সংশোধন

বেঞ্জামিনৰ জীৱনৰ এই অধ্যায়টো অতি লাগতিয়াল। ইয়াত তেওঁৰ নৈতিক আৰু আধ্যাত্মিক জীৱনৰ বিষয়ে দুইআষাৰ মান কোৱা হব। ধৰ্ম্ম বিষয়ত তেওঁ যে যৌৱনৰ প্ৰাৰম্ভৰ পৰা স্বাধীনচেতা আছিল, তাক আগেয়ে উল্লেখ কৰি আহিছোঁ। এই বিষয়ৰ স্বাধীন চিন্তাই তেওঁক লাহে লাহে তেওঁৰ এই স্বাধীন মত স্বেচ্ছাচাৰিতাত পৰিণত হব খুজিছিল। নিজে অতি সূক্ষ্মদৰ্শী আৰু দৃঢ়মনা নহলে আধ্যাত্মিকতাৰ সূক্ষ্ম আৰু

আয়াসলভ্য ৰাজ্যত প্ৰৱেশ কৰা অতি দুৰূহ। অধুনাতন ভাৰতৰ ধৰ্ম্মগুৰু পূজ্যপাদ স্বামী বিবেকানন্দই কৈছে,—"ধৰ্ম্ম সাধনলৈ আগবাঢ়ি শতকৰা আশীজন 'জুৱাচোৰ' আৰু পোন্ধৰজনমান বাতুল হয়; বাকী পাঁচজনমানেহে মাথোন পূৰ্ণ সত্য লাভ কৰি কৃতাৰ্থ হয়।"

বেঞ্জামিন ইংলণ্ডৰপৰা ঘূৰি আহোঁতে জাহাজৰ ওপৰত বহি তেওঁৰ আধ্যাত্মিক জীৱনৰ ভূত ভবিষ্যৎ কথা ভাবি অনুতপ্ত হৈছিল। তেওঁৰ মত অনুসৰণ কৰি কেইজন ডেকাই যে জীৱন-তৰি থিৰ ৰাখিব নোৱাৰি উন্মাৰ্গগামী হ'ল আৰু তেওঁ যে কি এক অচিন্ত্যপূৰ্ব্ব অভিনৱ স্বেচ্ছাচাৰিতাৰ লগত দ্ৰুতপদে আগবাঢ়ি গৈছে, তেতিয়াহে তাক বুজিব পাৰিলে। তেওঁৰ বিবেকবুদ্ধি ইচ্ছাৰ বিৰুদ্ধে কেৰপাতি উঠিল। সুদীৰ্ঘ তিনিমাহকাল 'বাৰ্কছায়াৰ' জাহাজৰ ডেকত বহি তেওঁৰ ভবিষ্যৎজীৱন কিৰূপে চলাব তাৰ এটা কাৰ্য্যপ্ৰণালী নিৰ্ণয় কৰি ল'লে; আৰু তেওঁ সজ বাটেদি চলিবলৈ কিছুমান আত্ম উপদেশ গঢ়ি ল'লে। তেওঁ নাস্তিক্য-বুদ্ধি এৰি সৰ্ব্বজন আচৰিত নিয়মিত ধাৰ্ম্মিক জীৱন যাপন কৰিবলৈ বুলি নিজ ব্যৱহাৰৰ কাৰণে এখন উপাসনা-পদ্ধতি পুথি ৰচনা কৰি উলিয়ালে।

ইয়াৰ চাৰি বছৰ মানৰ পাচত—বোধহয় ১৭৩০ খ্ৰীষ্টাব্দত তেওঁৰ চৰিত্ৰৰ ভিত্তি আৰু শকত কৰিবৰ কাৰণে কৰ্ত্তব্যৰ টজালি বাঢ়ি লাগিল। তেওঁ দেখিলে যে, কেৱল 'চৰিত্ৰ-গঠন

কৰিব’ বুলি মনতে ভাবি থলেই কাম নিসিজে; তাৰবাবে অবিৰাম চেষ্টা লাগে। মানুহে যিটো সদ্গুণ আৰ্জিব খোজে তাৰ বিপৰীত দোষটো পৰাস্ত কৰিব লাগে। যেনে:—সৎসাহস উপাৰ্জন কৰিব লাগিলে ভীৰুতা দমন কৰিব লাগে। এই দৰে কিছুমান সদ্গুণৰ গৰাকী হব পাৰিলেহে নৈতিক চৰিত্ৰৰ ভেটি শকত হয়। তেওঁ আৰু এটা কথালৈ মন কৰিলে যে, ভিন্ ভিন্ লোকে প্ৰত্যেকটো নৈতিক গুণৰ অৰ্থ বেলেগকৈ ধৰিছে; কোনোজনে বা এটা তেনেকুৱা গুণৰ ভাবাৰ্থ বহলতো দিছে; কোনোৱে বা তাতকৈ কম দিছে। উদাহৰণ স্বৰূপ ‘মিতাচাৰ’ শব্দটোৰে অৰ্থ কোনোৱে খোৱালোৱাতে আবদ্ধ ৰাখিছে; কোনো কোনোৱে তাত বাজেও সকলো প্ৰকাৰৰ আমোদ-প্ৰমোদ, ইচ্ছা-অভিলাষ প্ৰভৃতি মিতব্যৱহাৰকে বুজাইছে। এনেবোৰ অৰ্থ-পাৰ্থক্যৰ বেমেজালি মাৰিবৰ কাৰণে তেওঁ প্ৰত্যেকটো নৈতিকবৃত্তিৰ অৰ্থ অলপ কথাৰে প্ৰকাশ কৰিলে আৰু নিজে অভ্যাস কৰিবৰ কাৰণে ১৩টি তেনেকুৱা অতি লাগতিয়াল নৈতিকবৃত্তি বাচি ললে।

১। মিতাহাৰ।—লৰচৰ কৰিব নোৱাৰাকৈ নেখাবা; মতলীয়া হোৱাকৈ পান নকৰিবা।

২। মৌন।—যাৰ দ্বাৰা নিজৰ বা আনৰ উপকাৰ হয়, তাতকৈ বেচি কথা নকবা। বৃথা আলাপ পৰিহাৰ কৰিবা।

৩। পৰিপাট্য।—তোমাৰ সকলো বস্তু যথাস্থানত থকা; তোমাৰ কাৰ্য্যৰ প্ৰতি অংশৰ এটি নিৰ্দ্দিষ্ট সময় কৰি দিবা;

৪। প্ৰতিজ্ঞা।—যি কাম কৰিব লাগিব তাক সমাপন কৰিবলৈ দৃঢ় প্ৰতিজ্ঞা কৰা। যিটো কৰিবলৈ সংকল্প কৰা তাক কৰিছে এৰিবা।

৫। মিতব্যয়িতা।—নিজৰ আৰু আইনৰ হিতসাধনত বাহিৰে আন কাৰ্য্যত অৰ্থব্যয় নকৰিবা। অৰ্থাৎ সমূলি অপব্যয় নকৰিবা।

৬। পৰিশ্ৰম।—সময় নষ্ট নকৰিবা। কোনো আৱশ্যকীয় কামতহে ব্যস্ত থাকিবা। অনাৱশ্যকীয় কামৰ পৰা সততে আঁতৰত থাকিবা।

৭। বিশ্বাস।—ভণ্ডামি নকৰিবা; ন্যায় আৰু সৎ চিন্তা কৰিবা। কিবা ক'বলগীয়া হলে তাক (উদাৰ চিত্তেৰে) পোনপাকে কৰা।

৮। ন্যায়পৰায়ণতা।—কুকৰ্ম্মৰ বাবা নাইবা নিজ কৰ্ত্তব্য বুলি জানিও আইনৰ উপকাৰ সাধনত বিৰত থাকি কাকো অন্যায় নকৰিবা।

৯। মিতাচাৰ।—(সকলো বিষয়তে) অতিশয়তা পৰিত্যাগ কৰিবা। আৱশ্যক দেখিলেও খঙৰ বেগত কোনো অনিষ্ট কৰিবলৈ আগ নেবাঢ়িবা।

১০। নিৰ্ম্মলতা।—শৰীৰ, সাজপাৰ আৰু থকা ঠাইৰ মলিনতা নিথিনাই নেথাকিবা।

১১। শান্তি প্ৰিয়তা।—হোক সাৰিৰ|নোৱাৰা বা সাধাৰণ ঘটনা খিলাকত, নাইবা অতি ক্ষুদ্ৰ কাৰণত কেতিয়াও ধৈৰ্য্য নেহেৰুৱাবা।

১২। পবিত্ৰতা।

১২। বিনয়।—যীশু আৰু চক্ৰেটীছকে অনুকৰণ কৰা। ওপৰত দিয়া নীতিবচনৰ তালিকাটো আৱশ্যকতাৰ ক্ৰম অনুসাৰে সজোৱা হৈছে। তেওঁ দেখিলে যে, একে সময়তে আটাইবোৰ নীতি অনুসৰণ কৰাটো সম্ভৱপৰ নহয়; এটা এটাকৈ আয়ত্ত কৰাহে যুক্তিসঙ্গত। গোনতে তেওঁ 'মিতাহাৰ' নীতিটোতে মনোযোগ দিলে। তেওঁ যদি এই গুণটি প্ৰথমে সম্পূৰ্ণৰূপে লাভ কৰিব পাৰে, তেন্তে তেওঁৰ মগজু শীতল থাকিব আৰু আন চৰিত্ৰৰ খুঁতবিলাক ধৰিবলৈ আৰু সহজে শুধৰাবলৈ সক্ষম হব। এই প্ৰণালীৰে কেইটামান সদগুণ অধিকাৰ কৰিব পাৰিলে আন আন দুৰ্বৃত্তি বিলাকৰ শক্তি কমি যাব। যাতে তেওঁ এই নীতিবিলাক পৰিপাটীকৈ পালন কৰিব পাৰে আৰু সেই কামত কিমান কৃতকাৰ্য্য হল তাক আত্ম-পৰীক্ষা কৰি চাব পাৰে, তাৰে এটা উৎকৃষ্ট উপায় উদ্ভাৱন কৰিলে।

তেওঁ এটা উকা বহি লৈ তাৰ প্ৰত্যেক পৃষ্ঠা বঙা চিয়াহিৰে থিয়ৈ পাঁচ সাৰি সাতোঁটা ঘৰত ভাগ কৰি ললে আৰু পথালি ৰেখাৰে তেৰটা ঘৰ কৰি ললে। থিয় ঘৰ কেইটাত সপ্তাহৰ সাতবাৰৰ নাম লিখিলে আৰু পথালি ঘৰবিলাকত অভ্যাস কৰিবলৈ লোৱা প্ৰতিটো নীতিৰ আদি আখৰটো লিখিলে। উল্লেখিত কোনো নীতিৰ বিৰুদ্ধে কোনো কাম নকৰে বুলি সঙ্কল্প কৰি তেওঁ চৰিত্ৰ গঠন কাম আৰম্ভ কৰিলে। সপ্তাহৰ যিদিনাখনে কোনো এটা নীতিৰ বিৰুদ্ধে গৰ্হিত কাম কৰে সেই

নীতিৰ সেই দিনাৰ নিৰ্দ্দিষ্ট স্থানত এটা ক'লা দাগ দিয়া কৰিলে।

সেই দৰে সজাই লোৱা বহিখনৰ প্ৰত্যেকটো পিঠি এটা নিৰ্দ্দিষ্ট নীতিৰ বিশেষ ব্যৱহাৰৰ কাৰণে ৰখা হল। এনেকৈ বহিৰ প্ৰথম পৃষ্ঠাটো সবিশেষভাৱে প্ৰথম নীতি 'মিতাহাৰ'ৰ কাৰণে ৰাখিলে। প্ৰথম সপ্তাহত তেওঁ মিতাহাৰত বিশেষ মনোযোগ দিলে। সেই সপ্তাহত যাতে মিতাহাৰৰ ঘৰত কদাপি কোনো ক'লা দাগ নপৰে তালৈ বিশেষ চকু ৰাখিলে আৰু আনবিলাক নীতিৰ বিৰুদ্ধে যাতে কোনো গৰ্হিত কাৰ্য্য নহয় তালৈও পাৰ্য্যমানে চকু ৰাখিলে। মিতাহাৰৰ বাহিৰে আন নীতিৰ কেতিয়াবা কিবা দোষ ঘটিলে তাক গধূলি যথাস্থানত ক'লা দাগ দি ৰাখে। এই দৰে প্ৰথম সপ্তাহৰ আৰব্ধ নীতিত কৃতকাৰ্য্য হলত দ্বিতীয়টোত মন দিলে। সেই সপ্তাহত প্ৰথম আৰু দ্বিতীয় দুয়োটাতে সমানভাৱে চকু দিলে। এই দৰে তেৰ সপ্তাহত সমুদায় নীতিৰ এবাৰ সম্পূৰ্ণৰূপে কাম হয় আৰু এবছৰত আটাইকেইটাৰ চাৰিবাৰ সম্পূৰ্ণ অনুশীলন হয়।

এনেকুৱা বৈজ্ঞানিক ভিত্তিত সংস্থাপিত উপায়ৰ দ্বাৰা চৰিত্ৰ গঠন কাৰ্য্যত বেঞ্জামিন দিনে দিনে আগবাঢ়ি যাবলৈ ধৰিলে। ভগৱানেই সকলো কাৰ্য্যৰ গুৰি আৰু সকলো জ্ঞানৰ উৎস বুলি জানি তেতিয়াৰ পৰা তেওঁ ভগৱানৰ উপাসনাক নিত্য নৈমিত্তিক কাৰ্য্য তালিকাভুক্ত কৰি ললে। যাতে তেওঁ পূৰ্ব্বৰ দৰে চিৰন্তন ঈশ্বৰ বিশ্বাসৰ পৰা বিচলিত নহয় তালৈ তীক্ষ্ণ দৃষ্টি [illegible]।

# বিবিধ লোকহিতকৰ কাৰ্য্য।

বাতৰি কাকতৰ সম্পাদক হিচাবে তেওঁৰ নাম চাৰিওপিনে বিয়পি পৰিলত আৰু নিজৰ আৰ্থিক অৱস্থা স্বচ্ছল হৈ আহি-লত তেওঁ এতিয়া ফিলাডেলফিয়া নগৰৰ সমৃদ্ধিৰ অৰ্থে সংকাম হাতত লবলৈ সুবিধা পালে। ১৭৩৬ খৃষ্টাব্দত তেওঁ পেন-ছিল্‌ভেনীয়া প্ৰদেশৰ জেনেৰেল এছেম্ব্লিৰ কেৰাণী কামত সোমায়। এয়ে তেওঁৰ ৰাজকীয় কাৰ্য্যত প্ৰথম প্ৰবেশ। ইয়াৰ পিচ বছৰত তেওঁ ফিলাডেলফিয়াৰ পোষ্টমাষ্টাৰ হয়।

ইয়াৰ পিচত তেওঁ জাণ্টো সমিতিৰ সহযোগত এটা এটাকৈ ফিলাডেলফিয়া নগৰৰ অভাব অভিযোগবিলাক দূৰ কৰে। সেই সময়ত ফিলাডেলফিয়া নগৰ বহুত বিষয়ত পিচ পৰা আছিল। নগৰত পুলিচৰ ৰাতি পহৰা দিয়া ভাল বন্দবস্ত নাছিল; বাট-ঘাট বিলাক কেঁচা আছিল। তেওঁৰ যত্নতে পুলিচে পহৰা দিয়া নিয়মৰ সংস্কাৰ সাধিত হয়, আৰু বাটবিলাক পকা কৰা হয়। তেতিয়াও ফিলাডেলফিয়াৰ মানুহ পকা বাটৰ উপকাৰিতালৈ আওকণীয়া আছিল। জাণ্টো সমিতিত ইয়াৰ আলোচনা কৰি তেওঁৰ গেজেটত এই বিষয়ে লিখিলে আৰু নিজে নগৰীয়া মানুহৰ ঘৰে ঘৰে গৈ পঁচা তুলিলে। প্ৰথমতে এচোৱা বাট বান্ধি তাৰ উপকাৰিতা ৰাইজক দেখুৱালে; অৱশেষত গোটেই

নগৰত পকা বাট হল আৰু চৌৰাস্তা বিলাকত চৌকি দিয়াৰ বন্দবস্ত হল।

নগৰত মাজে মাজে ঘৰত জুই লাগি মানুহৰ বহুত অৰ্থ-সম্পত্তি হানি হৈছিল। তেতিয়ালৈকে এই ভয়ানক বিপদৰ প্ৰতিকাৰৰ উপায় কোনেও কৰা নাছিল। বেঞ্জামিনৰ পৰামৰ্শ মতে আৰু জাণ্টো সমিতিৰ চেষ্টাত সৰ্ব্বপ্ৰথমে ফিলাডেলফিয়াত 'অগ্নি নিৰ্ব্বাপক' সমিতি স্থাপিত হয়। সেই প্ৰথম দলক অনুকৰণ কৰি পাচত দলে দলে 'অগ্নি-নিৰ্ব্বাপক' সমিতিৰ সৃষ্টি হবলৈ ধৰিলে।

ওপৰত উল্লেখ কৰা বিধৰ আৰু সৰুসুৰা বহুত কাম তেওঁৰ মস্তিষ্ক-প্ৰসূত আৰু সেইবিলাক তেওঁৰ যত্নত হৈ উঠিছিল। তেওঁৰ উদ্যোগত সাধিত হোৱা দুটা কাম বিশেষ উল্লেখযোগ্য। তাৰে এটা ফিলাডেলফিয়া নগৰত বিশ্ববিদ্যালয় আৰু পেনছিল্‌ভেনীয়া উপনিবেশত সৈন্যবলৰ সৃষ্টি।

পেনছিল্‌ভেনীয়া প্ৰদেশত এখন উচ্চশ্ৰেণীৰ বিদ্যালয়ৰ অভাব বিশেষকৈ বেঞ্জামিনে বহুত দিনৰ পৰা অনুভৱ কৰি আহিছিল। শিক্ষাৰ অভাৱত বহুত প্ৰতিভাশালী ডেকা লৰাৰ প্ৰতিভা অংকুৰে মৰি যোৱা দেখি তেওঁ জাণ্টো সমিতিত এই কথাৰ উল্লেখ কৰিলে, কিন্তু দুই একনৰ বাহিৰে কোনেও এই প্ৰস্তাৱৰ পক্ষ নললে। অৱশ্যে দেশৰ তেনেকুৱা অৱস্থাত তেনে ব্যয় বহুল প্ৰতিষ্ঠানৰ কাৰণে অৰ্থ-সংগ্ৰহ কৰা সহজ কথা নাছিল। কিন্তু বেঞ্জামিন হতাশ নহৈ, শিক্ষাৰ উপকাৰিতা,

বিদ্যালয় স্থাপনৰ নিয়ম প্ৰণালী, তাত শিক্ষাদানৰ ব্যৱস্থা আদি আলোচনা কৰি 'পেনছিল্‌ভেনীয়াৰ যুবক সকলৰ শিক্ষা বিষয়ক প্ৰস্তাব,' নাম দি এখন পুস্তিকা প্ৰণয়ন কৰিলে আৰু তাক নিজৰ ব্যয়েৰে গোটেই উপনিবেশত প্ৰচাৰ কৰিলে। লাহে লাহে সকলো সম্প্ৰদায়ৰ সকলো প্ৰজাই শিক্ষাৰ উপকাৰিতা বুজি বৰঙনি দিবলৈ মান্তি হল। সেই উপলক্ষে পঁচিশ হেজাৰ 'ডোলাৰ'—সংগৃহীত হল। পৰিশেষত, ফ্ৰেংকলিনৰ বিবেচনা মতে তেওঁৰ কল্পিত বিদ্যালয় হৈ উঠিল।

পেন ছিল্‌ভেনীয়া উপনিবেশ যদিও ইংৰাজ শাসনৰ তলত তথাপি তাত বিদেশী শত্ৰুৰ আক্ৰমণৰ পৰা ৰক্ষা পৰিবৰ কাৰণে সৈন্যবল নাছিল বুলিলেও হয়। সেই উপনিবেশ-কাৰী বিলাকৰ ঘোৰ শত্ৰু ফৰাচী বিলাক আৰু তাৰ আদিম অধিবাসী ৰেড ইণ্ডিয়ান বিলাকৰ আকস্মিক আক্ৰমণৰ সম্ভাবনা সততে আছিল। প্ৰজাৰ ধন-প্ৰাণৰক্ষাৰ কাৰণে স্বেচ্ছাসেৱক সৈন্যদল গঠনৰ আৱশ্যকতা তেওঁ পুস্তিকা আৰু বাতৰি কাকতৰ সহায়ত প্ৰচাৰ কৰি দিলে। এই কথা সকলোৱে হৃদয়ঙ্গম হোৱাত ফ্ৰেংকলিন প্ৰমুখ্য কেইজনমান চিন্তাশীল লোকৰ উদ্যোগত এখন বিৰাট সভা আহূত হল আৰু সেইদিনাই বাৰশ স্বেচ্ছাসেৱক সৈন্যই সেই নতুন অনুষ্ঠানত যোগ দিলে। অলপ দিনৰ ভিতৰতে অনেক মানুহে তাত যোগ দিলে আৰু চৰকাৰৰ সাহায্যত সামৰিক শিক্ষা লাভ কৰিলে।

খ্ৰীঃ ১৭৫৭ চনত তেওঁ পোষ্টমাষ্টাৰ-জেনেৰেল পদলৈ

উন্নীত হয় আৰু তেওঁৰ অধীনত থকা ডাকঘৰ বিলাকৰ লাগতিয়াল সংস্কাৰ সাধন কৰিলে।

---

# বৈজ্ঞানিক আবিষ্কাৰ

## আৰু

## দুই মহাদেশত তেওঁৰ সুখ্যাতি

ৰাজঘৰীয়া কাম আৰু অইন অইন কামৰ বোজা মূৰত থকাতো ইমান দিনে তেওঁ অব্যাহতৰূপে নিজ তত্ত্বাৱধানত ছাপাখানা খন চলাই আছিছিল। পাচত তেওঁ 'ডেভিদ হল' নামে তেওঁৰ ছাপাখানাৰ সুদক্ষ কৰ্ম্মচাৰী এজনক ছাপাখানাৰ ব্যবসায় আৰু পত্ৰিকা দুখনৰ ভাৰ বছৰি ১,০০০ পাউণ্ডত বন্দবস্ত কৰি সমৰ্পণ কৰিলে। তেওঁৰ দুটা চৰকাৰী বিষয়ৰপৰা বছৰি অন্ততঃ ৫০০ পাউণ্ড, ছাপাখানাৰ আয় আৰু আন আন ব্যবসায়ৰ পৰা হোৱা আয়—সকলো মিলি তেওঁৰ বছৰি প্ৰচুৰ উপাৰ্জ্জন হবলৈ ধৰিলে। এতিয়া তেওঁ নিশ্চিন্ত মনেৰে নানা দাৰ্শনিক চৰ্চ্চাত আৰু তেওঁৰ প্ৰিয় বিজ্ঞান বিষয়ৰ চৰ্চ্চাত সময় কটাবলৈ যথেষ্ট অবসৰ পালে। ইংলণ্ডত প্ৰকাশিত হোৱা চিন্তাশীল লিখক সকলৰ সুচিন্তিত আৰু

সুলিখিত নতুন নতুন গ্ৰন্থৰাশি আনি একান্ত মনেৰে পঢ়িবলৈ লাগিল। তেওঁ বহুত গৱেষণাৰ ফলত বৈদ্যুতিক শক্তি সম্বন্ধে এটি অতি আৱশ্যকীয় আৱিষ্কাৰ কৰে। বেঞ্জামিনৰ সময়ত বিজ্ঞান জগতত বিদ্যুতৰ কথা সম্পূৰ্ণ নতুন। তেতিয়াও ইয়াৰ বহুত তথ্য অজ্ঞাতভাৱেই আছিল। মেঘৰ লগৰ বিজুলীও যে বিদ্যুতেৰে সৈতে একে বস্তু সেই কথা বহুতে নেজানিছিল, জানিলেও প্ৰমাণৰ অভাৱত তাৰ সত্যতাত সন্দিহান আছিল। গোনতে বেঞ্জামিনে তেওঁৰ ইং ১৭৫২ চনৰ আৱিষ্কাৰৰ ফলত বৈজ্ঞানিকৰ মনৰ সেই সন্দেহ দূৰ কৰে। তেওঁৰ পৰীক্ষাটো নিচেই উজু। এদিন ডাৱৰীয়া মেঘে বিজুলীৰহাত তেওঁ পৰীক্ষাৰ উদ্দেশ্যে সজা ৰেছমৰ চিলা এখন আকাশলৈ উৰাই দিলে। চিলাৰ দণ্ডমাৰি লোৰ তাঁৰৰ আৰু ধাচ ডাল বিদ্যুৎ চলাচল কৰিব পৰা বস্তুৰে তৈয়াৰি আছিল। বিদ্যুতৰপৰা হাত নিৰাপদে ৰাখিবলৈ চিলাৰ জৰিৰ মূৰত চুকুটমান দীঘল ৰেছমৰ জৰি লগাই, মূল জৰি আৰু ৰেছমৰ জৰিৰ মাজত এটা চাবি লগাই দিছিল। যেতিয়া চিলাখন ডাৱৰৰ মাজ পালেগৈ তেতিয়া জৰিৰ মাজেদি বিদ্যুৎ প্ৰবাহ বৈ আহি চাবিৰ ওচৰ পালেহি। পাচত লাগতিয়াল পৰীক্ষাৰ দ্বাৰা তাত বিদ্যুতৰ লক্ষণবোৰ প্ৰমাণ কৰিলে। বেঞ্জামিনে এই আৱিষ্কাৰৰ কথা লণ্ডনত থকা বিজ্ঞানৰ "ৰয়াল ছোচাইটী"ৰ সভ্য এজনলৈ লিখি পঠিয়ালে। ফিলাডেলফিয়াৰ এই আৱিষ্কাৰৰ কথা ইংলণ্ডৰ প্ৰধান প্ৰধান ব্যক্তি কাকতৰ পিঠিত উঠিল। ইয়াৰ পাচত

ততালিকে ইংলণ্ডৰ ৰয়্যাল ছোচাইটীয়ে তেওঁক সদস্য ভুক্ত কৰি ললে। তাৰ পিচ বছৰত তেওঁ বিজ্ঞানৰ চৰ্চ্চাৰ যোগ্য পুৰস্কাৰ "কোপ্‌লি মেডেল" লাভ কৰে।

বিজ্ঞান বিষয়ত তেওঁ দ্ৰুতগতিৰে উন্নতি কৰি যাবলৈ ধৰিলে। পাচত সেই বৈদ্যুতিক আবিষ্কাৰৰ আনুসঙ্গিক কেইবাটাও সৰু সুৰা আবিষ্কাৰ কৰে। তেওঁ যি সময়ত বিজ্ঞান চৰ্চ্চাত মনোনিবেশ কৰে তেতিয়া তেওঁৰ বয়স ৪২ বছৰ। এইয়ে আচৰিত যে ইমান বয়সতো, লবা তিৰোতাৰে জকমকীয়া সংসাৰৰ চক্ৰনেমিত সোমায়ো যে তেওঁ একান্তমনীয়া ভাবে মানসিক চৰ্চ্চাত লাগিব পাৰিছিল। তেওঁৰ এই [illegible]লৈ লক্ষ্য কৰি এই সিদ্ধান্ত কৰিব পাৰি যে স্থিৰ ইচ্[illegible]আগত সকলো অৱস্থাতে সকলো কাম সুসাধ্য হয়।

তেওঁৰ নাম আৰু যশস্যা ইউৰোপ আৰু আমেৰিকা মহাদেশত বিয়পি পৰিল। দুইয়ো মহাদেশৰ খ্যাতনামা বিশ্ববিদ্যালয়বিলাকে তেওঁক অযাচিত উপাধিৰে ভূষিত কৰিবলৈ ধৰিলে। আমেৰিকাৰ ইয়েল কলেজ আৰু হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ে তেওঁক এম, এ উপাধি দিলে। এই প্ৰকাৰে আমেৰিকাৰ ইতিহাসত তেওঁ প্ৰথম শ্ৰেণীৰ দাৰ্শনিকৰূপে উল্লিখিত হল। পাচত যেতিয়া তেওঁ ৰাজদূতৰূপে বৃত হৈ ইংলণ্ড আৰু ফ্ৰেন্সলৈ যায় তেতিয়া তেওঁ ইউৰোপীয় বিশ্ব-বিদ্যালয় বিলাকৰ পৰা ডিগ্ৰী লাভ কৰে। ছেণ্ট এণ্ড্ৰুজ, অক্সফোৰ্ড আৰু এডিনবৰ্গ বিশ্ববিদ্যালয়ে তেওঁক "ডক্টৰ অৱ

লজ” উপাধি দিয়ে। তেতিয়াৰ পৰা তেওঁ সুধীসমাজত ডাক্তৰ ফ্রেঙ্কলিন নামে জনাজাত হয়। পাৰিচ নগৰৰ বিখ্যাত বিজ্ঞানপীঠে (Academy of sciences) নিউটন লিব্‌নিজ (Leibniz) প্রভৃতি বিশ্ববিশ্রুত বিজ্ঞানবীৰ সকলৰ শ্রেণীত তেওঁকো সদস্য কৰি ললে।

ৰাজদূত বেশে ইউৰোপ প্রবাসৰ সময়ত ব্রিটেন আৰু ফ্রেন্সৰ সুধীজন মণ্ডলীয়ে অতি আগ্রহেৰে তেওঁৰ লগত আলাপ পৰিচয় হৈছিল। ব্রিটেনৰ উচ্চ বংশৰ বিদ্বমণ্ডলীয়ে তেওঁক নিজৰ জন বুলি দাবি কৰি গৌৰব বোধ কৰিছিল। জাৰ্ম্মানৰ সুবিখ্যাত মনিষী কেণ্টে তেওঁক “আধুনিক সময়ৰ প্রমিথিয়চ” * বুলিছিল। জ্ঞানী মাইগ্নেটে (Mignet) তেওঁক ফিলাডেল-ফিয়াৰ ঋষি বুলি উল্লেখ কৰিছিল।

বিজ্ঞান চর্চ্চাৰ লগে লগে তেওঁৰ ৰাজনৈতিক জীৱনো সমান্তৰালভাবে চলিছিল। জীৱনৰ শেষ ভোখৰত দেশৰ কামত মনোযোগ দিব নলগীয়াহৈতেন তেওঁ বিজ্ঞান জগতক প্রভূত নতুন আবিষ্কাৰ দান কৰিব পাৰিলেহেঁতেন। কিন্তু বিজ্ঞান চর্চ্চাতকৈ দেশৰ কামে তেওঁক বেচিকৈ টলালে।

---

* প্রমিথিয়চ গ্রীকজাতিৰ এজন কল্পিত দেৱতা। এওঁ বৰ বিদ্যাবান আছিল। গ্রীক পুৰাণমতে এওঁ হেনো স্বৰ্গৰ পৰা অগ্নি চুৰ কৰি আনিছিল।

# ৰাজনৈতিক জীৱন আৰু মৃত্যু।

ডাক্তাৰ ফ্ৰেংকলিনৰ জীৱনীৰ এই অধ্যায়টো যুক্তৰাজ্যৰ জাতীয় বুৰঞ্জীৰ এটা অধ্যায় বুলিলেও ভুল নহয়। তেওঁৰ জীৱনতৰঙ্গিনীৰ এই অধ্যায় যেন ইতিহাসৰ লগত সাগৰ সঙ্গম হৈছে। এতেকে তেওঁৰ ৰাজনৈতিক জীৱনৰ বৰ্ণনা দিয়া মানে যুক্তৰাজ্যৰ ইতিহাসৰ পাত দিয়েকৰ পুনৰাবৃত্তি কৰা। তেওঁ ৰাজনৈতিক জীৱনত কি কি কৰিছিল তাৰে এটি মোটামুটি তালিকা তলত দিয়া হ'ল।

১। ২৬ বছৰ বয়সত পেনছিলভেনীয়া উপনিবেশৰ এছেম্ব্লিৰ সভ্য পদত ভৰ্ত্তি হৈ প্ৰায় ২০ বছৰ কাল সেই পদত থাকে।

২। উত্তৰ আমেৰিকাত ফ্ৰেঞ্চ আৰু ইংৰাজৰ মাজত যুদ্ধ লগা সময়ত ৰেড ইণ্ডিয়ান বিলাকৰপৰা প্ৰজাৰ ধন প্ৰাণ ৰক্ষাৰ অৰ্থে চৰকাৰৰ চেষ্টাত ৫৪০ জন স্বেচ্ছাসেৱক সেনাৰে গঠিত প্ৰজা সংৰক্ষিণী সমিতিৰ ( Committee of Public safety ) অধিনায়ক হয়।

৩। পেনছিলভেনীয়া বাসীৰ আবেদন লৈ প্ৰথম বাৰ ইংলণ্ড যাত্ৰা ( —১৭৫৭ খৃঃ )।

৪। পেনছিলভেনীয়াৰ শাসনভাৰ ব্ৰিটিশৰ হাতলৈ নিয়া আবেদন আৰু তাৰ অধিবাসী সকলৰ কৰ সমস্যা

( Problem of taxation ) লৈ ১৭৬৪ চনত দ্বিতীয় বাৰ ইংলণ্ডৰ ৰাজ সভালৈ যাত্ৰা।

৫। ইং ১৭৭৫ চনৰ আমেৰিকাৰ মহাদেশীয় কংগ্ৰেচৰ প্ৰতিষ্ঠাতা সকলৰ ভিতৰৰ এজন আৰু সেই সভাৰ সদস্য ভুক্তি।

৬। পোষ্টমাষ্টাৰ জেনেৰেল পদ।

৭। ইং ১৭৭৬ চনত সৰ্ব্বেসৰ্ব্বা ৰাজপ্ৰতিনিধি * স্বৰূপে ফ্ৰান্সৰ ৰাজদৰবাৰলৈ যাত্ৰা।

৮। ইং১৭৭৮ চনত ফ্ৰান্স আৰু আমেৰিকাৰ ভিতৰত মিত্ৰতা স্থাপনকাৰী।

৯। আমেৰিকাৰ "স্বাধীনতা ঘোষণা পত্ৰিকা" প্ৰস্তুত কৰোঁতা পাঁচজন চিন্তাশীল ৰাজনৈতিকৰ ভিতৰৰ এজন।

১০। আমেৰিকা বিপ্লৱৰ এজন প্ৰধান নেতা।

১১। 'যুক্তৰাজ্য' গঠনকাৰী সকলৰ ভিতৰৰ এজন।

এইদৰে দেশৰ কাৰ্য্যত সংশ্লিষ্ট থাকি কি যুদ্ধ, কি শান্তি সকলো সময়তে তেওঁৰ সমসাময়িক আৰু সহযোগী ৰাজনীতিজ্ঞ পুৰুষ মহামতি ওৱাছিংটনৰ সমানে ডাক্তাৰ ফ্ৰাংকলিনে আমেৰিকাবাসীৰ হৃদয় অধিকাৰ কৰিছিল। তেওঁৰ ওপৰত দিয়া কাৰ্য্যতালিকাৰ প্ৰধান প্ৰধান ছুটিমানৰ কথা উল্লেখ কৰি বৰ্ত্তমান অধ্যায় সামৰিম। আমেৰিকাৰ মুক্তিৰ কাৰণে তেওঁৰ

* Minister Plenipotentiary.

কৰ্ত্তব্যভাৰ কিমান গুৰু আছিল তাক এই সংক্ষিপ্ত অধ্যায়টিত বিশদভাবে বৰ্ণোৱা হৈছে।

প্ৰথমবাৰ তেওঁ ইংলণ্ডলৈ যায় পেন্‌ছিল্‌ভেনীয়া বাসীৰ আবেদন লৈ। পেন্‌ছিল্‌ভেনীয়া প্ৰদেশ প্ৰকৃত প্ৰস্তাবত দুজন জমিদাৰৰ সম্পত্তি আছিল। তেওঁলোকে ব্ৰিটিশ বিধি ব্যৱস্থা অনুসৰণ কৰি চলিবলৈ মান্তি হৈ তাৰ জমিদাৰী ভোগ কৰিছিল। পেন্‌ছিলভেনীয়াৰ এছেম্‌ব্লিয়ে উক্ত প্ৰদেশৰ সীমান্তত থকা গাওঁ ভূই বিলাক নিৰাপদে ৰাখিবলৈ প্ৰজাৰপৰা বৰঙণি তুলিছিল আৰু তাৰ পুঁজিত ২১৮,০০০ পাউণ্ড গোট খাইছিল। কিন্তু ওপৰত কোৱা জমিদাৰ দুজনে বৰঙণি দিবলৈ অসম্মত হ'ল। আইন কি প্ৰজা সাধাৰণৰ কাকুতি মিনতিও তেওঁলোকে দলিয়াই পেলালে। প্ৰজাসকলে তেওঁলোকৰ ওপৰত অভিযোগ কৰি বেঞ্জামিনক ইংলণ্ডৰ ৰাজ দৰবাৰলৈ পঠিয়াই দিলে। তেওঁৰ উদ্দেশ্যৰ পথত বহুত প্ৰতিবন্ধক পিয় দিছিল; কিন্তু বৰ চেষ্টাৰ ফলতহে তেওঁ কাৰ্য্য সিদ্ধি কৰিব পাৰিলে। তেওঁ এই যাত্ৰাত প্ৰায় ছবছৰ কাল ইংলণ্ডত আছিল। এই সময়ত তেওঁ ইংলণ্ডৰ ডাঙৰ ডাঙৰ বৈজ্ঞানিক, সাহিত্যিক আৰু দাৰ্শনিক সকলৰ পৰা আদৰ সম্ভাষণ পাইছিল। এই সময়তে তেওঁৰ পূৰ্ব্ব পুৰুষ সকলৰ জন্মভূমিলৈ গৈ তেওঁলোকৰ প্ৰত্যেকৰ কবৰ পৰিদৰ্শন কৰিছিল আৰু তেওঁৰ বংশৰ মানুহবিলাকৰ লগত চিনাকি হৈছিল। তেওঁৰ পৰিশ্ৰমৰ বাবে এছেম্‌ব্লিৰ পৰা ১৫ হেজাৰ ডোলাৰ পাৰিতোষিক পালে।

তেওঁ ফিলাডেলফিয়াত ডুবডুবমান থাকিবলৈ নোপাওঁতেই ঔপনিবেশিক সকলৰ প্ৰতিনিধিস্বৰূপে আকৌ এবাৰ ইংলণ্ডলৈ যাব লগাত পৰিল! এইবাৰ তেওঁৰ ছুটা উদ্দেশ্য আছিল। প্ৰথম উদ্দেশ্য,—যাতে পেনছিল্‌ভেনীয়া প্ৰদেশৰ জমিদাৰী ব্ৰিটিঃশ গভৰ্ণমেণ্টে কিনি লৈ তাৰ শাসন ভাৰ নিজে গ্ৰহণ কৰে, এই প্ৰস্তাৱ পাৰ্লিয়ামেণ্টত উপস্থাপিত কৰা। দ্বিতীয় উদ্দেশ্যটি ইয়াতকৈও ডাঙৰ আছিল। সেই সময়ত ইংৰাজ জাতিয়ে পৃথিবীৰ নানা ঠাইত যুদ্ধ কৰি অসংখ্য টকা ধাৰ লগায়। এই ধাৰৰ কিছু অংশ টকা আমেৰিকাৰ উপনিবেশকাৰী ইংৰাজ বিলাকৰ পৰাও তুলিবলৈ ব্ৰিটিঃশ পাৰ্লিয়ামেণ্টে কাৰবাৰ কৰিছিল। পাৰ্লিয়ামেণ্টত আমেৰিকাৰ কোনো সভ্য নাছিল। তেওঁলোকে, ব্ৰিটিঃশৰ মন্ত্ৰীমণ্ডলে যথেচ্ছাক্ৰমে বহুৱা কৰৰ প্ৰতিবাদ কৰি বেঞ্জামিনক প্ৰতিনিধিস্বৰূপে পঠিয়ালে। বেঞ্জামিনে আনন্দেৰে সেই ভাৰ গ্ৰহণ কৰি ইং ১৭৬৪ চনৰ ডিচেম্বৰ মাহত ইংলণ্ড পালেগৈ। বেঞ্জামিনে তাত দেখিলে যে আমেৰিকাৰ অন্যান্য উপনিবেশ বিলাকেও সেই অভিপ্ৰায়ে প্ৰতিনিধি পঠিয়াইছে।

লৰ্ড গ্ৰেণ্‌ভিল তেতিয়া ইংলণ্ডৰ প্ৰধান মন্ত্ৰী। বেঞ্জামিন প্ৰমুখ্য প্ৰতিনিধিবৰ্গৰ শত চেষ্টা সত্বেও পাৰ্লিয়ামেণ্টৰ বেচি-ভাগ সভ্যৰ সন্মতিক্ৰমে ব্ৰিটিঃশ মন্ত্ৰীমণ্ডলে আমেৰিকাবাসীৰ পৰা কৰ আদায় কৰা প্ৰস্তাৱ গ্ৰহণ কৰিলে। এই মৰ্ম্মে উপনিবেশকাৰী সকলৰ পৰা অৰ্থশোষণ কৰিবলৈ 'ষ্ট্যাম্প্

এক্ট' * নামে আইন এখন প্ৰণয়ন কৰিলে। এই আইনৰ বলত আমেৰিকাৰ পৰা বছৰি একলাখ পাউণ্ড তুলিব পাৰিব বুলি আশা কৰিছিল। তেওঁলোকে, আমেৰিকাই এই আইনৰ বিৰুদ্ধে থিয় দিব বুলি ভবা নাছিল। ইং ১৭৬৫ চনৰ নৱেম্বৰত এই আইন জাৰি কৰিবলৈ থিৰ কৰিলে। ফ্রেংকলিনে ইয়াক বন্ধ কৰিবলৈ আকাশ পৃথিবী কঁপাই চেষ্টা কৰিছিল। কিন্তু সকলো বিফল হ'ল। এই দৰে তেওঁৰ প্ৰথম উদ্দেশ্যটিও সিদ্ধ নহ'ল। কিন্তু তেওঁ এই বিষয়ে কাকত পত্ৰ আদিত লিখি, পুস্তিকা প্ৰচাৰ কৰি তালৈ বহুতৰ সহানুভূতি আকৰ্ষণ কৰিলে।

ষ্ট্যাম্প্ এক্ট আমেৰিকাত জাৰি হ'লে ইংলণ্ডৰ বণিক আৰু শিল্পিসকলৰ কি অনৰ্থ ঘটিব তাক তেওঁ বুজাই কবলৈ ধৰিলে। পাচত ফ্রেংকলিনৰ বন্ধু মহামনা ৰাজনীতিবিৎ-পুৰুষ এডমাণ্ডবাৰ্কে আমেৰিকাৰ পক্ষ সমৰ্থন কৰি পাৰ্লিয়ামেণ্টত সুদীৰ্ঘ আৰু সুচিন্তিত বক্তৃতা দিলে। ইপিনে আকৌ বণিক আৰু শিল্পী-সকলেও মূৰ জোকাৰি উঠিল; কাজে কাজে সেই আইন ভঙ্গ পৰিল।

ব্ৰিটিংশ গভৰ্ণমেণ্টে এইবাৰ অইন এটি উপায় অবলম্বন কৰিলে। আমেৰিকালৈ ৰপ্তানি হোৱা কাকত, ৰং, কাচ আৰু চাহৰ ওপৰত এটা যৎসামান্য শুল্ক বহুৱালে। এই সামান্য

* এই আইনৰ মৰ্ম এই যে, আমেৰিকাৰ সকলো আদালতী কাকত পত্ৰত ইংলণ্ডৰ ষ্ট্যাম্প্ ব্যৱহাৰ কৰিব লাগিব।

Vide Burk's speech on American Taxation.

কৰত আমেৰিকাই প্ৰতিবাদ নকৰিব বুলি ভাবিছিল। কিন্তু তেওঁলোকে এইটো ছুতা উলিয়ালে যে আমেৰিকাৰ কোনো সভ্য নথকা ব্ৰিটিশ পাৰ্লিয়ামেণ্টৰ নিজ ইচ্ছাত বহোৱা কোনো কৰভাৰ তেওঁলোকে মুৰ পাতি নলয়। বিশেষতঃ ই 'ষ্ট্যাম্প-এক্ট'ৰে বিভিন্ন অৱতাৰ মাত্ৰ। এই বাৰো বেঞ্জামিনে চেষ্টা কৰি কোনো ফল ফলাব নোৱাৰিলে। ব্ৰিটিশ পাৰ্লিমেণ্টৰ সুবিজ্ঞ, মহামতি পিটেও গভৰ্ণমেণ্টৰ এনে কাৰ্য্যৰ যথেষ্ট নিন্দা কৰি তাৰ নোমকে লৰাব নোৱাৰিলে। অৱশেষত ব্ৰিটিশ গভৰ্ণমেণ্ট আৰু উপনিবেশকাৰী বিলাকৰ মাজত ৰণ লাগিল।

ডাক্তৰ ফ্ৰেংকলিন ১০ বছৰৰ মূৰত, ১৭৭৫ খৃষ্টাব্দত ফিলাডেলফিয়ালৈ উভতিল। ফিলাডেলফিয়াত পদাৰ্পণ কৰিয়েই তেওঁৰ গাৰ্হস্থ্য অৱস্থাৰ বহুত পৰিবৰ্ত্তন দেখিলে। তেওঁ বিলাতৰ পৰা আহিবলৈ ওলোৱাৰ আগেয়ে ১৭৭৪ খৃষ্টাব্দৰ ১৭ ডিচেম্বৰ তাৰিখে তেওঁৰ প্ৰিয়তমা পত্নী ডেবোৰা-ফ্ৰেংকলিনৰ মৃত্যু ঘটিছিল। তেওঁ এই শোকৰ বাতৰি পাই মৰ্ম্মান্তিক আঘাত পালে। তেওঁৰ প্ৰথম পুতেক চাৰি বছৰ বয়সত ঢুকোৱাত তেওঁ এবাৰ পুত্ৰ শোকো পাইছিল।

ডাক্তৰ ফ্ৰেংকলিন আমেৰিকা পালত সকলোৱে তেওঁক সম্ভ্ৰমেৰে গ্ৰহণ কৰিলে। সকলোৱে তেওঁক একবাক্যে আমেৰিকাৰ মহাদেশীয় কংগ্ৰেছ সভাৰ সদস্যৰূপে গ্ৰহণ কৰিলে। কংগ্ৰেছৰ অধিবেশন ইং ১৭৭৫ চনৰ ১০ মেইত বহে। মহা-

দেশীয় কংগ্রেছে ব্রিটিশ শাসন বাৰুৰ পৰা আমেৰিকাৰ স্বাধীনতা ঘোষণা কৰাটো স্থিৰ কৰিলে আৰু স্বাধীনতা-ঘোষণা পত্ৰিকাখন প্ৰস্তুত কৰিবলৈ পাঁচজন সভ্যেৰে এটা সমিতি গঠন কৰিলে। ডাক্তাৰ ফ্ৰেংকলিনো তাৰে ভিতৰৰ এজন আছিল। ১৭৭৬ খৃষ্টাব্দৰ ৪ঠা জুলাই তাৰিখে আমেৰিকাই স্বাধীনতা ঘোষণা কৰিলে।

ইফালে ব্ৰিটিশ সৈন্যৰ লগত উপনিবেশকাৰী বিলাকৰ সমৰ অগ্নি চলিয়ে আছে। নবীন আমেৰিকা তেতিয়া সৈন্যবল আৰু অৰ্থবলত প্ৰবল হৈ উঠা নাছিল। ইং ১৭৭৬ চনৰ চেপ্তেম্বৰ মাহত ডাক্তাৰ ফ্ৰেংকলিনে ফ্ৰেন্সৰ এজন গণ্যমান্য ভদ্ৰলোকৰ পৰা এখন এই মৰ্ম্মে চিঠি পালে যে ফ্ৰান্সৰ মন্ত্ৰীমণ্ডল নবীন আমেৰিকাক টকা-কড়ি অস্ত্ৰ-শস্ত্ৰ আদি ৰণসম্ভাৰ গোপনে দি সহায় কৰিবলৈ সাজু হৈ আছে। আমেৰিকাই এই বাতৰি পাই, ফ্ৰেংকলিনৰে সৈতে তিনিজনক দূতস্বৰূপে ফ্ৰেন্সলৈ পঠিয়াবলৈ থিৰ কৰিলে।

১৭৭৬ চনৰ অক্টোবৰ মাহত ফ্ৰেংকলিন ফ্ৰেন্সলৈ যাত্ৰা কৰিলে; কিন্তু সকলো কথা অতি সাবধানেৰে আৰু গোপনে ৰখা হল। তেওঁ নবেম্বৰ মাহত ফ্ৰেন্স পালেগৈ। ইংলণ্ডৰ নিচিনা ফ্ৰান্সতো তেওঁ সকলো শ্ৰেণীৰ মানুহৰপৰা সমভাৱে শ্ৰদ্ধা লাভ কৰিব পাৰিছিল। ফ্ৰান্সৰ ৰাজনীতিজ্ঞ পুৰুষ সকলে ৰাজনীতি ক্ষেত্ৰত তেওঁৰ সামৰ্থ্যৰ চিনাকি ইংলণ্ডতে পাইছিল; ইফালে তেওঁৰ বৈজ্ঞানিক আবিষ্কাৰৰ কীৰ্ত্তি বাণিয়ে তাৰ বিজ্ঞানবিদ্

সকলৰে ভক্তি আকৰ্ষণ কৰিছিল। আকৌ, ফ্ৰেন্সৰ সাহিত্যিক সকলে, তেওঁৰ সাহিত্য প্ৰতিভাত মুগ্ধ হৈ যথাযোগ্য সন্মান দেখুৱাইছিল। সকলোৱে এই প্ৰোথিতযশা প্ৰতিনিধিৰ লগত দুই আষাৰ কথা কব পাৰিলেও কৃতাৰ্থ মানিছিল।

ইফালে আমেৰিকাত উপনিবেশকাৰী সকলে ব্ৰিটিশৰ সৈন্যক কেবা ঠাইতো যুদ্ধত হেৰুওৱা বাতৰি ফ্ৰান্সলৈ গল। ফ্ৰান্সবাসী আনন্দিত হৈ ১৭৭৮ খৃষ্টাব্দৰ ৫ ফেব্ৰুৱাৰী তাৰিখে আমেৰিকাৰ লগত এই মৰ্ম্মে সন্ধি স্থাপন কৰিলে যে নবীন আমেৰিকাই সম্পূৰ্ণ স্বাধীনতা নেপালৈ মানে কোনো পক্ষই আন পক্ষৰ বিনা সন্মতিত ব্ৰিটিশৰ লগত সন্ধি নকৰে যেন। ফ্ৰান্সৰ লগত এই সন্ধিৰ আমেৰিকাৰ তৰফে মুখিয়াল আছিল ডাক্তাৰ ফ্ৰেঙ্কলিন। সেই সময়ৰ ফ্ৰেন্সৰ ৰজা ষোড়শ লুইয়ে আমেৰিকাৰ প্ৰতিনিধি তিনিজনক দেখা কৰিবলৈ মাতি পঠিয়ায়। বেঞ্জা-মিন আৰু আন দুজনে যথাবিধি বেশভূষাৰে সুসজ্জিত হৈ ৰাজ-দম্পতীক দেখা কৰিলে। ৰাজদম্পতীয়ে তেওঁলোকক অতি আদৰেৰে গ্ৰহণ কৰিলে আৰু তেওঁলোকৰ দেশৰ বিষয়ে নানা কথা বতৰা পাতিলে। ওপৰত কোৱা সন্ধিমতে ফ্ৰেঞ্চ গভৰ্ণমেণ্টে নবীন আমেৰিকাক যথোচিত সৈন্যবল আৰু অস্ত্ৰবলেৰে সহায় কৰিলে আৰু ২৬ নিযুত ফ্ৰাঙ্ক আমেৰিকাক ঋণ দিলে।

১৭৮১ খৃষ্টাব্দৰ অক্টোবৰ মাহত ব্ৰিটিশৰ সেনানায়ক লৰ্ড কৰ্ণওৱালিছ (পাচত ভাৰতৰ গভৰ্ণৰ জেনেৰেল) ইয়ৰ্কটনৰ যুদ্ধত আমেৰিকাৰ হাতত বন্দী হয়। পাচত আমেৰিকাৰ

বিৰুদ্ধে ব্ৰিটিশ গভৰ্ণমেণ্টে অস্ত্ৰ সামৰিবলৈ বাধ্য হ'ল আৰু ১৭৮৩ খৃষ্টাব্দৰ চেপ্টেম্বৰ মাহৰ সন্ধিমতে আমেৰিকাক স্বাধীনতা দিলে।

যুদ্ধৰ সামৰণিত ইংৰাজ আৰু আন আন জাতিৰ ৰাজপুৰুষ সকল তেওঁক সম্ভ্ৰম দেখুৱাবলৈ আহি তেওঁৰ বাসকক্ষ ভৰি পৰিল। সকলোকে তেওঁ যথাযোগ্য আলাপেৰে সন্তোষ দিছিল। তেতিয়া তেওঁ ৭৮ বছৰীয়া জৰাগ্ৰস্ত বৃদ্ধ, শৰীৰ অতি দুৰ্ব্বল; অইনকি লৰিচৰি কৰিবই নোৱাৰিছিল। ১৭৮৫ খৃষ্টাব্দত তেওঁ ফ্ৰান্সৰপৰা নিজ দেশলৈ যাত্ৰা কৰিলে। আহোঁতে সাগৰীয় বতাহে তেওঁৰ স্বাস্থ্যৰ অলপ উপকাৰ কৰিলে। চেপ্টেম্বৰৰ ১৩ তাৰিখে তেওঁ ফিলাডেলফিয়া পালেহি। তেওঁক আগবঢ়াই আনিবলৈ অসংখ্য লোক জাহাজ ঘাটত গোট খাইছিল। ঘৰ পালত এছেম্বেলিয়ে দেশৰ হকে অক্লান্ত পৰিশ্ৰম কৰাৰ নিমিত্তে তেওঁক অভিনন্দিত কৰিলে। মহামতি জেনেৰেল ওৱাছিংটনেও তেওঁক সম্ভাষণ জনাই চিঠি পঠিয়ালে। ইয়াৰ অলপ পাচত তেওঁ পেন্‌ছিল্‌ভেনীয়া প্ৰদেশৰ গভৰ্ণৰ পদত নিযুক্ত হয়। ১৭৮৭ খৃষ্টাব্দত স্বাধীন যুক্তৰাজ্যৰ শাসন নিয়ম নিখুতভাবে আৰু সম্পূৰ্ণৰূপে নিৰ্দ্ধাৰণ কৰিবলৈ এখন বিৰাট ৰাজকীয় সভা বহে। জেনেৰেল ওৱাছিংটন আৰু ফ্ৰেংকলিন উভয়ে ইয়াৰ বিশিষ্ট প্ৰতিনিধি আছিল।

পাচত তেওঁ নিৰালয়ভাবে জীৱন কটাবৰ কাৰণে ৰাজনৈতিক ক্ষেত্ৰৰপৰা অৱসৰ গ্ৰহণ কৰিলে। জীৱনৰ বাকী

কেইটামান দিন তেওঁৰ আত্মজীৱন চৰিত লিখি কটাইছিল। পৃথিবীত তেওঁৰ কৰ্ত্তব্য সমাপন হলত ওপৰৰ পৰা তেওঁৰ আহ্বান আহিল। পাচত পূৰ্ণ বয়সত ১৭৯০ খৃষ্টাব্দৰ ১৭ মেই তাৰিখে শান্তিৰে তেওঁ ইহধাম পৰিত্যাগ কৰিলে। মৃত্যুৰ সময়ত তেওঁৰ ওচৰত আঁৰি থোৱা যীশুৰ ছবি এখনলৈ অনিমেষ চকুজুৰি ৰাখি কৈছিল—"এই এখন মানবজাতিৰ মাজত প্ৰেমৰ দীক্ষা দিবলৈ অহা একজন মহামানৱৰ আলেখ্য।"

তেওঁৰ সমাধি শিলাৰ ওপৰত যৌবন কালতে নিজহাতে ৰচনা কৰা সমাধিলিপি ক্ষোদিত কৰি দিয়া হ'ল ; তাৰ তলতে শ্ৰেষ্ঠ দাৰ্শনিক, বৈজ্ঞানিক, দেশপ্ৰেমিক, ৰাজনীতিজ্ঞ আৰু কৰ্ম্মবীৰ একজনৰ অনন্ত শয়ন।

---

—অন্ত—

# পৰিশিষ্ট

## বেঞ্জামিনৰ সমাধি লিপি

মানুহ পাত নথকা এখন পুৰণি কিতাপৰ বান্ধনি আৰু সোণালি আখৰৰ সৌষ্ঠৱ হীন হোৱা জিলৰ নিচিনা, মুদ্রাকৰ বেঞ্জামিন ফ্রেংকলিনৰ শৰীৰ ইয়াত পোকৰ আহাৰ হৈ সমাহিত আছে। তথাপি তেওঁৰ জীৱনগ্রন্থ সমূলি নষ্ট নহয়। কিয়নো তেওঁ বিশ্বাস কৰে যে, গ্রন্থকাৰৰ দ্বাৰা সংশোধিত আৰু পৰিবর্তন হৈ সুন্দৰ নতুন সংস্কৰণ ৰূপে আকৌ দেখা দিব।